www.epaper.asombarta.in

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

PRGI REGD. NO. (Title) : ASSASS01389

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

‘ পাঁচি সজা, কামি চাঁছা সন্মানৰ
কাম, নীচ মাথোঁ এলেহুৱা।
--- লক্ষ্মীনাথ বেজবৰুৱা --- ’

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন ‘অসম বাৰ্তা’ কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক।
- ‘অসম বাৰ্তা’ গোষ্ঠী -

❑ ষষ্ঠ বছৰ ❑ সংখ্যা - ১৭২ ❑ সোমবাৰ ❑ ১১ আগষ্ট, ২০২৫ চন ❑ ২৫ শাওন, ১৯৪৭ শক ❑ VOL - 6 ❑ NO.- 172 ❑ Monday ❑ 11th August, 2025 ❑ মূল্য ঃ ১০.০০ টকা ❑ মুঠ পৃষ্ঠা ঃ ৮

## জলসম্পদ বিভাগত ভুৱা নিযুক্তি পত্ৰ কেলেংকাৰীৰে জড়িত ছয়জনক গ্ৰেপ্তাৰ

### বিটিচি নিৰ্বাচনৰ বিপিএফৰ এজন প্ৰাৰ্থীও গ্ৰেপ্তাৰ




**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১০ আগষ্ট ঃ** ৰাজ্যৰ জলসম্পদ বিভাগত ভুৱা নিযুক্তি পত্ৰ কেলেংকাৰীৰ সৈতে জড়িত ছয়জন ব্যক্তিক গ্ৰেপ্তাৰ কৰিছে অসম আৰক্ষীৰ চিআইডিয়ে। আটক কৰাসকলৰ ভিতৰত আছে আগন্তুক বড়োলেণ্ড টেৰিটৰিয়েল কাউন্সিলৰ নিৰ্বাচনত বড়োলেণ্ড পিপলছ ফ্ৰণ্টৰ টিকটত প্ৰতিদ্বন্দ্বিতা কৰা এজন প্ৰাৰ্থীও। বিষয়াসকলৰ মতে, বিভাগটোৰ মুখ্য অভিযন্তাৰ স্বাক্ষৰত জাৰি কৰা বুলি কোৱা প্ৰৱঞ্চনামূলক নিযুক্তি পত্ৰৰ বিনিময়ত অভিযুক্তই চাকৰি প্ৰত্যাশীসকলৰ পৰা ধন লৈছিল বুলি ▸▸৬ পৃষ্ঠাত

## নইডা আৰু দিল্লীৰ পৰা গুৱাহাটীলৈ নকল নোট

**ষ্টাফ ৰিপৰ্টাৰ, বেলতলা, ১০ আগষ্ট ঃ** পূব গুৱাহাটী আৰক্ষী জিলাৰ (ইজিপিডি) এটা দলে মণিপুৰৰ দুজন লোকক নকল নোটৰ সৈতে গ্ৰেপ্তাৰ কৰিছে। অভিযানত ▸▸৬ পৃষ্ঠাত

### সিন্ধু জল চুক্তি স্থগিতৰ প্ৰতিশোধৰ ফলত পাকিস্তানৰ ১২৪০ কোটি টকাৰ লোকচান

## আকাশমাৰ্গ বন্ধৰ সিদ্ধান্তৰ ফল ভুগিছে পাকিস্তানে




**অনলাইন ডেস্ক, অসম বাৰ্তা, ১০ আগষ্ট ঃ** জম্মু-কাশ্মীৰৰ পহলগামত ২২ এপ্ৰিল ২০২৫ত সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণৰ পিছত ভাৰতে পাকিস্তানৰ বিৰুদ্ধে কঠোৰ পদক্ষেপ হিচাপে ১৯৬০ চনৰ সিন্ধু জল সন্ধি স্থগিত ৰাখিছিল। ইয়াৰ প্ৰতিশোধ হিচাপে পাকিস্তানে ভাৰতীয় বিমানৰ বাবে ▸▸৬ পৃষ্ঠাত

### সোণাৰিবিলৰ পুনৰুদ্ধাৰ কৰা ভূমিত ১৫,০০০ উৰিয়াম গছ ৰোপণ

## ৰেংমা সংৰক্ষিত বনাঞ্চলত বৃক্ষৰোপণ অভিযান

**অসম বাৰ্তা, ধনশিৰি, ১০ আগষ্ট ঃ** ৰেংমা সংৰক্ষিত বনাঞ্চলৰ পুনৰুদ্ধাৰ কৰা অঞ্চলসমূহক প্ৰাকৃতিক সেউজীয়া আৱৰণলৈ ঘূৰাই অনাৰ এক বৃহৎ ▸▸৬ পৃষ্ঠাত

### দিহিৰা (মুকলি) পৰিষদীয় সমষ্টিৰ বিজয় সংকল্প সভাত মুখ্যমন্ত্ৰী

## হাগ্ৰামা-প্ৰমোদৰ বিৰুদ্ধে প্ৰাৰ্থী থিয় নকৰাই বিজেপিয়ে

### মোৰ বুজাবুজি হাগ্ৰামা মহিলাৰীৰ লগতো আছে, প্ৰমোদ বড়োৰ লগতো আছে, অঞ্জলি বাইদেউৰ লগতো আছে, কিন্তু আমি নিৰ্বাচনত অকলেই অংশগ্ৰহণ কৰিম ঃ মুখ্যমন্ত্ৰী



**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১০ আগষ্ট ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বড়োলেণ্ড টেৰিটৰিয়েল ৰিজ'ন (বিটিআৰ)ৰ আগন্তুক পৰিষদীয় নিৰ্বাচন সন্দৰ্ভত মন্তব্য কৰি কয় যে বিটিআৰত সকলো ৰাজনৈতিক দলৰ অংশগ্ৰহণ এটা শুভ লক্ষণ। তেওঁৰ মতে, সকলো দলৰ অংশগ্ৰহণে বিটিআৰৰ জনসাধাৰণক অন্য অঞ্চলৰ দৰে গণতান্ত্ৰিক প্ৰক্ৰিয়াৰ ▸▸৬ পৃষ্ঠাত

### ভোটাৰ তালিকাৰ বিতৰ্ক; দেশজুৰি আন্দোলনৰ প্ৰস্তুতি

## নিৰ্বাচন আয়োগৰ ৬৫ লাখ ভুৱা ভোটাৰৰ তথ্য অস্বীকাৰ

**নিউজ ডেস্ক, অসম বাৰ্তা, ১০ আগষ্ট ঃ** ভাৰতৰ নিৰ্বাচন আয়োগে বিহাৰৰ খচৰা ভোটাৰ ▸▸৬ পৃষ্ঠাত




## প্ৰধানমন্ত্ৰী, গৃহমন্ত্ৰীৰ অসম ভ্ৰমণ; কটকটীয়া মহানগৰীৰ নিৰাপত্তা ব্যৱস্থা

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১০ আগষ্ট ঃ** ৭৯ সংখ্যক স্বাধীনতা দিৱসৰ লগতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু গৃহমন্ত্ৰী অমিত শ্বাহৰ আসন্ন অসম ভ্ৰমণৰ প্ৰতি লক্ষ্য ৰাখি গুৱাহাটী মহানগৰীত নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তোলা হৈছে। নিষিদ্ধ ঘোষিত উগ্ৰপন্থী সংগঠন আলফা স্বাধীনৰ ঘাটিত ড্ৰোণেৰে আক্ৰমণ কৰাৰ পাছতেই মহানগৰ আৰক্ষীয়ে ব্যাপক সতৰ্কতা অৱলম্বন কৰিছে। শান্তিপূৰ্ণভাৱে ▸▸৬ পৃষ্ঠাত

### আপত্তিজনক সামগ্ৰী উদ্ধাৰ, তিনিজনক গ্ৰেপ্তাৰ

## গণেশগুৰিৰ ইউনিছেক্স চেলুনত যৌনতাৰ বেহা

### অবৈধ কাৰ্যকলাপৰ বিৰুদ্ধে আৰক্ষীৰ তৎপৰতা



**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১০ আগষ্ট ঃ** গুৱাহাটী মহানগৰীত নাৰীদেহৰ বেহাৰ ঘটনাই যেন শেষ নোহোৱা লৈছে। মহানগৰীৰ জয়ানগৰৰ বাপ্তি হাজৰিকাৰ নেতৃত্বত চলা এটা দেহ ব্যৱসায়ৰ চক্ৰৰ কথা সম্প্ৰতি এটা ফোন ৰেকৰ্ডিং সামাজিক মাধ্যমত ভাইৰেল হোৱাৰ পিছত পোহৰলৈ আহিছে। এই ঘটনাৰ ▸▸৬ পৃষ্ঠাত

## ইউক্ৰেইনৰ সৈতে সংঘাত! আমেৰিকা-ৰাছিয়াৰ আলোচনা



**নিউজ ডেস্ক, অসম বাৰ্তা, ১০ আগষ্ট ঃ** ইউক্ৰেইন সংঘাতৰ সমাধানৰ লক্ষ্যৰে আমেৰিকা আৰু ৰাছিয়াৰ মাজত আগন্তুক ১৫ আগষ্ট ২০২৫ত আলাস্কাত অনুষ্ঠিত হ'বলগীয়া শীৰ্ষ বৈঠকক ভাৰতে আদৰণি জনাইছে। ভাৰতৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে এই বৈঠকৰ ▸▸৬ পৃষ্ঠাত

### ইউপিপিএলৰ দুৰ্গত হাগ্ৰামা বাহিনীৰ আৰ্শীবাদ ৰেলী

## প্ৰমোদ বড়োৰ আয়ুস মাত্ৰ ১৫ দিন ঃ হাগ্ৰামা মহিলাৰী

### এবচু ছাত্ৰ সংগঠন হৈ বি.পি.এফ.ক কেনেকৈ ১২ তাৰিখলৈ ডেটলাইন দিব পাৰে




**ষ্টাফ ৰিপৰ্টাৰ, টংলা, ১০ আগষ্ট ঃ** সমাগত বিটিচি পৰিষদীয় নিৰ্বাচনকলৈ সকলো ৰাজনৈতিক দলে নিৰ্বাচনী তৎপৰতা প্ৰদৰ্শন কৰি থকাৰ সময়তে বিটিচিত সৰ্বাধিক চৰ্চিত বি পিএফ ▸▸৬ পৃষ্ঠাত

## শপতনামা দি ভোটাৰ জালিয়াতিৰ অভিযোগ প্ৰমাণ কৰিব লাগে ৰাহুল গান্ধীয়ে




**নেশ্যলেন ডেস্ক, অসম বাৰ্তা, ১০ আগষ্ট ঃ** ভোট জালিয়াতিৰ অভিযোগত পুনৰ সমুখ সমৰত লিপ্ত হৈছে বিৰোধী নেতা ৰাহুল গান্ধী আৰু নিৰ্বাচন আয়োগ। শনিবাৰে আয়োগে পুনৰ অৱগত কৰে যে ৰাহুলৰ হাতত দুটা বিকল্প আছে, শপতনামা দিয়ক বা ক্ষমা খোজক। ▸▸৬ পৃষ্ঠাত

## চামগুৰিত মিঞা যুৱকৰ আক্ৰমণৰ বলি খিলঞ্জীয়া যুৱক

**অসম বাৰ্তা, পুৰণিগুদাম, ১০ আগষ্ট ঃ** নগাঁৱৰ মাজমজিয়া ‘ঢাকাইপট্টি’ৰ পাছত চামগুৰিত মিঞা মুছলমান যুৱকে প্ৰহাৰ কৰিলে এজন খিলঞ্জীয়া অসমীয়া ব্যক্তিক। চামগুৰিৰ বৰালিগাঁৱত সংঘটিত হৈছে এই ঘটনাটো। চামগুৰিৰ কনুৱামাৰি গাঁৱৰ ছাদ্দাম হুছেইন নামৰ এজন মিঞা যুৱকে তিলক দাস নামৰ ব্যক্তিগৰাকীক তেওঁৰ ঘৰৰ সন্মুখতে প্ৰহাৰ কৰে বুলি অভিযোগ উঠিছে। ইতিমধ্যে মিঞা যুৱকজনে প্ৰহাৰ কৰা সন্দৰ্ভত তিলক দাসে চামগুৰি থানাত এখন এজাহাৰ দাখিল কৰিছে। প্ৰাপ্ত খবৰ মতে, তিলক দাসৰ ঘৰৰ ওচৰতে থকা এখন ফুলৰ নাৰ্চাৰীত কাম কৰি থকা দুগৰাকী মহিলাক ছাদ্দাম হুছেইন নামৰ যুৱকজনে অশ্লীল কথা আৰু ইংগিত দি থকা দেখি ▸▸৬ পৃষ্ঠাত

### উগ্ৰ সাম্প্ৰদায়িক চিন্তা চেতনাই শক্তিশালী অসমীয়া জাতিক থানবান কৰিছে

## ‘কা’ জাপি দি ঐতিহাসিক অসম চুক্তিক অৱমাননা কৰিছে বিজেপিয়ে

### কংগ্ৰেছৰ দৰে বিজেপিয়েও প্ৰতাৰণা কৰিছে খিলঞ্জীয়া মুছলমানক ঃ নেকিবুৰ জামান



**ষ্টাফৰিপটাৰ, শিৱসাগৰ, ১০ আগষ্ট ঃ** উজনি অসম মুছলিম কল্যাণ পৰিষদৰ উদ্যোগত আজি শিৱসাগৰ নগৰৰ ৰংপুৰজ্যোতি ক্লাবত এখন মত বিনিময় সভা অনুষ্ঠিত হয়। অসমৰ কেইবাটাও জাতীয় আৰু জনগোষ্ঠীয় সংগঠনৰ নেতৃত্বই অংশগ্ৰহণ কৰা এই মত বিনিময় সভাখনৰ সঞ্চালনা কৰে উজনি অসম মুছলিম কল্যাণ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি মনিৰুল ইছলাম বড়াই। এই মত বিনিময় সভাত মুখ্য অতিথি ▸▸৬ পৃষ্ঠাত

### কংগ্ৰেছ দল দিনক দিনে শক্তিশালী হৈছে

## মুখ্যমন্ত্ৰীয়ে চাকৰি দিয়াতকৈ বন্দুকহে তুলি দিব বিচাৰিছে ঃ গৌৰৱ গগৈ


### তিনিচুকীয়াত গৌৰৱ গগৈৰ উপস্থিতিত কংগ্ৰেছ দলত যোগদান তিনি শতাধিকৰ



**ষ্টাফ ৰিপ'ৰ্টাৰ, ডুমডুমা, ৯ আগষ্ট ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই চাকৰি দিয়াতকৈ এতিয়া যুৱকসকলৰ হাতত বন্দুকহে তুলি দিব বিচাৰিছে। মুখ্যমন্ত্ৰীয়ে আজি সোণোৱাল-কছাৰী স্বায়ত্ত শাসিত পৰিষদৰ নিৰ্বাচন পতাত সম্পূৰ্ণ বিফল হৈছে। মুখ্যমন্ত্ৰীয়ে নিজৰ গাদী ৰক্ষা ▸▸৫ পৃষ্ঠাত

## নৱেম্বৰত ‘মেগা বাগুৰুম্বা’; ১০ হাজাৰ শিল্পীয়ে প্ৰদৰ্শন কৰিব নৃত্য

### বিশ্বৰ সন্মুখত ‘বাগুৰুম্বা’ নৃত্য প্ৰদৰ্শন কৰিব আৰু বড়ো সম্প্ৰদায়ৰ ঐতিহ্য জিলিকাই তুলিব



**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১০ আগষ্ট ঃ** অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কয় যে অহা নৱেম্বৰ মাহত বড়ো লোকনৃত্য ‘বাগুৰুম্বা’ ১০ হাজাৰৰো অধিক শিল্পীয়ে উপস্থাপন কৰিব। ইয়াৰ পূৰ্বে অনুষ্ঠিত ▸▸৬ পৃষ্ঠাত



# ‘সঠিক স্তৰত শিক্ষণ’ শীৰ্ষক চাৰি-দিনীয়া শিক্ষক প্ৰশিক্ষণৰ সামৰণি

**অসম বাৰ্তা, অভয়াপুৰী, ৯ আগষ্ট ঃ** অভয়াপুৰীৰ সমীপৰ এছ এন মেমৰিয়েল এম ই স্কুলত ‘সঠিক স্তৰত শিক্ষণ’ শীৰ্ষক চাৰিদিনীয়া শিক্ষক প্ৰশিক্ষণৰ আজি সামৰণি পৰে। ‘সঠিক স্তৰত শিক্ষণ’ শীৰ্ষক মূল বিষয়বস্তু হিচাপে লৈ সমগ্ৰ শিক্ষা অসমৰ উদ্যোগত আৰু প্ৰথম ফাউণ্ডেশ্যনৰ সহযোগত তথা সৃজনগ্ৰাম প্ৰাথমিক শিক্ষা খণ্ডৰ পৃষ্ঠপোষকতাত চাৰিদিনীয়া শিক্ষক প্ৰশিক্ষণৰ প্ৰথম দফা আজি সামৰণি পৰে। সৃজনগ্ৰাম শিক্ষা খণ্ডৰ ৪টা প্ৰশিক্ষণ কেন্দ্ৰৰ লগতে এছ এন মেম’ৰিয়েল ডুমুৰীয়া এম ই বিদ্যালয়তো ৪ দিনীয়াকৈ আয়োজন কৰা হয়। অৰ্ধ-শতাধিক শিক্ষক-শিক্ষয়িত্ৰীয়ে অংশগ্ৰহণ কৰা উক্ত প্ৰশিক্ষণ কাৰ্যসূচীত সৃজনগ্ৰাম প্ৰাথমিক শিক্ষা খণ্ডৰ খণ্ড প্ৰাথমিক শিক্ষা বিষয়া শ্ৰীযুত নৱজিৎ বায়নৰ লগতে অন্যান্য বিষয়ববীয়া সকল উপস্থিত থাকে। প্ৰশিক্ষণ থলিত শিক্ষক-শিক্ষয়িত্ৰী সকলক উদ্দেশি প্ৰদান কৰা আদৰণি ভাষণত শিক্ষা বিষয়া গৰাকীয়ে প্ৰশিক্ষণ প্ৰসংগত কয় যে প্ৰশিক্ষণে শিক্ষক-শিক্ষয়িত্ৰীৰ শিকণৰ মানদণ্ড উন্নীত কৰাৰ লগতে শিক্ষাগুৰু সকলৰ শিকণ কৌশল, দক্ষতা আৰু সফলতা বৃদ্ধি কৰাৰ উপৰিও শিক্ষক-শিক্ষয়িত্ৰী সকলৰ মন- মগজু সদা সতেজ তথা সক্ৰিয় কৰি ৰাখে। তেওঁ লগতে প্ৰশিক্ষণক এক যোগাত্মক দৃষ্টিভংগীৰে গ্ৰহণ কৰি শ্ৰেণীকোঠাত ইয়াৰ সফল প্ৰয়োগৰে শিক্ষণ-শিকণ প্ৰক্ৰিয়া ত্বৰান্বিত কৰিবলৈ উপস্থিত সকলোকে আহ্বান জনায়। “সঠিক স্তৰত শিক্ষণ”ৰ অংশস্বৰূপ এই প্ৰশিক্ষণৰ লক্ষ্য হ’ল প্ৰাথমিক বিদ্যালয়ৰ তৃতীয় শ্ৰেণীৰ পৰা পঞ্চম শ্ৰেণীলৈ শিক্ষাদান কৰা শিক্ষকসকলক শিক্ষণ ফলাফল বৃদ্ধিৰ বাবে উদ্ভাৱনীমূলক শিক্ষাবিজ্ঞানৰ পদ্ধতিৰে শিকোৱাৰ কৌশলসমূহ আয়ত্ত কৰা। প্ৰশিক্ষণৰ প্ৰথম পৰ্যায়ত শিক্ষা খণ্ডটোৰ বিভিন্ন বিদ্যালয়সমূহৰ পৰা প্ৰায় ২০০ গৰাকী শিক্ষক- শিক্ষয়িত্ৰীয়ে অংশগ্ৰহণ কৰে। এছ এন মেমৰিয়েল এম ই বিদ্যালয়ৰ লগতে সোণাখুলি এম.ভি.স্কুল, কাকৈজানা এম.ভি. স্কুল, ছাবু চৰদাৰ এম.ই. স্কুল আৰু জিটকিবাৰী পাহাৰতলি এম.ই. বিদ্যালয়তো সমান্তৰালকৈ এই প্ৰশিক্ষণ প্ৰদান কৰা হয়। আকৰ্ষণীয় অধিবেশন, দলীয় আলোচনা আৰু হাতে কামে কৰা কাৰ্যকলাপৰ জৰিয়তে প্ৰশিক্ষণত মৌলিক সাক্ষৰতা আৰু সংখ্যাৰ দক্ষতাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। প্ৰশিক্ষণৰ সমল ব্যক্তিসকলে ব্যৱহাৰিক আৰু প্ৰাসংগিক পাঠদান পদ্ধতিৰ ওপৰত গুৰুত্ব আৰোপ কৰি নিজৰ নিজৰ অধিৱেশন সমূহ সুচাৰুৰূপে পৰিচালনা কৰে। এই প্ৰশিক্ষণ কাৰ্যসূচী ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ৰ সৈতে সংগতি ৰাখি, মৌলিক শিক্ষণ আৰু দক্ষতা ভিত্তিক শিক্ষাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। এই প্ৰশিক্ষণৰ জৰিয়তে সঠিক জ্ঞান, দক্ষতা আৰু কৌশল প্ৰয়োগেৰে শিক্ষক-শিক্ষয়িত্ৰী সকলক সৱলীকৰণ কৰি বঙাইগাঁও জিলাৰ শৈক্ষিক ফলাফল উন্নত কৰিব বিচৰা হৈছে। প্ৰশিক্ষণত সমল ব্যক্তি হিচাবে অংশগ্ৰহণ কৰে ক্ৰমে শ্বেখ মোঃ আশ্ৰাফুল ইছলাম আৰু ভাস্কৰ মজুমদাৰে। বিদ্যালয় প্ৰধান মাননিয়া মৰিয়ম খাতুনৰ পৰিচালনাত আৰু কেন্দ্ৰ সমন্বয়ক দ্বয় ক্ৰমে মইনুল হক খান আৰু মোঃ ছাইদুল ইছলামৰ তত্ত্বাৱধানত প্ৰশিক্ষণ কেন্দ্ৰৰ সমূহ কাৰ্যসূচী আজি সামৰণি পৰে।

# বিজেপিৰ সমৰ্থনত সংখ্যালঘু ৰাইজ ওলাই আহিছে ঃ বিধায়ক দিপ্লুৰঞ্জন শৰ্মা

**অসম বাৰ্তা, গোসাঁইগাঁও, ৯ আগষ্ট ঃ** আজি ২ নং গুমা সমষ্টিৰ অন্তৰ্গত সত্যপুৰত অনুষ্ঠিত হয় এখন গুৰুত্বপূৰ্ণ প্ৰস্তুতি বৈঠক, য’ত ভাৰতীয় জনতা পাৰ্টীৰ অসম প্ৰদেশৰ সন্মানীয় সাধাৰণ সম্পাদক তথা বিধায়ক দিপ্লুৰঞ্জন শৰ্মা উপস্থিত থাকি দলৰ কৰ্মকৰ্তাসকলক আগন্তুক কাৰ্যসূচীৰ বিষয়ে আলোচনা কৰে। উল্লেখযোগ্য যে অহা ১৩ আগষ্ট তাৰিখে অসমৰ কৰ্মদক্ষ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু ভাৰতীয় জনতা পাৰ্টীৰ অসম প্ৰদেশৰ সন্মানীয় সভাপতি তথা সাংসদ দিলীপ শইকীয়াৰ উপস্থিতিত এক বিশাল কৰ্মকৰ্তা সন্মিলন অনুষ্ঠিত হ’ব। এই সন্মিলনক সফল কৰি তোলাৰ লক্ষ্যৰে গুমা মণ্ডলৰ সকলো কৰ্মকৰ্তা, মণ্ডলৰ সভাপতি, সম্পাদক নেতৃত্বসহ দলৰ সক্ৰিয় সদস্যসকলে প্ৰস্তুতি বৈঠকত অংশগ্ৰহণ কৰে। বৈঠকত অঞ্চলটোৰ ৰাজনৈতিক পৰিস্থিতি, সংগঠনত্মক দৃঢ়তা বৃদ্ধি আৰু আগন্তুক কাৰ্যসূচীসমূহ কিদৰে সফল ৰূপে সম্পন্ন কৰা যাব সেই সন্দৰ্ভত বিস্তৃত আলোচনা হয়। বিধায়ক দিপ্লুৰঞ্জন শৰ্মায়ে দলৰ শৃংখলা, ঐক্য আৰু পৰিশ্ৰমৰ ওপৰত গুৰুত্ব আৰোপ কৰি সকলো কৰ্মকৰ্তাক সক্ৰিয়ভাৱে আগবাঢ়ি অহাৰ আহ্বান জনায়। আনহাতে সাংবাদিকৰ প্ৰশ্নত কয় সংখ্যালঘু ভোট পাই পেলাই কেইবাটাও জিলা পৰিষদত জিকিছে বিজেপিয়ে। আচলতে এইটো এটা ভুল ধাৰণা আমি সংখ্যা গুৰু, সংখ্যালঘু ৰাজনীতি কৰা নাই, আমি কৰিছোঁ চবকা চাথ চবকা বিকাশ, আমাৰ ৰাজনীতিটো হৈছে চবকা চাথ চবকা বিকাশ কৰা। ন্যায় সকলোৰে বাবে একে, কোনোবাই যদি চৰকাৰী মাটিত বহি আছে সেইখিনি চৰকাৰে উচ্ছেদ কৰিবৈ। ইয়াত বেলেগ ভোট বেংকৰ কথা নাহে। ভোট বেংকৰ কথা কৈ কংগ্ৰেছে দেশখন ধ্বংস কৰিছে। আজি বিজেপিৰ সমৰ্থনত সংখ্যালঘু ৰাইজ ওলাই আহিছে। গতিকে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ওপৰত ৰাইজৰ সমৰ্থন আছে গুমাতো থাকিব বুলি মন্তব্য কৰে।

**বিভিন্ন উন্নয়নমূলক আঁচনি সন্দৰ্ভত পৰ্যালোচনা সভা**

# হাজো খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয়ত বিধায়িকা সুমন হৰিপ্ৰিয়া

**অসম বাৰ্তা, হাজো, ৯ আগষ্ট ঃ** কামৰূপ জিলাৰ হাজো খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয়ত আজি হাজো খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয় আৰু গাঁও পঞ্চায়তত কৰ্মৰত বিষয়া-কৰ্মচাৰী সকলৰ সৈতে হাজো বিধানসভা সমষ্টিৰ বিধায়িকা সুমন হৰিপ্ৰিয়াই গাঁও পঞ্চায়ত সমূহত ৰূপায়ণ হৈ থকা বিভিন্ন উন্নয়ন মূলক কাম-কাজ সন্দৰ্ভত এক পৰ্যালোচনা সভাত মিলিত হয়। সভাৰ পূৰ্বে খণ্ড উন্নয়ন বিষয়া ইন্দ্ৰনীল কাশ্যপে বিধায়িকা সুমন হৰিপ্ৰয়াক এখন ফুলাম গামোছা, জাপি আৰু এখনি পিতলৰ শৰাইৰে বিপুলভাবে অভিনন্দন জ্ঞাপন কৰে। বিধায়িকা সুমন হৰিপ্ৰিয়াই হাজো উন্নয়ন খণ্ড আৰু গাঁও পঞ্চায়তৰ কৰ্মচাৰী সকলক তেওঁলোকৰ দায়িত্ব আৰু কৰ্তব্যবোৰ নিষ্ঠা আৰু সততাৰে পালন কৰিবলৈ সকলোকে আহ্বান জনোৱাৰ লগতে ভৱিষ্যতত পঞ্চায়ত সমূহত নিজা আয়ৰ উৎস কেনেকৈ বৃদ্ধি কৰিব পাৰে তাৰ বাবে আঁচনি প্ৰস্তুত কৰিবলৈও পঞ্চায়ত সচিব সকলক পৰামৰ্শ আগবঢ়াই। এই সভাতেই বিধায়িকাগৰাকীয়ে ক্ষেত্ৰিহাৰদিয়া গাঁও পঞ্চায়ত কাৰ্যালয়ৰ আন্তঃগাঁঠনি উন্নয়নৰ বাবে বিধায়ক পুঁজিৰ ৬ লাখ টকা অনুদান হিচাপে আগবঢ়োৱা হ’ব বুলি ব্যক্ত কৰে। ইয়াৰ পিছতে বিধায়িকা গৰাকীয়ে হাজো উন্নয়ন খণ্ডৰ অন্তৰ্গত গাঁও পঞ্চায়ত আৰু আঞ্চলিক পঞ্চায়তৰ নব নিৰ্বাচিতজন প্ৰতিনিধি সকলৰ সৈতেও এক বৈঠকত মিলিত হৈ তেওঁলোকক অভিনন্দন জনাই সকলোকে নিজ নিজ দলৰ কথা পৰিহাৰ কৰি ৰাইজৰ উন্নয়নৰ স্বাৰ্থত একত্ৰিত হৈ আগবাঢ়ি যাবলৈ সদৌটিলৈ আহ্বান জনায়। সভাত সহকাৰী খণ্ড উন্নয়ন বিষয়া মৰ্জিনা বেগম আৰু সনাতন দাস, গাননিক বিষয়া মস্তাফা কামাল, মিনাক্ষী কোৱৰ, সহকাৰী গানণিক বিষয়া ৰাইছুদ্দিন আহমেদ, সহকাৰী অভিযন্তা বিকাশ পাটোৱাৰী, বিজেপিৰ পঞ্চতীৰ্থ মণ্ডল আৰু হাজো মণ্ডলৰ সভাপতি ক্ৰমে কল্যাণ দাস আৰু গীতাঞ্জলী ডেকাৰ লগতে ভালেসংখ্যক বিশিষ্ট ব্যক্তিয়ে সভাত অংশগ্ৰহণ কৰে।



# বাগানপাৰাত মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই বুজ ল’লে মুখ্যমন্ত্ৰীৰ সভাৰ কাম-কাজ

**অসম বাৰ্তা, বাগানপাৰা, ৯ আগষ্ট ঃ** ৰাজ্য চৰকাৰৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা কাইলৈ বা’ জিলাৰ বাগানপাৰা লৈ আহিব। বা’ আৰু তামোলপুৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত বিটিচি পৰিষদীয় সমষ্টিৰ দলীয় কৰ্মকৰ্তা সন্মিলনত অংশগ্ৰহণ কৰিব মুখ্যমন্ত্ৰীয়ে। জানিব পৰা মতে ইতিমধ্যে মুখ্যমন্ত্ৰীৰ সভাৰ সকলো প্ৰস্তুতি প্ৰায় সম্পূৰ্ন হৈছে। কালি আবেলি ৰাজ্য চৰকাৰৰ কেবিনেট মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই বাগানপাৰাত উপস্থিত হৈ সভাৰ কাম-কাজৰ অগ্ৰগতিৰ বুজ লয়। মন্ত্ৰী গৰাকীয়ে সভা প্ৰেক্ষাগৃহৰ লগতে হেলিপেড আদি পৰিদৰ্শন কৰে। বাক্সা জিলাৰ আয়ুক্ত গৌতম দাস, আৰক্ষী অধীক্ষক উজ্জ্বল প্ৰতীম বৰুৱা, জিএমডিৰ অধ্যক্ষ নাৰায়ণ ডেকা, তামোলপুৰ জিলা বিজেপিৰ সভাপতি ভিক্টৰ দাসে সংগ দিয়া পৰিলক্ষিত হয়। সাংবাদিকৰ সৈতে হোৱা এক আছুতীয়া সাক্ষাৎকাৰত মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই কয় যে, বিজেপিয়ে বিপিএফ বা ইউ পি পি এলৰ বিৰুদ্ধে কোনো ধৰণৰ যুঁজ নকৰাকৈ সমাগত বিটিচি নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিব। বিশেষকৈ বিটিআৰত বিজেপি দলৰ সাংগঠনিক দিশটো শক্তিশালী কৰাৰ বাবে চেষ্টা কৰিব। কিয়নো বিটিআৰত স্থায়ী শান্তি আৰু উন্নয়ন বিজেপিয়ে বিচাৰিছে। কাৰণ বিজেপি দলহে বিটিআৰত শান্তি প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছে। বিটিআৰত শান্তি চুক্তি স্বাক্ষৰিত হোৱাৰ পিছত আজিলৈকে এই অঞ্চলত গুলী বাৰুদত শব্দ শুনিবলৈ পোৱা নাই। বিটিআৰত প্ৰতিটো জনগোষ্ঠীৰ শান্তি স্থাপনৰ বাবে বিজেপিয়ে নিৰ্বাচনত অংশগ্ৰহণ কৰিবলৈ ওলাইছে। বিজেপি দলে নিৰ্বাচনত অংশগ্ৰহণ কৰিলেও বিপিএফ বা ইউ পি পি এলৰ সৈতে সৌহাদ্যপূৰ্ণ সম্পৰ্ক আছে। বিজেপিয়ে মাত্ৰ সম অধিকাৰ, সম মৰ্যাদাৰে সকলোৰে বসবাস কৰা পৰিৱেশ গঢ়ি তুলিব বিচাৰিছে।

# চাউলধোৱা আৰক্ষী চকীৰ অন্তৰ্গত গাঁওৰক্ষী বাহিনীসমূহৰ সভা

**অসম বাৰ্তা বিশেষ, লখিমপুৰ, ৯ আগষ্ট ঃ** সমাগত স্বাধীনতা দিৱসৰ উপলক্ষে লখিমপুৰ জিলাৰ বগীনদী থানাৰ অন্তৰ্গত তথা চাউলধোৱা আৰক্ষী চকীৰ অধীনস্থ গাঁৱৰক্ষী বাহিনী সমূহৰ এখন সভা চাউলধোৱা আৰক্ষী চকীত ৮ আগষ্টত অনুষ্ঠিত হয়। স্বাধীনতা দিৱসৰ উপলক্ষে চাউলধোৱা আৰক্ষী অধিক সক্ৰিয় হোৱাৰ লগতে গাঁওৰক্ষী বাহিনীসমূহো সক্ৰিয় হোৱাটো প্ৰয়োজনীয় হৈ পৰিছে। চাউলধোৱা আৰক্ষী চকীত অনুষ্ঠিত সভাত সভাপতিত্ব কৰে চাউলধোৱা আৰক্ষী চকীৰ অধীনস্থ গাঁওৰক্ষী বাহিনী সমূহৰ সভাপতি দেৱী প্ৰসাদ উপাধ্যায়ে। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে চাউলধোৱা আৰক্ষী চকীৰ অন্তৰ্গত গাঁওৰক্ষী বাহিনী সমূহৰ সম্পাদক ৰঞ্জিত বৰাই। চাউলধোৱা আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া গুনমণি দত্তই গাঁওৰক্ষী বাহিনীসমূহক নিষ্ঠাৰে দায়িত্ব পালন কৰিবলৈ আহ্বান জনাই। সভাত চাউলধোৱা আৰক্ষী চকীৰ অধীনস্থ এলেকাত বৃদ্ধি পোৱা গৰু আৰু ছাগলী চুৰিকাৰ্য ৰোধৰ সম্পৰ্কতো আলোচনা কৰা হয়। এই সভাত চাউলধোৱা আৰক্ষী চকীৰ গাঁওৰক্ষী বাহিনীৰ বিষয়ববীয়া অমৃত বৰা, মনোজ কুমাৰ শইকীয়া, উপ-পৰিদৰ্শক ঘনশ্যাম গগৈক, স্থানীয় সংবাদ কৰ্মী দিপ প্ৰতিম বৰাকে ধৰি গাঁওৰক্ষী বাহিনীৰ বিভিন্ন বিষয়ববীয়া, সদস্য আৰু মহিলা গাঁওৰক্ষী বাহিনীৰ সদস্যাও উপস্থিত থাকে।

# প্লাষ্টিকমুক্ত এলেকা ঘোষণা লখিমপুৰ জিলা প্ৰশাসনৰ

**অসম বাৰ্তা বিশেষ, লখিমপুৰ, ৯ আগষ্ট ঃ** সমাগত স্বাধীনতা দিৱসৰ উত্তৰ লখিমপুৰ কেন্দ্ৰীয় অনুষ্ঠান উদযাপন হ’বলগীয়া নিৰ্দিষ্ট স্থানক প্লাষ্টিকমুক্ত এলেকা হিচাপে ঘোষণা কৰা হৈছে। লখিমপুৰৰ সন্মিলন কেন্দ্ৰৰ প্ৰেক্ষাগৃহত লখিমপুৰ জিলা আয়ুক্তৰ অধ্যক্ষতাত অনুষ্ঠিত বৈঠকৰ কাৰ্যবিৱৰণী নং -৩১ অনুসৰি লখিমপুৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰ আৰু ইয়াৰ আশে-পাশে তাৎক্ষণিকভাৱে কাৰ্যকৰী হোৱাকৈ প্লাষ্টিক মুক্ত এলেকা হিচাপে ঘোষণা কৰা হৈছে। গতিকে সকলো জনসাধাৰণক উক্ত স্থানত কোনোধৰণৰ প্লাষ্টিকৰ সামগ্ৰী নেপেলাবৰ বাবে লখিমপুৰ জিলা প্ৰশাসনে অনুৰোধ জনাইছে। উত্তৰ লখিমপুৰ পৌৰসভাৰ কাৰ্যবাহী বিষয়াক এই নিৰ্দেশ কাৰ্যকৰীকৰণৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশনাত উল্লেখ কৰা হৈছে।

**মুখ্যমন্ত্ৰী আৰু ৰাইজলৈ সহায়ৰ আহ্বান**

# জটিল ৰোগত আক্ৰান্ত পুৰণিগুদামৰ এটি দৰিদ্ৰ পৰিয়াল

**অসম বাৰ্তা, পুৰণিগুদাম, ৯ আগষ্ট ঃ** নগাঁও জিলাৰ চামগুৰি ৰাজহ চক্ৰৰ অন্তৰ্গত পুৰণিগুদাম মিকিৰহাট নিবাসী এটি দুৰ্ভগীয়া পৰিয়ালে চিকিৎসা ব্যয়ৰ নামত সৰ্বস্ব হেৰুৱাই দুৰ্বিষহ জীৱন অতিবাহিত কৰিবলগা হৈছে। দুৰ্ভগীয়া এই পৰিয়ালটোৰ করুণগাঁথা সন্দৰ্ভত পোহৰলৈ অহা তথ্য অনুযায়ী পুৰণিগুদাম মিকিৰহাট নিবাসী দীপক বায়ন নামৰ লোকজনৰ পত্নী জয়ামণি বায়ন (৪৯) বিগত দুবছৰৰ পৰা কেঞ্চাৰৰ দৰে এক জটিল ৰোগত আক্ৰান্ত হৈ আছে। পত্নীক চিকিৎসা প্ৰদান কৰাৰ নামত নিজ বাসগৃহসহ ভেটি মাটিকনো বিক্ৰী কৰিব লগা হয় যদিও আজি পৰ্যন্ত পত্নীয়ে আৰোগ্য লাভ কৰা নাই। আয়ুষ্মান কাৰ্ডৰ জৰিয়তে যিখিনি চিকিৎসা ব্যয়ৰ সুবিধা পাইছিল সেয়াই পৰ্যাপ্ত নহয়। কাৰণ ৰোগৰ পৰীক্ষা-নিৰীক্ষা আৰু ঔষধ ক্ৰয়ৰ বাবদ নিজাকৈ টকা খৰচ কৰিব লগা হয়। দীপক বায়নে উপায়ন্তৰ হৈ পত্নীৰ চিকিৎসাৰ নামত নিজৰ ভূ-সম্পত্তি বিক্ৰী কৰাই নহয় সম্প্ৰতি সৰ্বশ্ৰান্ত হৈ পৰিছে দুৰ্ভগীয়া পৰিয়ালটো। চিকিৎসাৰ ক্ষেত্ৰত সহায়-সহযোগিতা বিচাৰি পঞ্চায়ত প্ৰতিনিধিৰ জৰিয়তে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, বঢ়মপুৰৰ বিধায়ক জিতু গোস্বামী আৰু চামগুৰিৰ বিধায়ক দিপ্লুৰঞ্জন শৰ্মাক আবেদন জনাইছিল যদিও আজি চাৰিমাহে একো সঁহাৰি পোৱা নাই। সেয়েহে সংবাদ-মাধ্যমৰ জৰিয়তে উপায়ন্তৰ দীপকে অসমৰ মুখ্যমন্ত্ৰী আৰু সহৃদয় ৰাইজলৈ সহায়ৰ আহ্বান জনাইছে যাতে টকাৰ অভাৱত চাৰিটাকৈ কেমো’ পোৱাৰ পৰা বঞ্চিত হৈ থকা পত্নীক উন্নত চিকিৎসা কৰিব পৰা যায়। কোনো সদাশয় ৰাইজে সহায়-সহযোগ কৰিব বিচাৰিলে ৯৯৫৭৭৩০১৪৬ নম্বৰত যোগাযোগ কৰাৰ লগতে একাউণ্ট নম্বৰ: 35237190344 আৰু IFSC: –SBIN0002119ত সহায় সহযোগ কৰিবলৈ বিনম্ৰতাৰে আহ্বান জনাইছে।

# বৈজ্ঞানিকভাবে মৌপালনৰ ওপৰত ৭ দিনীয়া প্ৰশিক্ষণ অনুষ্ঠান

**অসম বাৰ্তা, মিৰ্জা, ৯ আগষ্ট ঃ** মহানগৰীৰ পাশ্বৱৰ্তী ৰাণী কৃষি উন্নয়ন খণ্ড কাৰ্যালয়ত বৃহস্পতিবাৰৰে পৰা কামৰূপ গ্ৰাম্য আৰু কামৰূপ মহানগৰ জিলা ভিত্তিত ৰাষ্ট্ৰীয় NBHM আঁচনিৰ অধীনত বৈজ্ঞানিকভাবে মৌপালনৰ ওপৰত ৭ দিনীয়া জিলা পৰ্যায়ৰ প্ৰশিক্ষণ আৰম্ভ কৰা হয়। উদ্যান শস্য আৰু খাদ্য সংশোধন সঞ্চালকলয় অসমৰ সৌজন্যত luit educational Services Pvt.Ltd দ্বাৰা কামৰূপ জিলাৰ মুঠ ১৪টা প্ৰশিক্ষণ কেন্দ্ৰত ৩৫০জন প্ৰশিক্ষাৰ্থীক ৰাষ্ট্ৰীয় মৌ পালনৰ প্ৰশিক্ষণ দিয়া হয়। ইফালে ৰাণী কৃষি উন্নয়ন খণ্ড কাৰ্যালয়ত বৃহস্পতিবাৰৰে পৰা আৰম্ভ হোৱা এই অনুষ্ঠানত অংশ গ্ৰহণ কৰে জিলা কৃষি বিষয়া মানৱজ্যোতি দাসে, ৰানী কৃষি উন্নয়ন বিষয়া ভাশ্বতী শৰ্মা, এ ই(AE )অচ্যুত বৰ্মনৰ লগতে আন আন কেবাগৰাকীও বিশিষ্ট লোক। আনহাতে এই অনুষ্ঠানৰ আৰম্ভণিত প্ৰশিক্ষণ প্ৰদান কৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধীক্ষক ডঃ গজেন চন্দ্ৰ শৰ্মাই। প্ৰশিক্ষণৰ আঁত ধৰে luit educational Services Pvt.Ltdৰ হোমেশ্বৰ কলিতাই।

# প্ৰয়াত সাংবাদিক ৰেৱতী মোহন বৰঠাকুৰ ফাউণ্ডেচনৰ কাৰ্যালয় ভৱনৰ শুভ উদ্বোধন

# ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ সেৱক নৱকান্ত বৰুৱাৰ স্মৃতিচাৰণ সভা

**অসম বাৰ্তা, কামপুৰ, ৯ আগষ্ট ঃ** ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘৰ একনিষ্ঠ সেৱক, সমাজকৰ্মী নৱকান্ত বৰুৱাৰ পঞ্চম মৃত্যুবাৰ্ষিকী উপলক্ষে এখনি স্মৃতিচাৰণ সভা আৰু প্ৰয়াত সাংবাদিক ৰেৱতী মোহন বৰঠাকুৰ ফাউণ্ডেচনৰ নৱনিৰ্মিত কাৰ্যালয় ভৱনটিৰ শুভ উদ্বোধন অনুষ্ঠানটি আজি কামপুৰত সফলতাৰে অনুষ্ঠিত হৈ যায়। এই উপলক্ষে আজি পুৱা দহ বজাত এক মাংগলিক পৰিবেশত নৱ নিৰ্মিত কাৰ্যালয় ভৱনটি শুভ উদ্বোধন কৰে বৰপেটা সত্ৰৰ বুঢ়াসত্ৰীয়া ড° বাবুল চন্দ্ৰ দাসে। ইয়াৰ পিছতে দুই শতাধিক ৰাইজৰ উপস্থিতিত সংঘৰ সেৱক নৱকান্ত বৰুৱাৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি অৰ্পনেৰে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ পিছতে স্মৃতিচাৰণ সভাখনি অনুষ্ঠিত হয়। বৰঠাকুৰ ফাউণ্ডেচনৰ অন্যতম উদ্যোক্তা বিভূতি ভূষণ বৰঠাকুৰে আঁত ধৰা সভাখনত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি বৰপেটা সত্ৰৰ বুঢ়াসত্ৰীয়া ড° বাবুল চন্দ্ৰ দাসে শংকৰী কলা কৃষ্টিৰ বিভিন্ন দিশৰ ওপৰত তত্ত্বগধুৰ বক্তব্য প্ৰদান কৰাৰ লগতে কেবাটাও বৰগীত পৰিবেশন কৰি ৰাইজক আপ্লুত কৰে। স্মৃতিচাৰণ সভাখনত ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘৰ অন্যতম সংগঠক ৰানা প্ৰতাপ ভূঞা, কবিন বৰা, প্ৰবোধ লস্কৰ, মাধৱ লম্বৰে সমাজকৰ্মী নৱকান্ত বৰুৱাৰ সংঘ তথা সামাজিক কাম-কাজৰ ওপৰত ভাষণ প্ৰদান কৰি স্মৃতি ৰোমন্থন কৰে। এই স্মৃতিচাৰণ সভাত অৱসৰপ্ৰাপ্ত অধ্যক্ষ সভাৰাম মজুমদাৰ, পুনীৰাম শইকীয়া, সংঘৰ বৰ্ষীয়ান সংগঠক উপেন বায়ন, সুধাময় দাস, প্ৰমোদ লস্কৰ, গজেন লস্কৰ, যতীন বৰা আদি উপস্থিত থাকে। ইফালে বৰঠাকুৰ ফাউণ্ডেচনৰ হৈ লাবণ্য বৰঠাকুৰ, লক্ষ্মী ভূষণ বৰঠাকুৰ, নমিতা বৰঠাকুৰ, আৰু ৰিমঝিম বৰঠাকুৰে অনুষ্ঠানটিত পূৰ্ণ সহযোগিতা আগাবঢ়ায়। সভাৰ আৰম্ভণিতে কামপুৰ শংকৰদেৱ বিদ্যা নিকেতনৰ ছাত্ৰ-ছাত্ৰীৰ এটি দলে বৰগীত পৰিৱেশন কৰে।

# অভয়াপুৰী সমজিলা আয়ুক্ত কাৰ্যালয়ৰ সমুখৰ পৰা মটৰ চাইকেল চুৰি

**ষ্টাফ ৰিপ’টাৰ, বঙাইগাঁও, ৯ আগষ্ট ঃ** বঙাইগাঁও জিলাৰ অভয়াপুৰী সম জিলা আয়ুক্ত কাৰ্যালয়ৰ সমুখৰ পৰা কালি এখন মটৰ চাইকেল চুৰি হোৱা কাৰ্যই হতবাক কৰি তুলিছে সচেতন লোকক। প্ৰাপ্ত বাতৰিমতে, মালেগড়ৰ নিকটবৰ্ত্তী তিনকোণীয়া দ্বিতীয় খণ্ডৰ আব্দুল মতলেব নামৰ ব্যক্তিগৰাকীয়ে কালি দুপৰীয়া এএছ ১৯ কে- ০৪১৮ নম্বৰৰ মটৰ-চাইকেলখন অভয়াপুৰী সম জিলা আয়ুক্ত কাৰ্যালয়ৰ সমুখত থৈ চাহ খাবলৈ দোকান এখন প্ৰবেশ কৰে। কিছু সময় পাচত মটৰ চাইকেলখন ৰখাই থোৱা স্থানত নেদেখি হতভম্ব হৈ পৰে। বহু বিচাৰ-খোচাৰ কৰাৰ পাচতো মটৰ চাইকেলখনৰ কোনো শুংসূত্ৰ উলিয়াব নোৱাৰিলে। পাচত উপায়ন্তৰ হৈ কালিয়েই অভয়াপুৰী থানাত এখন এজাহাৰ দাখিল কৰে বুলি আব্দুল মতলেবে জানিবলৈ দিয়ে।

# লংকাত ৰে’লযাত্ৰীৰ পৰা অবৈধ টকা সংগ্ৰহ টিকট পৰ্যবেক্ষকৰ

**অসম বাৰ্তা, লংকা, ৯ আগষ্ট ঃ** নামনিমুৱা নাগালেণ্ড এক্সপ্ৰেছ ৰে’লখন লংকাত আহি পোৱাৰ সময়ত লংকা ৰে’লৱে ষ্টেচনত অবৈধ ভাৱে ৰে’ল যাত্ৰীৰ পৰা টকা সংগ্ৰহ টিকট পৰ্যবেক্ষকৰ। উল্লেখযোগ্য যে অসমত চলাচল কৰা যাত্ৰীবাহি আৰু দূৰণিবটীয়া ৰে’ল সমূহত বিগত সময়ছোৱাত প্ৰায়ে যাত্ৰী সকলৰ পৰা টকা সংগ্ৰহ কৰাৰ কথা শুনা যায়। এই বাৰ হোজাই জিলাৰ লামডিং ৰে’লৱে সংমণ্ডলৰ অন্তৰ্গত লংকা ৰে’লৱে ষ্টেছনত ভজন মালাকাৰ নামৰ টিকট পৰ্যবেক্ষকে ৰে’ল যাত্ৰীৰ পৰা অবৈধ ভাবে টিকট নিদিয়াকৈ বগা কাগজত নাম লিখি নগদ ধন সংগ্ৰহ কৰাৰ ভয়ংকৰ অভিযোগ উত্থাপিত হৈছে। ভজন মালাকাৰ নামৰ টিকট পৰ্যবেক্ষকৰ ধন সংগ্ৰহ কৰা ভিডিঅ’ ভাইৰেল হৈছে সামাজিক মাধ্যমত। যোৱা কিছু দিন পূৰ্বে সুমিত কুমাৰ সিং নামৰ এজন DY CTC (TTE) জনসতাব্দী ৰেল যাত্ৰীৰ পৰা ধন সংগ্ৰহ কৰি নিলম্বন হৈছিল কিন্তু ৰে’ল বিভাগৰ সকলো পক্ষ মেনেজ কৰি পুনৰ যোগদান কৰে। উচিত তদন্ত নোহোৱাকৈ পুনৰ চাকৰি কৰাত সুমিত কুমাৰ সিং ৰ ওপৰত উঠিছিল গুৰুতৰ অভিযোগ কিন্তু ৰেলবিভাগৰ উচ্চপদস্থ বিষয়াক মেনেজ কৰি পুনৰ কেনেকৈ যোগদান কৰিলে সেয়া এক ডাঙৰ প্ৰশ্ন। পুনৰ অনুৰূপ ঘটনা সংঘটিত হৈছে লংকা ৰেলৱে ষ্টেচনত। ভজন মালাকাৰ নামৰ টিকট পৰ্যবেক্ষক জনৰ বিৰুদ্ধে বিভাগীয় কৰ্তৃপক্ষই কি ব্যৱস্থা গ্ৰহণ কৰে সেয়া হ’ব পৰৱৰ্তী সময়ত লক্ষণীয়।

# তিনিচুকীয়াত জিলা পৰ্যায়ত পি এম শ্ৰী আঁচনি অধীনৰ বিদ্যালয়সমূহৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত ‘হেকাথন’ ২০২৫ প্ৰতিযোগিতা সম্পন্ন

**ষ্টাফ ৰিপ’টাৰ, তিনিচুকীয়া, ৯ আগষ্ট ঃ** সমগ্ৰ শিক্ষা, তিনিচুকীয়া জিলাৰ উদ্যোগত আজি তিনিচুকীয়াৰ চেনাইৰাম উচ্চতৰ মাধ্যমিক বিদ্যালয়ত পি এম শ্ৰী আঁচনি অধীনৰ বিদ্যালয়সমূহৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত জিলা পৰ্যায়ত “হেকাথন” প্ৰতিযোগিতা সম্পন্ন হয়। হেকাথনৰ প্ৰকল্পসমূহ ছাত্ৰ-ছাত্ৰীসকলে পাৱাৰ পইণ্টৰ যোগেদি উপস্থাপন কৰে। তিনিচুকীয়া জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক তথা জিলা মিছন সমন্বয়ক বিস্তী শৰ্মাৰ নেতৃত্বত হোৱা অনুষ্ঠানৰ শুভাৰম্ভণি কৰে জিলা আঁচনি বিষয়া ত্ৰিদিব শৰ্মা তামোলীয়ে। তেখেতে কয় যে ৰাষ্ট্ৰীয় শিক্ষানীতি 2020 ৰ 4.43 দফা অনুসৰি ছাত্ৰ-ছাত্ৰীসকলৰ সুপ্ত প্ৰতিভা, উদ্ভাৱনীমূলক চিন্তা সূক্ষ্ম পৰ্যবেক্ষণ আদি গুণসমূহ বিকশাই তোলাৰ অৰ্থে বিভিন্ন ধৰণৰ সমস্যাৰ সমাধান সূত্ৰ দলগতভাৱে উদ্ভাৱন কৰিবলৈ প্ৰয়াস কৰাৰ সুবিধা প্ৰদান কৰে। ভিন ভিন বিষয়বস্তু ভিত্তিক আৰু আন আন চৰকাৰী বিভাগৰ দ্বাৰা প্ৰেৰিত সমস্যা সমূহৰ সমাধানৰ অৰ্থে এই হেকাথনৰ ধাৰণাৰে বিদ্যালয়সমূহত প্ৰকল্পসমূহ তৈয়াৰ কৰি ছাত্ৰ ছাত্ৰীসকলে বিদ্যালয় আৰু জিলা পৰ্যায়ত উপস্থাপন কৰিছে। ইয়াৰ পাছতে বিচাৰক সকলক সম্বৰ্ধনা জনোৱা হয়। বিচাৰকসকল আছিল ক্ৰমে তিনিচুকীয়া মহাবিদ্যালয়ৰ পদাৰ্থ বিজ্ঞান বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ৰাজীৱ কোঁৱৰ, তিনিচুকীয়া শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপিকা ড° শুক্লা ৰায়চৌধুৰী আৰু তিনিচুকীয়া মহাবিদ্যালয়ৰ ৰসায়ন বিভাগৰ অধ্যাপক ড° পঙ্কজ শইকীয়া। জিলাখনৰ মুঠ ১৪খন পি এম শ্ৰী বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে এই প্ৰতিযোগিতাত অংশগ্ৰহণ কৰে। প্ৰতিযোগিতাসমূহ প্ৰথম শ্ৰেণীৰ পৰা পঞ্চম শ্ৰেণীলৈকে “ক” শাখা, ষষ্ঠ শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীলৈকে “খ” শাখা, নৱম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীলৈকে “গ” শাখা হিচাপে তিনিটা শাখাত অনুষ্ঠিত হয়। সমগ্ৰ শিক্ষা তিনিচুকীয়া জিলাৰ জিলা আঁচনি বিষয়া ত্ৰিদিব শৰ্মা তামোলীৰ উদ্যোগত অনুষ্ঠিত হোৱা দিনযোৱা কাৰ্যসূচীৰ আঁত ধৰে তিনিচুকীয়া নগৰ শিক্ষাখণ্ডৰ খণ্ড সমল ব্যক্তি দুৰ্জয় লোচন চেতিয়াই। বঁটা বিতৰণী অনুষ্ঠানত উপস্থিত থাকে বিদ্যালয়সমূহৰ পৰিদৰ্শক তথা জিলা মিচন সমন্বয়ক বিস্তী শৰ্মা, সমগ্ৰ শিক্ষাৰ জিলা আঁচনি বিষয়া লিনুমা গগৈ, পি এম পোষণৰ জিলা প্ৰবন্ধক ত্ৰিণয়নী হাজৰিকাৰ লগতে সমগ্ৰ শিক্ষা, তিনিচুকীয়া জিলাৰ বিষয়াসকলৰ লগতে বিভিন্ন বিদ্যালয়ৰ পৰা অহা শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীসকল। প্ৰতিযোগিতাসমূহ অনুষ্ঠিত কৰাত সহযোগিতা আগবঢ়ায় তিনিচুকীয়া নগৰ শিক্ষাখণ্ডৰ খণ্ড সমল ব্যক্তি জাহ্নৱী ফুকন, তিনিচুকীয়া জিলা মিচন সমন্বয়ক কাৰ্যালয়ৰ প্ৰজ্বলিতা গৌতম, মণ্ডল কেন্দ্ৰ সমন্বয়ক ৰুমকি মজুমদাৰে। “ক” শাখাত প্ৰথম স্থান লাভ কৰে ফিল’বাৰী উচ্চ মাধ্যমিক বিদ্যালয় দিব্যাংশী বুঢ়াগোহাঁই আৰু তুনাভ সৌৰভ গোস্বামী, দ্বিতীয় স্থান লাভ কৰে আদৰ্শ প্ৰাথমিক বিদ্যালয়ৰ বিশ্বজিত চেতিয়া আৰু আৰাধ্যা বড়া, তৃতীয় স্থান লাভ কৰে চুণপোৰা উচ্চ মাধ্যমিক বিদ্যালয়ৰ লক্ষ্মী গুৰুগাঁই আৰু কৌশিলা দাহাল। “খ” শাখাত প্ৰথম স্থান লাভ কৰে গোপাল কৃষ্ণ উচ্চ মাধ্যমিক বালিকা বিদ্যালয়ৰ অমিত বৰুৱা আৰু ঋষভ গোস্বামী, দ্বিতীয় স্থান ফিল’বাৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ কাশীলতা গগৈ আৰু জ্যোতিষ্মণ গগৈ, তৃতীয় স্থান লাভ কৰে চৈখোৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিদ্যুৎ সোণোৱাল আৰু ৰিম্পী সোণোৱালে। “গ” শাখাত প্ৰথম স্থান লাভ কৰে মাৰ্ঘেৰিটা টাউন উচ্চ মাধ্যমিক বিদ্যালয়ৰ দেৱাস্তুতি বৰা আৰু স্বৰ্ণিকা দাস, দ্বিতীয় স্থান সৰ্বজনীন উচ্চতৰ মাধ্যমিক বালিকা বিদ্যালয়ৰ লক্ষ্মী গগৈ আৰু শ্ৰীময়ী গগৈ তৃতীয় স্থান লাভ কৰে বৰডুবি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ নীলাঞ্জনা নাথ আৰু অমৃতা নায়কে।

# গোলাঘাটৰ বিশিষ্ট সৰবৰাহকাৰী মহিলা ৰিণা খাটনিয়াৰৰ মৃত্যু

**ষ্টাফ ৰিপ’টাৰ, গোলাঘাট, ৯ আগষ্ট ঃ** গোলাঘাটৰ শান্তিপুৰৰ বিশিষ্ট সৰবৰাহকাৰী মহিলা ৰিণা খাটনিয়াৰৰ যোৱা নিশা বাধ্যক্যজনিত ৰোগত নিজা বাসভৱনত মৃত্যু হয়। মৃত্যুৰ সময়ত বয়স হৈছিল ৮৭ বছৰ। শান্তিপুৰ নামঘৰৰ লগতে বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানৰ লগত জড়িত মহিলা গৰাকীৰ মৃত্যুত গোলাঘাটত শোকৰ ছা পৰিছে। গ্ৰন্থ অধ্যয়ন কৰি ভাল পোৱা ৰিণা খাটনীয়াৰ ৰামধেনু যুগৰ বিশিষ্ট চিন্তাবিদ প্ৰয়াত শিৱ খাটনিয়াৰৰ পত্নী আছিল। মৃত্যুৰ সময়ত তেওঁৰ একমাত্ৰ কণ্যা ৰুমি খাটনীয়াৰ ভূঞাৰ লগতে পৰিয়ালবৰ্গ সহ বহু আত্মীয় স্বজনক এৰি থৈ গৈছে। আজি শান্তিপুৰৰ শ্মশানত তেওঁৰ অন্তেষ্টিক্ৰিয়া সম্পন্ন কৰা হয় আৰু মুখাগ্নি কৰে জোৱায়েক বিজয় ভূঞাই।

## সম্পাদকীয়

# ভোট চুৰিৰ অভিযোগ গণতন্ত্ৰৰ মৌলিকতাক সন্দেহৰ দৰবাৰত

ভাৰতীয় গণতন্ত্ৰৰ ইতিহাসত নিৰ্বাচনী প্ৰক্ৰিয়া সদায়ে গৌৰৱৰ বিষয় হৈ আহিছে। কিন্তু যেতিয়া দেশৰ এগৰাকী মুখ্য বিপক্ষ নেতাই নিৰ্বাচন আয়োগ আৰু শাসক দলৰ বিৰুদ্ধে 'ভোট চুৰি'ৰ দৰে গুৰুতৰ অভিযোগ উত্থাপন কৰে, তেতিয়া ই গণতান্ত্ৰিক প্ৰণালীৰ প্ৰতি থকা জনসাধাৰণৰ বিশ্বাসলৈ এক চিন্তাৰ ঢৌ সৃষ্টি কৰে। ৰাহুল গান্ধীয়ে উত্থাপন কৰা এই অভিযোগ আৰু কংগ্ৰেছে আৰম্ভ কৰা অনলাইন অভিযানে এটা গুৰুত্বপূৰ্ণ প্ৰশ্নৰ সৃষ্টি কৰিছে- ভাৰতৰ নিৰ্বাচনী পদ্ধতিত নিকট চকুৰে চোৱাৰ আৱশ্যকতা আছেনে? ৰাহুল গান্ধীয়ে দাবী কৰা মতে, ভোটাৰ তালিকাত অস্বাভাৱিক পৰিৱৰ্তন, বিশেষকৈ সংখ্যালঘু আৰু দলিত সম্প্ৰদায়ৰ ভোটাৰসকলৰ নাম বাদ পৰা, ইভিএমৰ সৈতে জড়িত অসামঞ্জস্য আদিয়ে নিৰ্বাচনৰ নিৰপেক্ষতাক সন্দেহৰ যোলকলীয়া কৰি তুলিছে। তেওঁ এই কথাক "গণতন্ত্ৰৰ মূৰত আক্ৰমণ" বুলি কৈছে আৰু ইয়াৰ বাবে দায়ীসকলক জবাবদিহিতাৰ মুখামুখি কৰাৰ হুঁচতি দিছে। কংগ্ৰেছে এই কথাকে আগবঢ়াই নিবলৈ 'ভোট চুৰি' নামৰ এখন ৱেব পৰ্টেল মুকলি কৰিছে, য'ত সাধাৰণ নাগৰিকে নিৰ্বাচনী অনিয়মৰ কথা জনাব পাৰে। বিজেপিয়ে এই অভিযোগসমূহক "ৰাজনৈতিক ভাওনা" বুলি আখ্যা দি কংগ্ৰেছক পৰাজয়ৰ ক্ষোভত অযৌক্তিক দোষাৰোপ কৰা বুলি কৈছে। কিন্তু আন বহু বিৰোধী দলে এই প্ৰসংগত নিৰ্বাচন আয়োগৰ স্বচ্ছতা লৈ প্ৰশ্ন তুলিছে। নিৰ্বাচন আয়োগে এতিয়ালৈকে এই অভিযোগসমূহৰ স্পষ্ট উত্তৰ দিয়া নাই, যাৰ বাবে বিতৰ্ক আৰু জোৰা হৈছে। নিৰ্বাচন হৈছে গণতন্ত্ৰৰ আধাৰশিলা। যদি ভোটাৰসকলৰ মৌলিক অধিকাৰলৈয়ে অনিশ্চয়তাৰ ছাঁ পৰে, তেন্তে ই সমগ্ৰ গণতান্ত্ৰিক ব্যৱস্থাকে দুৰ্বল কৰি তোলে। গতিকে, এই অভিযোগসমূহৰ সঠিক তদন্ত হোৱাটো সময়ৰ দাবী। নিৰ্বাচন আয়োগে যদি স্বচ্ছভাৱে এই প্ৰশ্নসমূহৰ উত্তৰ দিব নোৱাৰে, তেন্তে জনসাধাৰণৰ মনত সন্দেহই শিপা মেলিব। ৰাহুল গান্ধীৰ এই অভিযোগে এটা ডাঙৰ আলোচনাৰ সূচনা কৰিছে- ভাৰতত নিৰ্বাচনী প্ৰক্ৰিয়া কিমান নিৰপেক্ষ? এই প্ৰশ্নৰ উত্তৰ কেৱল ৰাজনীতিবিদেই নহয়, সাধাৰণ নাগৰিকৰো ভাবিবলগীয়া। কাৰণ, গণতন্ত্ৰত জনসাধাৰণেই হৈছে চূড়ান্ত নীতি নিৰ্ধাৰক।

গণতন্ত্ৰৰ বলিদান হ'ব নালাগে। স্বচ্ছতা আৰু জবাবদিহিতাই হ'ব লাগিব আমাৰ চৰম লক্ষ্য।

> যিসকল লোকে কৈছে যে আমাৰ লোকে নিজৰ সংস্কৃতি এৰি আনৰ সংস্কৃতি গ্ৰহণ কৰিছে। ইয়াৰ বাবে প্ৰধান দোষী তেওঁলোকেই। বছৰৰ প্ৰতিটো মাহেই গুৰুত্বপূৰ্ণ তথা বেলেগ বেলেগ দেৱ - দেৱীক পূজা কৰা হয়। ইয়াত আনৰ লোকৰ বুলি কোনো কথা নাই। আমাৰ অসমীয়াৰ বাবে ভাদ মাহ পবিত্ৰ মাহ হিচাপে ধৰা হয়। য'ত প্ৰতিদিনেই নামঘৰলৈ গৈ নাম প্ৰসঙ্গ কৰা হয়। কিন্তু দুৰ্ভাগ্যৰ কথা আজিকালি ল'ৰাছোৱালীয়ে এইবোৰ নাজানে। কাৰণ অভিভাৱক। পঢ়িব লাগে বুলি নামঘৰলৈ নিনিয়ে। হলত চিনেমা চাবলৈ যায় কিন্তু ভাওনা চাবলৈ নাযায়।

# সংস্কৃতি বনাম অপসংস্কৃতি

**অঞ্জুমণি শইকীয়া**

প্ৰতিবছৰে সততে ছ'চিয়েল মিডিয়াত একাংশ লোকে প্ৰশ্ন( বিতৰ্ক) কৰে যে ৰাখী বন্ধন, ব'লে ব'ম, হোলী আদি আমাৰ সংস্কৃতি হয়নে? ইয়াৰ উত্তৰত কিছুমানে সমৰ্থন কৰে যে এয়া অসমীয়া সংস্কৃতি নহয়। আনহাতে কিছুলোকে সমৰ্থন কৰে যে এয়া আমাৰ সংস্কৃতি হয়। কিছুলোকে মন্তব্য কৰে যে আমি অসমীয়াই নিজৰ সংস্কৃতি এৰি অন্য লোকৰ সংস্কৃতি( বিশেষকৈ হিন্দু উৎসৱসমূহ ) আঁকোৱালি লৈছোঁ। কিন্তু এয়া সত্য হয়নে নহয়? এজন এঁকৈশ বছৰীয়া অসমীয়া যুৱক হিচাপে মই মোৰ মনৰ অনুভৱ লিখিব ওলাইছোঁ।

ৰাখী বন্ধন শাওণ মাহৰ পূৰ্ণিমাত ককায়েক - ভনীয়েকৰ এটি পবিত্ৰ সম্পৰ্ক হিচাপে পালন কৰা হয়। সেইদিনা প্ৰতিগৰাকী ভনীয়েকে উপবাসে থাকি শক্তি মন্দিৰত পূজা কৰি অহা ৰাখী ককায়েক/ ভায়েকৰ হাতত বান্ধি নিজৰ ব্ৰত ভাঙে আৰু নিজৰ ককায়েকৰ দীৰ্ঘায়ু কামনা কৰাৰ লগতে তাইৰ সন্মান ৰক্ষা কৰাৰ দায়িত্ব ককায়েকে লয়। নিজৰ ব্যক্তিগত অনুভৱৰ কথা ক'বলৈ গ'লে মই চতুৰ্থ শ্ৰেণীলৈকে পঢ়ি অহা শংকৰদেৱ শিশু নিকেতনত সৰুৱে ডাঙৰক ৰাখী পিন্ধাই ককায়েক হিচাপে গ্ৰহণ কৰে। ইয়াৰ সুফল এইটোৱেই আছিল যে আমি আমাৰ বান্ধৱীক অন্য দৃষ্টিৰে চোৱাৰ কথা ভবাই নাছিলোঁ। যাৰ কাৰণে আমাৰ মাজত আজিকালিৰ ল'ৰাছোৱালীৰ দৰে relationship ৰ কথাই নাছিল। নিকেতনত আমাক এই ৰাখীবন্ধনৰ লগত জড়িত শ্ৰীকৃষ্ণ আৰু দ্ৰৌপদীৰ মাজৰ ককায়েক - ভনীয়েকৰ মাজৰ সম্পৰ্কৰ কথা কোৱা হৈছিল। সেই শ্ৰীকৃষ্ণ যাক শ্ৰীমন্তশঙ্কৰদেৱে হৰিনামত, বৰগীতত, ভাওনাত, একশৰণ নামধৰ্মত সন্নিৱিষ্ট কৰিছে। গতিকে ৰাখীবন্ধন অন্য সংস্কৃতি কেতিয়াৰ পৰা হ'ল? যি শ্ৰীকৃষ্ণক আমি অসমীয়াই গভীৰ শ্ৰদ্ধাৰে স্মৰণ কৰোঁ সেই শ্ৰীকৃষ্ণৰ পৰা প্ৰচলিত ৰাখীবন্ধন কেতিয়াৰ পৰা অন্য সংস্কৃতিৰ হ'ল? যিসকল বিজ্ঞ লোকে ইয়াক "অসমীয়াৰ অপসংস্কৃতি "বুলি মত প্ৰকাশ কৰিছে, ইয়াৰ উত্তৰ হয়তো তেওঁলোকৰ ওচৰত নাই। কাৰণ শিক্ষাৰ অভাৱ।

যিয়েই নহওক, ৰাখীবন্ধনৰ জৰিয়তে যিটো সম্পৰ্কৰ সৃষ্টি হয়, ইয়াৰ জৰিয়তে যে সকলো ল'ৰাই ছোৱালীক সন্মান তথা সহায় কৰিব আৰু ছোৱালীয়েও সকলো ল'ৰাক নিজৰ ককায়েকৰ দৰে সন্মান কৰিব। ইয়াৰ জৰিয়তে বৰ্তমান সমাজত সৃষ্টি হোৱা ধৰ্ষণ আদিৰ দৰে সমস্যাৰ অন্ত পৰিব। কেৱল অভিভাৱকে এই ক্ষেত্ৰত গুৰুত্ব ল'ব লাগিব।

সকলোৱে হয়তো জানে যে শাওণ মাহ শস্যভূমি, মাছ - কাছ, চৰাই - চিৰিকটিৰ, জীৱ - জন্তু আদিৰ প্ৰজনন তথা উৰ্বৰতাৰ সময়। ড° নিৰ্মলপ্ৰভা বৰদলৈ বাইদেউৰ গৱেষণামূলক গ্ৰন্থ "শিৱ"ত উল্লেখ থকাৰ মতে তেওঁ হ'ল "পশুপতি "তথা তেওঁৰ শিৱলিঙ্গ উৰ্বৰতাৰ প্ৰতীক। সেয়ে তেওঁক পূজা তথা প্ৰাৰ্থনা কৰি শস্য, পশুপালনৰ লাভৰ বাবে প্ৰাৰ্থনা কৰা হয় আৰু নদীৰ পৰা পানী আনি পদব্ৰজে গৈ লিঙ্গত পানী ঢালি প্ৰাৰ্থনা কৰে। এই খোজকাঢ়ি যোৱা যাত্ৰাকে "ব'লে ব'ম যাত্ৰা" বুলি জনা যায়। এই কাৰ্য অতি প্ৰাচীন কালৰে পৰা চলি আহিছে য'ত প্ৰাচীনকালত লোকসকলে সেইসময়ৰ অতি পুষ্টিকৰ তথা মূল্যৱান "গাখীৰ"( যিহেতু অধিকাংশ লোক পশুপালক আছিল ) লিঙ্গত ঢালি তেওঁক সন্মান জনায়। এই কাৰ্য এতিয়াও চলি আহিছে।

এতিয়া অধিকাংশ লোকে হয়তো জানিবৰ বাবে (অথবা বিতৰ্কৰ সৃষ্টি কৰিবলৈ ) ছ'চিয়েল মিডিয়াত প'ষ্ট কৰে যে শিৱলিঙ্গত গাখীৰ ঢালি নষ্ট কৰে, ইয়াৰ সলনি দুখীয়া মানুহক খুৱাব লাগে ইত্যাদি। পোনপ্ৰথমে জনা দৰকাৰ যে নিয়মমতে লিঙ্গত ঢলা গাখীৰ পিছত পূজাৰ প্ৰসাদ হিচাপে দিয়া হয়। দ্বিতীয়তে, এনেধৰণৰ প'ষ্ট কৰা লোকসকলক সততে দেখিবলৈ পোৱা যায় যে নিজৰ ল'ৰাছোৱালীৰ জন্মদিনত গোসাঁইঘৰত চাকি জ্বলোৱাৰ সলনি "Birthday cake "কাটি, মম নুমুৱাই, কেক নাকে - মুখে লেপি জন্মদিন celebrate কৰে। এয়া আমাৰ সংস্কৃতি হয় জানো/ গাখীৰ ঢলাটো অপচয়, কিন্তু কেক নাকেমুখে সানি ফটো প'ষ্ট কৰাটো celebration? জন্মৰে পৰা আজিলৈকে মোৰ মায়ে প্ৰতিবছৰে নামঘৰ আৰু মন্দিৰত মোৰ আৰু দাদাৰ কাৰণে শৰাই দি আহিছে। আমিও কেক খাওঁ জন্মদিনত। কিন্তু খাওঁহে, মুখত সানি নষ্ট নকৰোঁ। এনে ধৰণৰ পাৰ্টিও দেখিছোঁ য'ত জন্মদিনত Drinks নকৰিলে জন্মদিনেই নহয়। এয়া জানো আমাৰ সংস্কৃতি হয়/ লগতে মই মোৰ পৰিয়ালৰ কথা ক'বলৈ গ'লে আমি প্ৰায়েই দুখীয়া মানুহক সহায় কৰোঁ। আজিকালি চৰকাৰী আঁচনিৰ বাবে দুখীয়া মানুহো আগৰ দৰে নাই। কিন্তু বছৰেকৰ কেইটামান দিনত গাখীৰ ঢলা কাৰ্যটোহে আমাৰ মানুহৰ চকুত পৰে। এয়া কিয়?



অন্যহাতে, আমাৰ মানুহে সেই ব'লেব'ম যাত্ৰাক অন্য সংস্কৃতি বুলি কৈছে যি শিৱক গুৰুজনাই সৃষ্টি কৰি যোৱা ভাওনাত "মহাদেৱ "বুলি ( কুৰ্ম অৱতাৰ ভাওনা )দেখুৱা হয়। যি শাওণ মাহ প্ৰাচীন কালৰে পৰা অসমত পালন কৰি অহা হৈছে। যি অসমত শিৱৰ পত্নী সতীৰ "শক্তিপীঠ" আছে। যি অসমৰ তেজপুৰত এতিয়াও "হৰিহৰ" যুদ্ধৰ কথা মুখে মুখে চলি আহিছে সেই অসমক শিৱপূজা কৰা কেতিয়াৰ পৰা অন্য সংস্কৃতি হ'ল? ইয়াত মই কোনো সংস্কৃতিৰ ভাগ কৰা নাই। এটা সংস্কৃতিৰ লগত আনটো কেনেকৈ লগ হৈ আছে তাকেহে ক'ব খুজিছোঁ।

অৱশ্যে আজিকালি এচাম উদণ্ড যুৱক - যুৱতীয়ে ব'লেব'মৰ নামত item song বজাই হুলস্থুল কৰি যায় যিটো আমাৰ সংস্কৃতি নহয়। ইয়াৰ সংশোধন কৰাৰ দৰকাৰ। ইয়াৰোপৰি এচাম যুৱকে ব'লব'মৰ নামত ভাং খাই উদ্ভণ্ডালি কৰে যিটো অতি বেয়া কথা। শিৱক ভাং প্ৰসাদ হিচাপে দিয়া হে হয়। যিসকলে কয় যে বাবাই ভাং খাইছিলে, আমি কিয় নাখাম? তেওঁলোকক এইটো ক'ব যে শিৱই সমুদ্ৰমন্থনত দেৱতাৰ লগতে জনকল্যাণৰ কাৰণে বিহো খাইছিলে। আপুনিও চেষ্টা কৰি চাওকচোন!


এতিয়া কথা আহিল যিসকল লোকে কৈছে যে আমাৰ লোকে নিজৰ সংস্কৃতি এৰি আনৰ সংস্কৃতি গ্ৰহণ কৰিছে। ইয়াৰ বাবে প্ৰধান দোষী তেওঁলোকেই। বছৰৰ প্ৰতিটো মাহেই গুৰুত্বপূৰ্ণ তথা বেলেগ বেলেগ দেৱ - দেৱীক পূজা কৰা হয়। ইয়াত আনৰ লোকৰ বুলি কোনো কথা নাই। আমাৰ অসমীয়াৰ বাবে ভাদ মাহ পবিত্ৰ মাহ হিচাপে ধৰা হয়। য'ত প্ৰতিদিনেই নামঘৰলৈ গৈ নাম প্ৰসঙ্গ কৰা হয়। কিন্তু দুৰ্ভাগ্যৰ কথা আজিকালি ল'ৰাছোৱালীয়ে এইবোৰ নাজানে। কাৰণ অভিভাৱক। পঢ়িব লাগে বুলি নামঘৰলৈ নিনিয়ে। হলত চিনেমা চাবলৈ যায় কিন্তু ভাওনা চাবলৈ নাযায়। ভাগৱত পাঠলৈ যাব কিন্তু শুনিবলৈ নহয় ষ্টেটাছ লগাবলৈ। মই এনে মানুহো লগ পাইছো যি শাস্ত্ৰৰ কথা সকলো জানে কিন্তু ল'ৰাছোৱালীয়ে নাজানে। আনকি এনে ল'ৰা-ছোৱালীও দেখিছো যি শংকৰদেৱ, মাধৱদেৱ আদিৰ বিষয়ে নাজানে। কাৰণ ঘৰত চৰ্চা নাই। কেইজন ছ'চিয়েল মিডিয়া চলাই বিতৰ্কৰ সৃষ্টি কৰি থকা লোকে নিজৰ গোসাঁইঘৰত নিতৌ চাকি জ্বলাই প্ৰাৰ্থনা কৰিছে? কিছুমান এনে মানুহকো দেখিছো যি আশীৰ্বাদ হিচাপেও একো ক'ব নোৱাৰে। সকামত প্ৰাৰ্থনা কৰিলেও ঘেঁহাই থাকে। সেৱা কৰিবলৈ গ'লে কঁকালত ধৰে। নামঘৰত মাটিত পদ্মাসনত বহিব নোৱাৰে। কাৰণ অধিকাংশ অভ্যাস নাই। ভাগৱতৰ কোনো এফাকি কথা বুজাই ক'ব নোৱাৰেঁ। নামঘৰত গৈ ফোন চলাই থাকে। ল'ৰাছোৱালীক আখ্যানৰ কাহিনী এটাও ক'ব নোৱাৰে। আনহাতে সেইসকল লোকেই আগগুৰি একো নজনাকৈ কোনটো কাৰ সংস্কৃতি সেইবোৰ লৈ বিতৰ্ক কৰি থাকে। বিশেষকৈ ভাৰতীয় উৎসৱসমূহত।

আজিকালিৰ অধিকাংশ ল'ৰাছোৱালীয়ে অসমৰ ইতিহাসৰ বিষয়ে নাজানে। গুৰুজনাৰ বিষয়ে নাজানে। তেওঁৰ কৰ্মৰাজিৰ বিষয়ে নাজানে। আলহীৰ লগত কথা পাতিব নাজানে। Uncle, aunty ৰ বাহিৰে বেলেগ অসমীয়া সম্বোধন নাজানে। অসমীয়া মাহৰ নাম, শাক-পাচলি নামৰ সৈতে চিনি নাপায়, বাৰ, ফল-মূলৰ নাম নাজানে। কাৰণ এচাম অভিভাৱক।

কিন্তু সেই একেখিনি বিতৰ্ক কৰা বিজ্ঞ লোকসকলেই নিজৰ ল'ৰাছোৱালীক mommy, daddy মাতিবলৈ শিকায়। গুৰুজনাৰ কথাৰ সলনি weastern story ক'বলৈ শিকায়। নাতি- নাতিনীয়ে english ৰ সুৰত কথা ক'লে গৌৰৱবোধ কৰে। Fathers day, Mothers day বুলি প'ষ্ট দিব জানে। খ্ৰীষ্টমাছত কেৱল গাবলৈ, মমবাতি জলাবলৈ শিকায় যি আজিলৈকে ঘৰত চাকি এগছো জ্বলাই পোৱা নাই। অসমীয়াৰ বছৰেকৰ বিহুটোক Happy Bihu বুলি হে ষ্টেটাছ লগায়। বিহুগীতৰ নামত কিছুমান remix বিহুসুৰীয়া গান লগাই অদ্ভুত নৃত্য কৰে। মাঘ বিহুত Drinks নকৰাকৈ ৰখীয়া হ'বই নোৱাৰে। উৰুকাত DJ party নহ'লে উৰুকাই নহয়। গতিকে অপসংস্কৃতি এইবোৰ নে ব'লে ব'ম বা ৰাখীবন্ধন?

যিসকল লোকে অপসংস্কৃতি বুলি বৰ্তমান তোলপাৰ লগাই আছে, সেইসকল লোকে জনা দৰকাৰ। অপসংস্কৃতি সেয়াহে যিবোৰে উঠি অহা যুৱ প্ৰজন্মক ধ্বংস কৰে। বহুতো অসমীয়া লোকে weastern উৎসৱবোৰৰ কাৰণেই নাজানে। উদাহৰণস্বৰূপে ভেলেণ্টাইন ডে' পালন কৰা যুৱচামে ভেলেণ্টাইন কোন আছিল সেয়া নাজানে। টেডি ডে' পালন কৰা কেইজনে টেডি বিয়েৰৰ উৎপত্তি আৰু কাৰণ নাজানে। খ্ৰীষ্টমাছ পালন কৰা অসমীয়াকেইজনে ইয়াৰ ছাণ্টাক্লজৰ লগত সম্পৰ্ক কি তাক নাজানে। Fathers day, mothers day ৰ দিনাখনটো কথাই নাই। কিন্তু তাৰ পিছতো অসমত বৃদ্ধাশ্ৰমৰ সংখ্যা বাঢ়ি গৈয়ে আছে। Marriage anniversary পতাৰ পিছতো বিবাহ বিচ্ছেদ হৈয়ে আছে, স্বামী - স্ত্ৰীৰ হত্যাকাণ্ড হৈয়ে আছে। ভেলেণ্টাইন ডে'ৰ পিছতো ব্ৰেকআপ হৈয়ে আছে। Rose day ৰ পিছতো ধৰ্ষণৰ দৰে অপৰাধ হৈয়ে আছে। কিন্তু এইবোৰত মাত মাতিবলৈ বা ক'বলৈ কোনো নাই। সকলো অধীৰ আগ্ৰহেৰে ৰৈ থাকে ভাৰতৰ উৎসৱসমূহ অহাৰ সময়লৈ।

শেষত, কোনো সংস্কৃতি গ্ৰহণ কৰাটো বেয়া কথা নহয়। কেৱল তাৰ ভালটো গ্ৰহণ কৰিব লাগে যিয়ে আমাৰ উঠি অহা যুৱপ্ৰজন্মক চাৰিত্ৰিক তথা নৈতিক দিশসমূহ আগুৱাই নিয়াত সহায় কৰে। বিশেষকৈ সেইসমূহ লোকৰ পৰা আঁতৰি থাকিব লাগে যি কোনো বিশেষ জ্ঞান নথকাকৈ কেৱল বিতৰ্ক কৰিবলৈ সুযোগ বিচাৰি থাকে। সবাতোকৈ গুৰুত্বপূৰ্ণ কথা এইটোহে, প্ৰথমে এজন ভাৰতীয় তথা অসমীয়া হিচাপে নিজৰ সংস্কৃতিৰ বিষয়ে সকলো জ্ঞান আহৰণ কৰিহে অন্য সংস্কৃতিৰ ভাল দিশটো অনুসৰণ কৰি নিজৰ লগতে আন দহজনৰ উন্নতি কৰিব লাগে।




# অসমীয়া ভাষাৰ ভৱিষ্যৎ কি বুলি সুধিলে আপোনাৰ উত্তৰ কি হ'ব?

**পাৰ্থপ্ৰতীম গগৈ**

আজি অসমীয়া ভাষাটো মৃত্যুৰ দিশে আগবাঢ়িছে নি? অসমীয়া ভাষা হৈছে অসমৰ ৰাজ্যিক ভাষা তথা সকলোতকৈ পূৰ্বীয় ভাৰতীয়-আৰ্য ভাষা। অৰুণাচল প্ৰদেশ, পশ্চিম বংগৰ কোনো কোনো ঠাইত আৰু উত্তৰ-পূৰ্বাঞ্চলৰ আন আনৰাজ্যতো অসমীয়াভাষী লোক আছে। অসমীয়া-ভিত্তিক নাগামিজ নামৰ এটা সংযোগী ভাষা নাগালেণ্ডত ব্যাপকভাৱে ব্যৱহাৰ হয়। অৰুণাচলত ব্যৱহাৰ হোৱা সংযোগী ভাষাটোক অৰুণামিজ নামেৰে জনা যায়। ভূটানতো কিছুসংখ্যক অসমীয়াভাষী লোক আছে। এক তথ্য ভিত্তিত বৰ্তমান সময়ত অসমীয়া ভাষা কোৱা মানুহৰ সংখ্যা ১.৩০ কোটিৰো অধিক আৰু বিশ্বজুৰি এই ভাষা কোৱা ব্যক্তি ২ কোটি। অতিকৈ গুৰুত্বপূৰ্ণ কথা এয়ে যে ২০২৪ চনৰ ৩ অ'ক্টোবৰ তাৰিখে অসমীয়া ভাষাই ধ্ৰুপদী ভাষাৰ মৰ্যাদা লাভ কৰে।

প্ৰাচীন ভাৰতীয় আৰ্য-ভাষাবিশেষেই ক্ৰম পৰিৱৰ্তনৰ মাজেদি আহি খ্ৰীষ্টীয় দশম-একাদশ শতিকা মানত অসমীয়া ৰূপ লবলৈ আৰম্ভ কৰে। ভাৰতীয় আৰ্য ভাষাৰ প্ৰাচীন লিখিত ৰূপটো আছিল সংস্কৃত। সংস্কৃত ভাষাৰ বিৱৰ্তন ঘটি পালি আৰু প্ৰাকৃত ভাষাৰ সৃষ্টি হয়। ভাৰতৰ পূব অঞ্চলত সংস্কৃত পৰা মাগধী প্ৰাকৃত ভাষাৰ সৃষ্টি হয়। মাগধী প্ৰাকৃতৰ ৰাঢ়, বাৰেন্দ্ৰ বংগ আৰু কামৰূপ নামেৰে চাৰিটা শাখাত বিভক্ত হয়। কামৰূপী প্ৰাকৃত আৰু অপভ্ৰংশৰ মাজেদি একাদশ শতিকামানত অসমীয়া ভাষাৰ উৎপত্তি হয়।

এতিয়া আহোঁ আমি - "বৰ্তমান সময়ত অসমীয়া ভাষাৰ শুদ্ধ ভাৱে লিখা আৰু কোৱাৰ প্ৰাসংগিকতা কিমান?

আপুনি যদি ক'ৰবাত যায় তেতিয়া লক্ষ্য কৰিব কিছুমান হোটেল নাইবা ৰাষ্ট্ৰীয় ঘাইপথৰ কাষত থকা সাংকেতিক চিহ্ন নাইবা ৰাজহুৱা স্থানত কিছুমান শব্দ ভুল, যাৰ বাবে আজি অসমীয়াই লাজ পাইছে। বেছি উদাহৰণ দিয়া উচিত নহয় যদিও দুটা বিশেষ উদাহৰণ দিব বিচাৰিছোঁ।

প্ৰথমটো উদাহৰণ হ'ল - "চান্দমাৰীৰ নিজৰাপাৰৰ পেঞ্চনাৰ্ছ ভৱনৰ কাষতে থকা ভূপেন হাজৰিকা দেৱৰ উদ্যান খনত "স্মাৰক" শব্দটো "শ্মাৰক" হিচাপে লিখা আছে। যিটো অতি ৰাজ্য বিষয়। যিজন ব্যক্তিয়ে তেখেতৰ সৃষ্টিৰ দ্বাৰা সমগ্ৰ বিশ্বত খলকনি তুলিছিল তথা অসমৰ এক উজ্জ্বল জ্যোতিষ্ক তথা সকলোৰে আদৰ্শ আছিল তেনে ক্ষেত্ৰত অসম চৰকাৰ তথা কোনো জনহিতৈষী ব্যক্তিৰ দৃষ্টিগোচৰ হোৱা নাইনে এই শব্দটো। অসমতে আজি অসমীয়া ভাষাৰ শ্ৰাদ্ধ পাতিছে একাংশ ব্যক্তিয়ে। শব্দৰ উচ্চাৰণ, শব্দৰ অৰ্থ নজনা ব্যক্তি আজি শব্দৰ লগত খেলা কৰিছে, যিটো অতি দুৰ্ভাগ্যজনক।

দ্বিতীয়টো উদাহৰণ হ'ল - আপুনি যদি যোৰহাটৰ পৰা তেজপুৰত গৈছে তেতিয়া আপুনি বোকাখাতৰ পৰা বুঢ়াপাহাৰ লৈকে এনে কিছুমান সাংকেতিক চিহ্ন তথা পষ্টাৰ দেখিব, সম্পূৰ্ণ শব্দ ভুল। যিটো ৰাস্তা ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথ হিচাপে স্বীকৃতি পাইছে আৰু সেই ৰাষ্ট্ৰীয় ঘাইপথতে দৈনিক হাজাৰ হাজাৰ ব্যক্তিৰ আগমন ঘটি আছে তেনে ক্ষেত্ৰত এই শব্দবোৰ কেতিয়াবা গুৰুত্ব দিছে যদিও আকৌ সেইবোৰ পাহৰি পেলাইছে। কাৰণ এয়ে যে - "ভবা কথা নহয় সিদ্ধি, বাটত আছে কণা বিধি।" তেওঁলোকে এদিন লিখিব এই কথাটো বা ভাবিব এদিন কিন্তু এই বিষয়ে ক'ব কাক? কাকো ক'ব নোৱাৰে এই কথা, মাথোঁ সন্মানীয় মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা দেৱলৈ এখন মুকলি চিঠি লিখিলেহে দৃষ্টিগোচৰ হ'ব।

ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱা দেৱে কৈছিল - অসমীয়া ভাষা পুৰণি ভাষা। ই প্ৰাচীন কালতো আছিল, সেই কালৰে পৰা আজিলৈকে উন্নতি অৱনতিৰ চাকনৈয়াত ঘূৰি ঘূৰি ই চলি আহিব লাগিছে; আৰু চলি থাকিব।

আপুনি কেতিয়াবা লক্ষ্য কৰিছেনে? বৰ্তমান সময়ত আমাৰ একাংশ যুৱপ্ৰজন্মই কয় -"I don't know how to speak and write Assamese, but I know how to speak and write English." এয়াই বৰ্তমান সময়ৰ কিছু যুৱচামৰ ভাষ্য। এই ভাষ্যটোৰ পৰা কিছুমান কথা গম পোৱা যায় যে -

১) ইংৰাজী ভাষাত লিখা মেলা কৰিলে শিক্ষিত যেন লাগে। হয় কথাষাৰ সঁচা, কিন্তু ইংৰাজী ভাষাত লিখিব গৈ নিজৰ ভাষাটোক আঁতৰাই ৰাখিব নালাগে কাৰণ, আপুনি জন্ম হৈ যেতিয়া মাত মাতিছিল তেতিয়া কিন্তু প্ৰথম শব্দ "মা" বুলিহে উচ্চাৰণ হৈছিল, যিটো আমাৰ সন্মানীয় শব্দ। গতিকে ইংৰাজী ভাষাত চৰ্চা কৰিলেও অসমীয়া ভাষা যে চৰ্চা নকৰোঁ সেইটো সম্পূৰ্ণ ভুল ধাৰণা। নীলিম আকাশ কাশ্যপ ছাৰ, সকলোৰে এটি শ্ৰদ্ধা নাম ( তেওঁৰ লগত মোৰ ব্যক্তিগত সম্পৰ্কও অতি ভাল)। নীলিম আকাশ কাশ্যপ ছাৰ অকল অসমৰ লেখক নহয়, তেওঁ হৈছে ভাৰতবৰ্ষৰ এজন সাহিত্যিক। তেওঁ ইংৰাজী ভাষাত লেখা মেলা কৰে যদিও আজিও কিন্তু তেওঁ অসমীয়া ভাষা পাহৰি যোৱা নাই আৰু বিভিন্ন বাতৰি কাকত, আলোচনীত তেওঁৰ অসমীয়া - ইংৰাজী ভাষাৰ লেখা প্ৰকাশ পাইছে।

২) বহুত ব্যক্তিয়ে অসমীয়া ভাষা বানান ভুল হোৱাৰ ক্ষেত্ৰত লেখা মেলা নকৰে। "নজনাটো লাজৰ কথা নহয়, শিকিব যত্ন নকৰাটোহে লাজৰ কথা।" আমাৰ প্ৰতিজন ব্যক্তিৰ আঁৰত একো একোটা শক্তিশালী মন আছে আৰু প্ৰতিজন ব্যক্তিয়ে নিজৰ অনুভৱ সমূহ প্ৰকাশ কৰিব বিচাৰে কিন্তু তেওঁলোকে নিলিখাৰ কাৰণ হ'ল - "শব্দ ভুল"। যদি শব্দ ভুলৰ বাবেই তেওঁলোকে লেখা - মেলা নকৰে তেন্তে এদিন এনে এটা সময় আহিব, অসমত অসমীয়া ভাষাত লেখা মেলা কৰা ব্যক্তিৰ সংখ্যা এমুঠিমান হ'ব।

৩) আমাৰ অসমত বিভিন্ন ধৰ্মাৱলম্বীৰ ব্যক্তি আছে, কিন্তু তাৰ ভিতৰত অসমীয়া কিমানে কয়? এজনে যদি অসমীয়া ভাষা ব্যৱহাৰ কৰে আনজনে আকৌ, হিন্দী, ইংৰাজী আদি ভাষা ব্যৱহাৰ কৰে। যিটো অসমীয়া ভাষা এদিন ধ্বংস হোৱাৰ অন্যতম কাৰক হ'ব পাৰে।

এনেকুৱা বহুত দৈনিক দৃষ্টিগোচৰ হৈ থকা উদাহৰণ আছে যাৰ ফলত অসমীয়া ভাষাই ধ্ৰুপদী ভাষাৰ মৰ্যাদা পালে যদিও দৈনিক লুপ্ত হোৱাৰ দিশে ঢাপলি মেলিছে।

# সামাজিক মাধ্যম আৰু ডাৰ্ক থীমৰ গল্পবোৰ

**চিত্তৰঞ্জন ওজা**

বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ উত্তৰণৰ লগে লগে মানুহৰ জীৱনশৈলী সলনি হৈ পৰিছে। যোৱা দুটা দশকত ইণ্টাৰনেটৰ বহুল প্ৰচাৰৰ লগে লগে আৰম্ভ হয় সামাজিক মাধ্যমৰ জয়যাত্ৰা। বিশ্বৰ পঞ্চাছ শতাংশ জনগণে আজি ইণ্টাৰনেটৰ সহায়ত সামাজিক মাধ্যম ব্যৱহাৰ কৰিবলৈ লৈছে। দহ বছৰ পিছত হয়তো এই সংখ্যা সত্তৰ শতাংশ বা ততোধিক হ'ব। সামাজিক মাধ্যম যেনে ফেচবুক, ৱাটচএপ, টুইটাৰ, ইনষ্টাগ্ৰাম আদিৰ অত্যধিক ব্যৱহাৰৰ ফলত সৰুৰ পৰা ডাঙৰলৈ সকলোৱে এতিয়া নিজৰ নিজৰ স্মাৰ্টফোনত আৱদ্ধ হৈ পৰিছে। কিতাপ, বাতৰি কাকত পঢ়া বা টিভিৰ বাতৰি শুনা অভ্যাসবোৰ নোহোৱা হ'বলৈ ধৰে। নতুন প্ৰজন্মৰ কেইজনমান ডেকা-গাভৰু একেলগ হৈ বহি থাকিলেও নিজৰ মাজত কথা-বতৰা পতাতকৈ স্মাৰ্টফোনত চাটিঙ কৰা হে বেছিকৈ দেখিবলৈ পোৱা যায়।

আজি কিছুবছৰৰ পৰা প্ৰতিদিনে হত্যা, ডকাইতি, বলৎকাৰ আদিৰ দৰে ঘৃণনীয় ঘটনা সংঘটিত হোৱা দেখিবলৈ পাইছোঁ। বন্দনা কলিতাৰ দ্বাৰা সংঘটিত নিজৰ স্বামী আৰু শাহুৰ হত্যাকাণ্ডই আমাক নতুনকৈ চিন্তা কৰিবলগীয়া হৈছে অপৰাধ প্ৰৱণতা বৃদ্ধিৰ আঁৰত থকা কাৰণ উলিয়াবলৈ। বন্দনা কলিতা ইয়াৰ আগত কোনো অপৰাধৰ লগত জড়িত থকাৰ প্ৰমাণ নাছিল। বন্দনাৰ দৰে আমাৰ সমাজত সাধাৰণ ভাৱে চলা বহুলোকৰ মাজত অপৰাধ প্ৰৱণতা বৃদ্ধি পোৱাৰ শংকা ঘনীভূত হৈছে। এই অপৰাধ প্ৰৱণতাৰ বাবে যেন সামাজিক মাধ্যম আৰু অটিটি প্লেটফৰ্মত চলা ৱেব চিৰিয়েলবোৰ বহু পৰিমাণে দায়ী। উদাহৰণ স্বৰূপে সাহিত্য সাধনাৰ বাবে সৃষ্টি হোৱা কিছুমান ফেচবুক গ্ৰুপত নতুনকৈ জনপ্ৰিয়তা লাভ কৰিছে ডাৰ্ক থীমৰ গল্প। ড্ৰাগ্‌চ সেৱন, আত্মহত্যা, হত্যা, ধৰ্ষণ, যৌনতা আদি ঘৃণনীয় ঘটনাৰে ভৰি থকা সেই গল্পবোৰত সমাজলৈ বুলি কোনো ভাল মেছেজ নাথাকে। তাৰ বিপৰীতে তেনে গল্পবোৰে সমাজত অপৰাধ প্ৰৱণতা বৃদ্ধিত আৰু হিংসাক উচটোৱাত সহায় কৰে। সামাজিক মাধ্যমত বেছিকৈ লাইক, কমেণ্ট পোৱা গল্পবোৰেই হ'ল এই ডাৰ্ক থীমৰ ওপৰত লিখা। তেনেদৰে তিনিমাহ আগত দেশৰ সকলোৰে অন্তৰ কঁপাই তোলা দিল্লীৰ শ্ৰদ্ধা হত্যাকাণ্ডৰ মূল অভিযুক্তই স্বীকাৰ কৰিছে হত্যাৰ আঁৰত অটিটি প্লেটফৰ্মত দেখুওৱা ডেক্সটাৰ নামৰ চিৰিয়েলখনৰ পৰা অনুপ্ৰাণিত হোৱাৰ কথা।

বিশ্বত অপৰাধ বিয়পোৱাত আজি কিছু বছৰৰ পৰা সহায়ক ৰূপত কাম কৰি আছে ইণ্টাৰনেটৰ আন এক উদ্ভাৱন ডাৰ্কৱেবৰ দ্বাৰা। বিশ্বৰ বেছিভাগ ঘৃণনীয়, অপৰাধমূলক কাম ইয়াতে হয়। সেয়ে ইয়াক অন্ধকাৰ জগতৰ ভূস্বৰ্গ বুলি কোৱা হয়। ড্ৰাগ্‌চৰ ব্যৱসায়, অবৈধ অস্ত্ৰ-শস্ত্ৰৰ লেনদেন, কোনো প্ৰতিষ্ঠানৰ গোপন তথ্য চুৰি কৰি বিক্ৰী কৰা, শিশু পৰ্ণ'গ্ৰাফী, অবৈধ ভাৱে কোনো মূল্যবান চফ্‌টৱেৰৰ লাইচেন্স কম দামত বিক্ৰী, অনলাইন জুৱা, পেশাদাৰী হত্যাকাৰীৰ দ্বাৰা কোনো ব্যক্তিৰ হত্যা, জালিয়াতি, সন্ত্ৰাসবাদ ইত্যাদি সকলো ঘৃণনীয় কামেই এই অন্ধকাৰ ৱেবৰ সহায়ত গোটেই বিশ্বত ঘটি আছে।

সামাজিক মাধ্যমৰ অত্যধিক আসক্তিয়ে অপৰাধ প্ৰৱণতা বৃদ্ধিৰ লগতে নিজৰো ক্ষতি হোৱা দেখা গৈছে।



ইয়াৰ প্ৰধান কাৰণ হৈছে নিজে আনৰ লগত তুলনা কৰা। এক সমীক্ষাত দেখা গৈছে যে অনলাইনত ৬০ শতাংশ লোকে নিজকে আনৰ সৈতে তুলনা কৰে। তাৰ ফলত ৫৩ শতাংশ লোকে ঈৰ্ষা অনুভৱ কৰিবলৈ ধৰে আৰু ৩৬ শতাংশ লোকে দুশ্চিন্তাত ভুগিবলৈ লয়। সামাজিক মাধ্যমৰ আন এটা বেয়া দিশ হ'ল ইয়ে ইজনে সিজনৰ লগত থকা আন্তৰিক সম্বন্ধ কমি যোৱা। ভাৰ্চুৱেল জগতত স্ক্ৰ'লিং, লাইক আৰু মন্তব্যত সময় অতিবাহিত কৰি থাকিলে আপাতত: আনৰ লগত সংযোগহৈ থকাৰ দৰে অনুভৱ হ'ব পাৰে, কিন্তু ই সম্পূৰ্ণ সত্য নহয়। প্ৰকৃততে সামাজিক মাধ্যমৰ মাজতে আপুনি যথেষ্ট অকলশৰীয়া অনুভৱ কৰিব পাৰে, আপুনি যেন এটা নিৰ্জন দ্বীপত হে বাস কৰি আছে ইংৰাজীত যাক কোৱা হয় লিভিঙ ইন চাইলোছ। সামাজিক মাধ্যমত আপোনাৰ লগত সকলো আছে অথচ বাস্তৱ জীৱনত কোনো নাই। বিপদৰ সময়ত সামাজিক মাধ্যমত পোৱা কোনো এজন বন্ধুই কাষত নাপায়। তেনে পৰিস্থিতিত আপুনি হয়তো এক হতাশাত ভুগিবলগীয়া পৰিস্থিতি আহি পৰিব পাৰে।

আজি কিছুদিনৰ পৰা 'ফেচবুক ডিপ্ৰেচন' নামৰ এটা নতুন শব্দ ব্যৱহাৰ কৰিবলৈ লোৱা দেখা গৈছে। যি সকল ব্যক্তিয়ে ফেচবুকৰ দৰে ছ'চিয়েল মিডিয়া চাইটত অধিক সময় অতিবাহিত কৰি মন প্ৰফুল্ল হয় বুলি ভাবে তেওঁলোকৰ গাত পিছলৈ হতাশাৰ লক্ষণ সমূহ প্ৰকাশ পাবলৈ আৰম্ভ কৰে। তাৰ লগে লগে সহায়ৰ বাবে বিপদজনক ইণ্টাৰনেট চাইট আৰু ব্লগলৈ যায় যাৰ বাবে নিচাযুক্ত দ্ৰব্যৰ অপব্যৱহাৰ, অসুৰক্ষিত যৌন অভ্যাস, আক্ৰমণাত্মক আৰু ধ্বংসাত্মক আচৰণৰ বলি হ'ব পাৰে। সেয়েহে হয়তো আজি যুৱচামৰ মাজত অপৰাধবোধ, হতাশা, আত্মহত্যাৰ সংখ্যা বাঢ়িছে।

সামাজিক মাধ্যমৰ আটাইতকৈ ক্ষতিকাৰক দিশ হ'ল অনলাইন মাধ্যমত বহুলভাৱে প্ৰচাৰিত হত্যা, ধৰ্ষণ, মাৰপিট আদি অপৰাধ মূলক ঘটনাৰ বিৱৰণ। দিনে নিশাই নেতিবাচক কথাবোৰ পঢ়ি, শুনি মানুহৰ মনত হতাশা আৰু উদ্বেগৰ সৃষ্টি হয় আৰু সুস্থ মানসিকতা হেৰুৱাই পেলায়। ফলত সমাজত বৃদ্ধি পায় অপৰাধ প্ৰৱণতা। সামাজিক মাধ্যমৰ আন এটা বিপদজনক দিশ হ'ল সন্ত্ৰাসবাদী সংগঠনবোৰে এই মাধ্যমত চলোৱা প্ৰচাৰ। সন্ত্ৰাসবাদী সকলে তথ্য সংগ্ৰহ, সদস্য নিয়োগ, পুঁজি সংগ্ৰহ আৰু প্ৰচাৰ আঁচনিৰ বাবে সামাজিক মাধ্যম ব্যৱহাৰ কৰি আহিছে। সাধাৰণ মানুহ সেই সংগঠনবোৰৰ হাতোৰাত আৱদ্ধ হৈ পৰিছে।

সমাজিক মাধ্যম ব্যৱহাৰকাৰী কিছুমানে 'চাইবাৰ উৎপীড়ন' (cyber bullies) নামৰ ব্যক্তিগত আক্ৰমণৰ সন্মুখীন হ'বলগীয়া হৈছে। সামাজিক মাধ্যমত কোনোবা এজনক টাৰ্গেট হিচাপে লৈ আক্ৰমণ কৰা, সকলোৰে সন্মুখত হেয় প্ৰতিপন্ন কৰা আদি নানান অত্যাচাৰ চলা দেখা গৈছে। চাইবাৰ উৎপীড়নৰ ফলত বহুতো লোক হতাশাত ভুগিবলগীয়া হোৱা দেখা গৈছে।

মানুহে সামাজিক মাধ্যমৰ নেটৱৰ্কত যথেষ্ট সময় দিয়াৰ লগে লগে বাস্তৱ জীৱনত নিজৰ পৰিয়াল বা বন্ধু-বান্ধৱৰ লগত থকা সম্পৰ্কত ক্ষতিগ্ৰস্ত হ'বলৈ বা ফাট মেলিবলৈ আৰম্ভ কৰে। সামাজিক মাধ্যমত নতুনকৈ জনপ্ৰিয়তা লাভ কৰা 'কেটফিছ' শব্দটোৱে ভুৱা সামাজিক নেটৱৰ্কিং প্ৰ'ফাইল সৃষ্টি কৰা লোকসকলক বুজায়। 'কেটফিচিং'ৰ জৰিয়তে বহুতে সাধাৰণ নাগৰিকৰ সৈতে প্ৰতাৰণামূলক কাৰ্য্য যেনে বৈবাহিক সম্পৰ্ক, আৰ্থিক লেনদেন, ঠগ, প্ৰৱঞ্চনা কৰি আহিছে।

আহক আমি আমাৰ সামাজিক মাধ্যমৰ অত্যধিক আসক্তিৰ পৰা নিজকে আঁতৰাই ভাৰ্চুৱেল পৃথিৱীখনৰ পৰা ওলাই আহি নিজৰ আপোনজনৰ লগত বাস্তৱত সঁচা সম্পৰ্ক ৰক্ষা কৰোঁ। সমাজৰ হিতৰ হকে কাম কৰোঁ। তেতিয়া বাস্তৱ জগতখনত হতাশা, অপৰাধ প্ৰৱণতা নিজে নিজে কমি যাব।

### ৯ আগষ্টত মুখ্যমন্ত্ৰীৰ সভাৰ স্থান পৰিদৰ্শন মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাৰ

# ধমধমাত অভিভাৱক মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা

**অসম বাৰ্তা, ধমধমা, ৯ আগষ্ট ঃ** সমাগত বিটিচি পৰিষদীয় নিৰ্বাচনক লৈ কঁকালত টঙালী বান্ধিছে ৰাজনৈতিক দল সমূহে। পিচপৰি ৰোৱা নাই ৰাষ্ট্ৰীয় দল বিজেপি বিজেপিয়ে প্ৰতিখন জিলাৰ মণ্ডল, বুথ কমিতি সমূহৰ সাংগঠনিক ভেটি পৰ্য্যৱেক্ষন কৰি আগন্তুক পৰিষদীয় নিৰ্বাচনত কিমানখন আসনত প্ৰতিদ্বন্দ্বিতা কৰিব সেই উদ্দেশ্যে মণ্ডল সমিতি সমূহক লৈ আলোচনাৰ বাবে অহা ৯ আগষ্টত বাগান জিলাৰ বাগানপাৰালৈ আহিব মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা মুখ্যমন্ত্ৰী ভ্ৰমণক লৈ স্থান পৰিদৰ্শন কৰে কেবিনেট তথা অভিভাৱক মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই বিটিআৰত শান্তি ঘূৰাই আনিছে বিজেপি চৰকাৰে। বিটিআৰৰ প্ৰতিটো জাতি জনগোষ্ঠীৰ মাজত সমন্বয়ৰে বাস কৰা, সকলো জাতি জনগোষ্ঠীক সমান অধিকাৰৰ দিয়াৰ কাৰণে নিৰ্বাচন খেলিব বিজেপিয়ে। এই কথা প্ৰকাশ কৰে অভিভাৱক মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই বিটিচি পৰিষদীয় নিৰ্বাচনত বিজেপিৰ UPPL-BPF কাৰো লগত নাই সংঘাত নাই আৰু মিলি জুলি নিৰ্বাচনত অৱতীৰ্ণ হ'ব। বড়ো জনগোষ্ঠীক প্ৰতিনিধিত্ব কৰা বি পি এফ আৰু ইউ পি পি এল দুয়োটা দলৰ লগত সংভাৱ ৰাখি নিৰ্বাচন খেলিব বিজোপিয়ে। বিটিএডিত শান্তি, সমন্বয় আৰু সমান অধিকাৰৰ কাৰণে এইবাৰ ৰাইজে বিজেপিক ভোট দিব বুলি কলে অভিভাৱক মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই পৰিষদীয় নিৰ্বাচনত কিমানটা সমষ্টিত বিজেপিয়ে প্ৰাৰ্থী দিব সেই কথা থিৰাং হোৱা নাই যদিও বিটিএডিৰ প্ৰতিখন জিলাৰ ভ্ৰমণ সামৰাৰ পাচত মুখ্যমন্ত্ৰীয়ে সিদ্ধান্ত ল'ব বুলি ক'লে মমৃত্ৰী জয়ন্ত মল্ল বৰুৱাই মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাক সংগ দিয়ে বিধায়ক মানৱ ডেকা, বাক্সা জিলা আয়ুক্ত গৌতম দাস, আৰক্ষী অধীক্ষককে ধৰি কেবাগৰাকী বিজেপি নেতা আৰু চৰকাৰী বিষয়াই।

# আমগুৰি বাৰোৱাৰী দুৰ্গা পূজাৰ পথ সংকোচনত অসন্তুষ্ট পূজা সমিতি

### জিলা আয়ুক্তক স্মাৰকপত্ৰ প্ৰদান

**অসম বাৰ্তা, আমগুৰি, ৯ আগষ্ট ঃ** শিৱসাগৰ জিলাৰ শতবৰ্ষীয়া আমগুৰি বাৰোৱাৰী দুৰ্গা পূজা মন্দিৰৰ প্ৰৱেশ পথ সংকোচনত উদযাপন সমিতি আৰু স্থানীয় ৰাইজৰ মাজত তীব্ৰ অসন্তুষ্টি দেখা দিছে। দীৰ্ঘদিন ধৰি প্ৰয়াত কৃষ্ণ শৰ্মাই দানস্বৰূপে আগবঢ়োৱা ভূমিত এই পূজা অনুষ্ঠিত হৈ আহিছে। কিন্তু সম্প্ৰতি আমগুৰি নাট্যমন্দিৰৰ আধুনীকীকৰণৰ সময়ত নাট্যমন্দিৰ নিৰ্মাণ সমিতিৰ বিৰুদ্ধে মন্দিৰৰ প্ৰবেশপথ সংকুচিত কৰাৰ অভিযোগ উঠিছে। পূজা সমিতিৰ অভিযোগ অনুসৰি প্ৰৱেশ পথ সংকোচনৰ ফলত পূজামন্দিৰলৈ এখন সৰু বাহনো প্ৰৱেশ কৰিব নোৱাৰা পৰিস্থিতি সৃষ্টি হৈছে। এই অভিযোগৰ ভিত্তিত ৬ আগষ্টত আমগুৰি বাৰোৱাৰী দুৰ্গা পূজা সমিতিয়ে শিৱসাগৰ জিলা আয়ুক্তৰ ওচৰত এক স্মাৰকপত্ৰ প্ৰদান কৰে। স্মাৰকপত্ৰত উল্লেখ কৰা মতে, পূজাৰ সময়ত নাট্যমন্দিৰত নানান অনুষ্ঠানৰ আয়োজন কৰা হয় আৰু নতুন নিৰ্মাণেৰে ৰাইজ সন্তুষ্ট হলেও পূজাগৃহৰ পথ সংকোচনে বহুতো অসুবিধা সৃষ্টি কৰিছে। পূজা সমিতিয়ে দাবী জনাইছে যে, পূজাৰ সময়ত অগ্নি নিৰ্বাপক বাহন, জৰুৰীকালীন সেৱাৰ বাহন বা প্ৰতিমা আনিবৰ বাবেও যথেষ্ট পথৰ প্ৰয়োজন। সংকীৰ্ণ পথৰ বাবে এই সেৱাসমূহ সম্পূৰ্ণৰূপে বিঘ্নিত হ'ব। ফলত সম্ভাব্য দুৰ্ঘটনাৰো আশংকা বৃদ্ধি পাব। স্থানীয় ৰাইজ আৰু পূজা সমিতিয়ে অভিযোগ, বিষয়টোৰ সন্দৰ্ভত বহুবাৰ স্থানীয় বিধায়কৰ কাষ চপা হৈছিল যদিও বিধায়কজনে এই বিষয়ে কোনো ব্যৱস্থা গ্ৰহণ কৰা পৰিলক্ষিত হোৱা নাই। সেয়ে, পূজা সমিতিয়ে পূজা মন্দিৰৰ পথ সংকোচন বন্ধ কৰি পূৰ্বৰ দৰে সুচল প্ৰৱেশপথ বজাই ৰাখিবলৈ জিলা আয়ুক্তৰ হস্তক্ষেপ বিচাৰিছে।

# আঞ্চলিক যুৱ মঞ্চৰ শ্ৰমদান কাৰ্যসূচী

**অসম বাৰ্তা, টুকটুকী, ৯ আগষ্ট ঃ** স্বাধীনতা দিৱসৰ পূৰ্বে মৰিগাঁও জিলাৰ হাবিবৰঙাবাৰীৰ অগ্ৰণী সংগঠিত গোট আঞ্চলিক যুৱ মঞ্চৰ নেতৃত্বত লোৱা এলানি সদৰ্থক অভিযানৰ ভিতৰত হাবিবৰঙাবাৰী ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ চৌহদ আৰু অন্তৰ্ভাগত চিকিৎসালয়ৰ কৰ্মচাৰী সমূহ আৰু ভাৰপ্ৰাপ্ত চিকিৎসক ডাঃ অসীম কাকতিৰ উপস্থিতিত শ্ৰমদান কাৰ্যসূচী ৰূপায়ন কৰা হয়। কাৰ্যসূচীৰ নেতৃত্ব লোৱা মঞ্চৰ সম্পাদক বিদ্যুৎ পাতৰে জানিবলৈ দিয়ে যে এই অভিযানৰ তেওঁলোকে ২০১৭ চনৰ পৰাই অব্যাহত ৰাখিছে আৰু পৰৱৰ্তী পৰ্যায়ত ৰাজহুৱা শ্মশান আৰু বিদ্যালয় সমূহকো সামৰি ল'ব। মঞ্চৰ সভাপতি প্ৰাঞ্জল পাতৰে জানিবলৈ দিয়ে যে মঞ্চৰ ত্ৰিশজন সদস্যৰ এই ইতিবাচক কৰ্মৰ প্ৰতি সঁহাৰি জনাই গাঁৱৰ সৰ্বসাধাৰণেও কাৰ্যসূচীত স্বতঃস্ফূৰ্তভাবে অংশগ্ৰহণ কৰে।

# ৰত্নবীৰ FPCৰ সংবাদমেল

### কৃষকসকলক ফচল বিমা আৰু মাটিৰ পৰীক্ষা কৰিবলৈ আহ্বান

**অসম বাৰ্তা, তামাৰহাট, ৯ আগষ্ট ঃ** ৰত্নবীৰ ফাৰ্মাৰ প্ৰডিউছাৰ কোম্পানী (FPC)ৰ উদ্যোগত আজি এক সংবাদ মেল আয়োজন কৰা হয়। সংবাদ মেলত প্ৰতিষ্ঠানটোৰ অধ্যক্ষ দেবজ্যোতি ৰায়ে ৰাজ্যৰ সকলো কৃষকক আগতীয়া ভাবেই ফচল বিমা কৰিবলৈ আহ্বান জনায়। তেওঁ কয়, "অপ্ৰত্যাশিত প্ৰাকৃতিক বিপদ, বৰষুণ বা বন্যাৰ ফলত হোৱা ক্ষতিৰ পৰা ৰক্ষা পোৱাৰ একমাত্ৰ সুৰক্ষা হৈছে ফচল বিমা।" ইয়াৰ লগতে অধ্যক্ষই কৃষকসকলক মাটিৰ গুণগত মান পৰীক্ষা (Soil Test) কৰিবলৈ বিশেষ অনুৰোধ জনায়। তেওঁ উল্লেখ কৰে, "মাটিৰ স্বাস্থ্য পৰীক্ষা কৰিলে কৃষকসকলে সঠিকভাৱে সাৰ ব্যৱহাৰ কৰিব পাৰিব, উৎপাদন বৃদ্ধি কৰিব পাৰিব আৰু ব্যয়ো কমাব পাৰিব।" ৰত্নবীৰ FPC শীঘ্ৰে বিভিন্ন গাঁৱত মাটিৰ নমুনা সংগ্ৰহ আৰু ফচল বিমা নিবন্ধনৰ বিশেষ শিবিৰ আয়োজন কৰিব। প্ৰতিষ্ঠানটোৱে আশা প্ৰকাশ কৰিছে যে অধিক সংখ্যক কৃষকে এই সুযোগৰ সদ্ব্যৱহাৰ কৰিব।

### মিঞা খেদা আন্দোলন আমি সমৰ্থন কৰা নাই - ডাঃ কমলাকান্ত কলিতা

# গৰৈমাৰীত অগপৰ ৰাজনৈতিক অভিৱৰ্তন

**অসম বাৰ্তা, গৰৈমাৰী, ৯ আগষ্ট ঃ** 'মিএঞা খেদা আন্দোলন আমি সমৰ্থন কৰা নাই, বিদেশী খেদা আন্দোলন হে আমি সমৰ্থন কৰিছো।' ছমৰীয়া সমষ্টিৰ অন্তৰ্গত গৰৈমাৰীত আজি অনুষ্ঠিত অগপৰ ৰাজনৈতিক অভিৱৰ্তনত অংশগ্ৰহণ কৰি প্ৰাক্তন মন্ত্ৰী তথা অগপৰ কেন্দ্ৰীয় প্ৰশাসনিক সাধাৰণ সম্পাদক ডাঃ কমলা কান্ত কলিতাই এইদৰে কয়। অগপৰ সাংগঠনিক ভেটি শক্তিশালী কৰাৰ উদ্দেশ্যলৈ অভিৱৰ্তনৰ আয়োজন কৰাৰ উপৰি সাম্প্ৰতিক পৰিস্থিতি বিশেষকৈ ধৰ্মীয় সংখ্যালঘু অঞ্চলত যাতে শান্তি-সম্প্ৰীতি অটুট থাকে, কোনো অপশক্তিয়ে ৰাইজক আৱেগিক কৰি তুলি আমাৰ মাজত ভাতৃঘাতী সংঘৰ্ষ লগাব নোৱাৰে তাৰ প্ৰতি নজৰ ৰাখিবৰ বাবে অগপৰ দলীয় সতীৰ্থসকলক ৰাজনৈতিক অভিৱৰ্তনৰ জৰিয়তে ডাঃ কমলাকান্ত কলিতাই আহ্বান জনায়। ছমৰীয়া বিধানসভা সমষ্টি কমিটিৰ উদ্যোগত যুৱ পৰিষদ, কৃষক পৰিষদ আৰু ধৰ্মীয় সংখ্যালঘু পৰিষদৰ সহযোগত গৰৈমাৰীস্থিত অগপৰ মুখ্য কাৰ্যালয় প্ৰাংগণত দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত ৰাজনৈতিক অভিৱৰ্তনখনত সভাপতিত্ব কৰে অগপৰ ছমৰীয়া বিধানসভা সমষ্টি কমিটিৰ সভাপতি আব্দুৰ ৰহমান আৰু উদ্দেশ্য ব্যাখ্যাৰ লগতে সম্বৰ্ধনা পৰ্ব পৰিচালনা কৰে ছমৰীয়া বিধানসভা সমষ্টি কমিটিৰ সাধাৰণ সম্পাদক ৰফিকুল ইছলামে। ইপিনে অগপৰ ৰাজনৈতিক অভিৱৰ্তনত অংশগ্ৰহণ কৰি কমলপুৰ সমষ্টিৰ প্ৰাক্তন বিধায়ক তথা অগপৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক সত্যব্ৰত কলিতাই কয়- আমি হিন্দু মুছলমানৰ ৰাজনীতি নকৰো, আমি আঞ্চলিকতাবাদৰ ৰাজনীতি কৰো। আমাৰ কাৰণে অসম চুক্তিখন গীতা, বাইবেল, কোৰান আৰু সেইমতে আমি চলিবলৈ চেষ্টা কৰো বুলি প্ৰাক্তন বিধায়ক সত্যব্ৰত কলিতাই কয়। ইপিনে মুকলি সভাৰ পূৰ্বে পুৱা পতাকা উত্তোলন কৰে অগপৰ ছমৰীয়া বিধানসভা সমষ্টি কমিটিৰ সভাপতি আব্দুৰ ৰহমানে। শ্বহীদ তৰ্পন কৰে অগপৰ কেন্দ্ৰীয় সাধাৰণ পৰিষদৰ সদস্য দোস্ত হাবিবুৰ ৰহমান আৰু মাজৰটোপ আঞ্চলিক সমিতিৰ সভাপতি তৰুণ চন্দ্ৰ কলিতাই। গছপুলি ৰোপণ কৰে- অগপৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য আক্কাছ আলী আহমেদ আৰু কেন্দ্ৰীয় সাধাৰণ পৰিষদৰ সদস্য আঃ ছামাদ তালুকদাৰে। সভাত অগপৰ অসম কৃষক পৰিষদৰ সভাপতি পৰেশ বৈশ্য, অগপৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য আক্কাছ আলী আহমেদ, কামৰূপ জিলা অগপ সমিতিৰ সভাপতি খগেন নাথ, পলাশবাৰী বিধানসভা সমষ্টি কমিটিৰ সভাপতি চন্দ্ৰকান্ত কলিতা, অগপৰ কেন্দ্ৰীয় সাধাৰণ পৰিষদৰ সদস্য দোস্ত হাবিবুৰ ৰহমানকে প্ৰমুখ্য কৰি অগপৰ কাৰ্যকৰ্তা ও সমৰ্থক-ৰাইজ উপস্থিত থাকে।

# মৈৰাবাৰী কমট্ৰন কম্পিউটাৰ শিক্ষা প্ৰতিষ্ঠানৰ প্ৰথম বৰ্ষৰ ডিপ্লমা, চাৰ্টিফিকেট বিতৰণ

**অসম বাৰ্তা, মৈৰাবাৰী, ৯ আগষ্ট ঃ** বিগত কেইবা বছৰ ধৰি মৈৰাবাৰী আৰু লাহৰীঘাট অঞ্চলৰ প্ৰশংসা বুটলিবলৈ সক্ষম হোৱা স্মাৰ্ট কচিঙ চেণ্টাৰৰ সঞ্চালক ড° ৰাবুল আহাদৰ প্ৰচেষ্টাত মৈৰাবাৰীত ভাৰত চৰকাৰৰ স্বীকৃতি প্ৰাপ্ত কম্পিউটাৰ শিক্ষা প্ৰতিষ্ঠান ৮ মাহ আগতে মুকলি কৰা হৈছিল। আজি মৈৰাবাৰী স্থিত কমট্ৰন কম্পিউটাৰ শিক্ষা প্ৰতিষ্ঠানত আনুষ্ঠানিক ভাৱে প্ৰথম বৰ্ষৰ ছাত্ৰ-ছাত্ৰী সকলৰ মাজত কম্পিউটাৰ ডিপ্লমা (DCA আৰু CCA) প্ৰমাণপত্ৰ প্ৰদান কৰা হয়। অনুষ্ঠানটোৰ প্ৰথম বৰ্ষত সফলতাৰে উত্তীৰ্ণ হোৱা ২৬ গৰাকী ছাত্ৰ ছাত্ৰীক প্ৰমাণ পত্ৰৰ লগতে এখনকৈ মৌমেন্ট'ৰে সন্মানিত কৰে। আজিৰ অনুষ্ঠানটিত মুখ্য অতিথি হিচাপে উপস্থিত থাকে মৈৰাবাৰী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ৰিয়াজুল হক, ইংৰাজী বিভাগৰ অধ্যাপক ড° ময়িদুল ইছলাম, অৰ্থনীতি বিভাগৰ অধ্যাপিকা ড° ৰেহেনা আহমেদ, যুৱ সাংবাদিক নুৰুল হুদা, ইছমাইল হুছেইন আৰু সমাজকৰ্মী শ্বাহ আলমকে আদি কৰি বিশিষ্ট ব্যক্তি সকল। আজি আনুষ্ঠানিক ভাৱে তিনি মহীয়া আৰু ছমহীয়া পাঠ্যক্ৰম সম্পূৰ্ণ কৰা ছাত্ৰ-ছাত্ৰী সকলক উদ্দেশ্য ড° ময়িদুল ইছলামে কম্পিউটাৰ শিক্ষাৰ যথেষ্ট উদগনি মুলক ভাষন প্ৰদান কৰে। অধ্যাপিকা ড° ৰেহেনা আহমেদেও ছাত্ৰ ছাত্ৰীক উদ্দেশ্য কৰি কম্পিউটাৰ শিক্ষাৰ প্ৰয়োজনীয়তা আৰু লাভালাভৰ সময়োপযোগী ভাষন আগবঢ়োৱাৰ লগতে সঞ্চালক ড°ৰাবুল ইবনে আহাদক প্ৰশংসা কৰে। মৈৰাবাৰী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ৰিয়াজুল হকে কয় যে এইপ্ৰতিষ্ঠানটোৰ দ্বাৰা ছাত্ৰ-ছাত্ৰী সকলৰ উপকৃত হৈছে। কমট্ৰন কম্পিউটাৰ শিক্ষা কেন্দ্ৰৰ সঞ্চালক ড° ৰাবুল ইবনে এ আহাদ কয় বিশেষকৈ অঞ্চলটোৰ যুৱক-যুৱতী, ছাত্ৰ-ছাত্ৰী সকলৰ সুবিধাৰ্থে প্ৰয়োজন পাঠ্যক্ৰম CCA, DCA, ADCA, PGDCA, GST TALLY, etc course এইখন প্ৰতিষ্ঠানত শিক্ষা দিয়াৰ ব্যৱস্থা কৰা হৈছে। এই পাঠ্যক্ৰম সমূহত যদি কোনোবাই নামভৰ্তি কৰিব বিচাৰে 9706841540 নম্বৰত যোগাযোগ কৰিব পাৰে।

# চামগুৰিৰ শিঙিমাৰী মহম্মদ আলী ছিনিয়ৰ ছেকণ্ডাৰী স্কুলৰ সদ্য অৱসৰী শিক্ষক আব্দুৰ ৰৌফক বিদায় সম্বৰ্ধনা

**অসম বাৰ্তা, ৰূপহীহাট, ৯ আগষ্ট ঃ** চামগুৰি সমষ্টিৰ আগশাৰীৰ শিক্ষানুষ্ঠান শিঙিমাৰী মহম্মদ আলী ছিনিয়ৰ ছেকণ্ডাৰী স্কুলত আজি এক বিদায় সভা অনুষ্ঠিত হয়। শিঙিমাৰী মহম্মদ আলী ছিনিয়ৰ ছেকণ্ডাৰী স্কুলৰ প্ৰাক্তন ভাৰপ্ৰাপ্ত অধ্যক্ষ তথা বিজ্ঞান শিক্ষক আব্দুৰ ৰৌফ ক আনুষ্ঠানিক বাবে বিদায় দিয়াৰ কাৰণে সভাখন অনুষ্ঠিত হয়। যোৱা জুন মাহৰ ৩০ তাৰিখে শিক্ষক গৰাকীয়ে চাকৰি জীৱনৰ পৰা অৱসৰ গ্ৰহণ কৰিছিল। কিন্তু বিদ্যালয়খনত গৰমৰ বন্ধ চলি থকাৰ কাৰণে শিক্ষকজনক আনুষ্ঠানিক বাবে বিদায় দিব পৰা নাছিল। সদ্যঅৱসৰী শিক্ষক আব্দুৰ ৰৌফে ১৯৮৭ চনত বিদ্যালয়খনত বিজ্ঞান শিক্ষক হিচাপে কৰ্মজীৱনৰ পাতনি মেলিছিল। শিক্ষকজনে বিদ্যালয়খনত সুদীৰ্ঘ ৩৭ বছৰ চাকৰি কৰিছে। এই চাকৰি কালত তেঁও বিদ্যালয়খনৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ হিচাপেও নিজৰ দায়িত্ব পালন কৰিছিল। তেঁও চাকৰি কালত নিজৰ দায়িত্ব অতি নিষ্ঠা আৰু সততাৰে পালন কৰিছিল। আজি বিদায় সভাখনত প্ৰাক্তন ছাত্ৰ-ছাত্ৰী,বৰ্তমানৰ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী আৰু সহকৰ্মী সকলে বিদায় সভাত আবেগিক হৈ পৰা দেখা যায়। সভাখনত উপস্থিত সকলোৱে অৱসৰী শিক্ষকজনৰ সুস্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰে।

# অস্মিতা মহিলা ভাৰউত্তোলন প্ৰতিযোগিতা বৰপেটাৰোডৰ শিখা কিৰণ বায়নৰ সোণৰ পদক অৰ্জন

**অসম বাৰ্তা, বৰপেটাৰোড, ৯ আগষ্ট ঃ** বৰপেটাৰোডৰ জীয়ৰী শিখা কিৰণ বায়নে খেলো ইণ্ডিয়াৰ অস্মিতা মহিলা ভাৰউত্তোলন প্ৰতিযোগিতা ২০২৫-২৬ মহিলা লীগত পুনৰ সোণৰ পদক অৰ্জন কৰি শিখা কিৰণ বায়নে বৰপেটাৰোডলৈ সুনাম কঢ়িয়াই আনে। যোৱা দেওবাৰে শিৱসাগৰৰ পিয়লি ফুকন মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা ৰাজ্যিক পৰ্যায়ত অনুষ্ঠিত খেল খনত কিৰণ বায়নে কামৰূপ আৰু অসমৰহে প্ৰতিনিধিত্ব কৰিছিল। ইয়াৰোপৰি বায়নে গোলাঘাটৰ সৰুপথাৰত অনুষ্ঠিত খেলো ইণ্ডিয়া অস্মিতা লীগত ২টা কৈ সোণৰ পদক অৰ্জন কৰে। শিখা কিৰণ বায়ন বৰপেটাৰোড ফৰেষ্টকলনীৰ নিবাসী নিশা বায়ন আৰু ডাঃ কবিন বায়নৰ কন্যা।

### চৰকাৰে জাৰি কৰা নিৰ্দেশনা প্ৰতিলিপি দাহ

# অবৈধ হিন্দু বাংলাদেশীক নাগৰিকত্ব প্ৰদানৰ বিৰোধিতা গোলাঘাট আছুৰ

**ষ্টাফ ৰিপৰ্টাৰ, গোলাঘাট, ৯ আগষ্ট ঃ** অসম চৰকাৰে বিদেশী ন্যায়াধিকৰণত অবৈধ হিন্দু বাংলাদেশীৰ বিৰুদ্ধে চলি থকা গোচৰ প্ৰত্যাহাৰ কৰিবলৈ যি নিৰ্দেশনা জাৰি কৰিছে তাৰ তীব্ৰ বিৰোধিতা কৰিছে সদৌ গোলাঘাট জিলা ছাত্ৰ সন্থাই। এই সিদ্ধান্ত প্ৰত্যাহাৰৰ দাবীত আজি সদৌ অসম ছাত্ৰ সন্থাৰ আহ্বানত সদৌ গোলাঘাট জিলা ছাত্ৰ সন্থাই জিলা সদৰত নিৰ্দেশনাৰ প্ৰতিলিপি দাহ কাৰ্যসূচী ৰূপায়ণ কৰে। সদৌ অসম ছাত্ৰ সন্থাৰ উপ-সভাপতি অভিৱৰ্তন গোস্বামী, সদৌ গোলাঘাট জিলা ছাত্ৰ সন্থাৰ সভাপতি মিণ্টু গগৈ, সাধাৰণ সম্পাদক চিৰঞ্জীৱ বৰা, উপদেষ্টা শান্তনু দত্তৰ নেতৃত্বত জিলা ছাত্ৰ সন্থাৰ শতাধিক ছাত্ৰ কৰ্মীয়ে ভাগ লোৱা উক্ত কাৰ্যসূচীত ছাত্ৰ সন্থাৰ কৰ্মীসকলে জিলাৰ মুখ্য কাৰ্যালয়ৰ পৰা সমদল বাহিৰ কৰি বেজবৰুৱা চাৰিআলিত প্ৰতিলিপি দাহ কৰে। কাৰ্যসূচীত ছাত্ৰ কৰ্মী সকলে বিজেপি চৰকাৰ মুৰ্দাবাদ, কা আমি নামানো, ধৰ্মৰ ভিত্তিত নাগৰিকত্ব দিয়া নছলিব, অবৈধ বিদেশী হায় হায়, আছু জিন্দাবাদ আদি ধ্বনিৰে পৰিৱেশ উত্তাল কৰি তোলে। এক প্ৰেছ বিবৃতিৰ জৰিয়তে জানিবলৈ দিয়ে সদৌ গোলাঘাট জিলা ছাত্ৰ সন্থাৰ সভাপতি মিণ্টু গগৈ আৰু সাধাৰণ সম্পাদক চিৰঞ্জীৱ বৰাই।

# বিলাসীপাৰাত ড্ৰাগছ বিৰুদ্ধে আৰক্ষীৰ অভিযান

**অসম বাৰ্তা, বিলাসীপাৰা, ১০ আগষ্ট ঃ** বিলাসীপাৰাত নিষিদ্ধ ড্ৰাগছৰ বিৰুদ্ধে আৰক্ষীয়ে চলায় আকস্মিক অভিযান। অভিযানত আৰক্ষীয়ে বৃহৎ পৰিমাণৰ নিষিদ্ধ হেৰোইন সহ আটক কৰে ড্ৰাগছ মাফিয়াক। উল্লেখ্য যে বিলাসীপাৰা চহৰৰ লগতে ইয়াৰ পাৰ্শ্বৱৰ্তী এলেকাত একাংশ দুষ্ট চক্ৰই নিষিদ্ধ ড্ৰাগছ'ৰ ৰমৰমীয়া ব্যৱসায় চলাই অহাৰ অভিযোগ দীৰ্ঘদিনীয়া। এই অভিযোগ সততে উত্থাপিত হৈ অহাৰ সমান্তৰালভাৱে আৰক্ষীয়েও বিভিন্ন সময়ত অভিযান চলাই তেনে ব্যৱসায়ীক গ্ৰেপ্তাৰ কৰি জেল হাজোতলৈ প্ৰেৰণ কৰি আহিছে। তৎস্বত্বেও যেন আৰক্ষীয়ে ড্ৰাগছ'ৰ ব্যৱসায়ীক নাকী লগাব পৰা নাই। তেনে সময়তে এক গোপন সূত্ৰৰ প'ম খেদি মাজপাৰত বিলাসীপাৰা আৰক্ষীয়ে অতৰ্কিতে চলায় অভিযান। বিলাসীপাৰা সমজিলা আৰক্ষী অধীক্ষক অম্বৰিশ শৰ্মা আৰু ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া নৱজৌতি ৰায়ৰ নেতৃত্বত চলা আৰক্ষীৰ অভিযানকাৰী দলটোৱে এ এছ ১৭ জে ৭৫৩২ নম্বৰৰ মটৰছাইকেলৰে এজন যুৱকক মাছপাৰালৈ আহি থকা অৱস্থাত প্ৰত্যক্ষ কৰি ৰ'বলৈ নিৰ্দেশ দিয়ে। আৰক্ষীৰ এই নিৰ্দেশক আওকান কৰি পলাবলৈ লওঁতে আৰক্ষীয়ে পিছে পিছে খেদি যুৱকজনক আটক কৰে। আটকাধীন যুৱকজনৰ পৰা ৪০ টাকৈ হেৰোইন ভৰ্তি কণ্টেইনাৰ, ৪৩ গ্ৰাম হেৰোইনৰ লগতে মটৰছাইকেলখন জব্দ কৰিবলৈ সক্ষম হয় আৰক্ষীয়ে। ধৃত যুৱকজন কোকৰাঝাৰ জিলাৰ খোৰাঘাটৰ আছকৰ আলী বুলি আৰক্ষী সূত্ৰে জানিব পৰা গৈছে। উল্লেখ্য যে ,ধৃত আছকৰে দীৰ্ঘ দিনৰে পৰা অঞ্চলটোত ড্ৰাগছ, হেৰোইন'ৰ ৰমৰমীয়া ব্যৱসায় চলাই অহাৰ লগতে নৱ-প্ৰজন্মৰ ভবিষ্যত ধ্বংসৰ পিনে ঠেলি দিয়াৰ অভিযোগ উঠিছে। আৰক্ষীয়ে যুৱকজনক থানালৈ নি অধিক তথ্যৰ বাবে জেৰা কৰি আজি জেললৈ প্ৰেৰণ কৰে বুলি জানিব পৰা গৈছে।

### দুদিন আগত ৰাজ্য চৰকাৰৰ উচ্ছেদৰ সমৰ্থন জনাই দুদিন পিছত বিৰোধিতা ৰহা সমষ্টিৰ বিধায়কৰ

# উচ্চেদক লৈ দুমুখিয়া স্থিতি ৰহাৰ বিধায়ক শশীকান্ত দাসৰ

**অসম বাৰ্তা, নগাঁও, ৯ আগষ্ট ঃ** ৰাজ্য চৰকাৰে সন্দেহ যুক্ত নাগৰিকৰ বিৰুদ্ধে চলোৱা উচ্ছেদৰ সমৰ্থন জনাই দুদিন পিছত উচ্ছেদৰ বিৰুদ্ধিতা ৰহা সমষ্টিৰ বিধায়ক শশীকান্ত দাসৰ। ৰহা সমষ্টিৰ কোনো এটা মুছলমান পৰিয়ালক উচ্ছেদ কৰিবলৈ নিদিয়ে বিধায়ক গৰাকীয়ে। যি সকল লোকৰ ভোট লৈ ৰহা সমষ্টিৰ পৰা বিধায়ক হৈছে সেই সকল লোকক কোনো কাৰণত উচ্ছেদ কৰিবলৈ নিদিয়ে বিধায়ক গৰাকীয়ে। ৰহা সমষ্টিৰ মাধৱপাৰা গাঁও পঞ্চায়তৰ কাৰ্যভাৰ গ্ৰহণ অনুষ্ঠানত এই মন্তব্য কৰে বিধায়ক শশীকান্ত দাসে। আনকি কিছু পৰিয়াললৈ যোৱা উচ্ছেদৰ জাননী প্ৰদান কৰাতো বিৰুদ্ধিতা বিধায়ক গৰাকীৰ। জানিব পৰা মতে, ৰহা সমষ্টিৰ বৰপানী বনাঞ্চলৰ ২০০ হেক্টৰ ভূমি একাংশ সন্দেহ জনক নাগৰিকে বেদখল কৰাৰ লগতে কাকতিগাঁৱৰ ডাবলুৰ লগতে মাধৱপাৰা, ধনচিলা পাহাৰ আদিকে ধৰি বিভিন্ন স্থানত একাংশ সন্দেহ জনক লোকে বেদখল কৰি গাঁও সাজি বসবাস কৰি আহিছে। ইমানৰ পাছতো কেইটামান ভোটৰ লালসাত ৰাজ্য চৰকাৰে চলোৱা উচ্ছেদৰ বিৰুদ্ধিতা কৰিছে ৰহাৰ বিধায়ক শশীকান্ত দাসে। উল্লেখ্য যে, ৰহা সমষ্টিৰ উন্নয়নৰ স্বাৰ্থত কংগ্ৰেছ এৰি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ শৰনাপৰ্ণ হোৱা বিধায়ক শশীকান্ত দাসে নিজৰ সমষ্টিৰ মুছলমান ৰাইজক সুৰক্ষা দিবলৈ উঠিপৰি লগা ক্ষেত্ৰত ৰাজ্যৰ মুখ্যমন্ত্ৰী গৰাকীয়ে কি পদক্ষেপ গ্ৰহণ কৰিব সেইয়া লক্ষনীয় হ'ব।

# বলপূৰ্বকভাৱে ১৬ বছৰীয়া কিশোৰীক বিয়াৰ অপ্ৰচেষ্টা

**অসম বাৰ্তা, কচুৰা, ১০ আগষ্ট ঃ** নগাঁও জিলাৰ কচুৱা থানাৰ অন্তৰ্গত শিমলুগুৰিত এক চাঞ্চলকৰ ঘটনা সংঘটিত হয়। গাঁওখনৰ এগৰাকী ১৬ বছৰীয়া কিশোৰীক নিজ বাসগৃহৰ পৰা উঠাই নি বলপূৰ্বক ভাৱে বিয়া কৰোৱাৰ অপ্ৰচেষ্টা চলোৱাৰ অভিযোগ আনে আলিটাঙনী গাঁৱৰ জুবাহিদ ইছলামৰ বিৰুদ্ধে। কিশোৰী গৰাকীৰ উপযুক্ত বয়স নোহোৱাত মাতৃয়ে বাধা প্ৰদান কৰাত নিশা ঘৰৰ পৰা জোৰজবৰ্ষ্টি উঠাই নি অশ্লীল ফটো তুলি শিমলুগুৰিৰ আনাৰ হুছেইনে ভয় ভাবুকি প্ৰদান কৰাৰো অভিযোগ উত্থাপিত কৰে। উপায়হীন ভুক্তভোগী কিশোৰী গৰাকীৰ মাতৃ ৰুজনা খাতুনে আনাৰ হুছেইন, জুবাহিদ আলম, আৰু নুৰুল হকৰ বিৰুদ্ধে কচুৱা থানাত এজাহাৰ দাখিল কৰে। আৰু ভুক্তভোগীয়ে দিয়া এজাহাৰ তদন্ত কৰি দোষীক কঠোৰ শাস্তি প্ৰদান কৰিবলৈ আৰক্ষীক আহ্বান জনায়।

# মুখ্যমন্ত্ৰীয়ে চাকৰি দিয়াতকৈ

কৰিবলৈকে অসমৰ ভিতৰত এটা অস্থিৰ পৰিৱেশৰ সূচনা কৰিব বিচাৰিছে। অসমৰ মানুহ হিমন্ত বিশ্ব শৰ্মাতকৈ ৰাজনৈতিকভাৱে অধিক সক্ৰিয় হৈ আছে। অসমৰ ৰাইজে হিমন্ত বিশ্ব শৰ্মাৰ এই ষড়যন্ত্ৰ কেতিয়াও সফল হ'ব নিদিয়ে। মুখ্যমন্ত্ৰী হিচাপে ডঃ হিমন্ত বিশ্ব শৰ্মা সম্পূৰ্ণ বিফল হৈছে। তেখেতে সোনকালেই মুখ্যমন্ত্ৰীৰ পদৰ পৰা পদত্যাগ কৰিব লাগে। মুখ্যমন্ত্ৰীয়ে গৃহ বিভাগৰ দায়িত্ব পালনতো সম্পূৰ্ণ বিফল হৈছে। মুখ্যমন্ত্ৰীয়ে অসমৰ ৰাইজক নিৰাপত্তা প্ৰদানৰ ক্ষেত্ৰত বিফল হৈছে। মুখ্যমন্ত্ৰীয়ে নিজেই এই সকলোবোৰ কথা স্বীকাৰ কৰি শীঘ্ৰেই পদত্যাগ কৰিব লাগে। তেখেতে মুখ্যমন্ত্ৰীৰ চকীত বহাৰ যোগ্য নহয়। মুখ্যমন্ত্ৰী ড° শৰ্মা দিনক দিনে অহংকাৰী হৈ পৰিছে। মুখ্যমন্ত্ৰীৰ বক্তব্য এতিয়া সকলোৱে বেয়া পাব ধৰিছে। অসমৰ ৰাইজে এতিয়া বিজেপিৰ বিকল্প বিচাৰিছে। কংগ্ৰেছ দলহে বিজেপিৰ বিকল্প। অসমত কংগ্ৰেছ দল পূৰ্বৰ দৰে দিনক দিনে শক্তিশালী হ'ব ধৰিছে। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ বিৰুদ্ধে এনেদৰে সৰৱ হৈ পৰে অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ নৱনিযুক্ত সভাপতি তথা লোকসভাত বিৰোধী উপ-দলপতি গৌৰৱ গগৈ। আজি তিনিচুকীয়াৰ ঐতিহাসিক গোলাপচন্দ্ৰ ৰবিচন্দ্ৰ নাট্য মন্দিৰত তিনিচুকীয়া জিলা কংগ্ৰেছ কমিটীৰ উদ্যোগত আয়োজিত কৰ্মী আৰু বৃহৎ যোগদান সভাত উপস্থিত থাকি অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ নৱনিযুক্ত সভাপতি তথা যোৰহাট লোকসভা সমষ্টিৰ সাংসদ গৌৰৱ গগৈয়ে এনেদৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ বিৰুদ্ধে সৰৱ হৈ পৰে। পুৱা ৯:৩০ বজাত মোহনবাৰী বিমান বন্দৰত উপস্থিত হোৱা সাংসদ গৌৰৱ গগৈক তিনিচুকীয়া জিলা কংগ্ৰেছ কমিটীৰ নৱনিযুক্ত সভাপতি তথা ১২৫ নং ডুমডুমা সমষ্টিৰ প্ৰাক্তন বিধায়ক দুৰ্গা ভূমিজে বিমান বন্দৰতে উষ্ম আদৰণি জনায়। মোহনবাৰীৰ পৰা তিনিচুকীয়া অভিমুখে যাত্ৰা কৰা সাংসদ গৰাকীক পানীতোলাৰ টি চি পিৰ পৰা প্ৰায় দুই শতাধিক বাইকেৰে ৰেলী কৰি তিনিচুকীয়া চহৰলৈ আদৰি আনে কংগ্ৰেছ দলৰ কৰ্মীসকলে। তিনিচুকীয়াত উপস্থিত হৈয়ে সাংসদ গৌৰৱ গগৈয়ে প্ৰথমে ঐতিহাসিক তিনিকোণীয়া পুখুৰী পাৰত থকা মটক ৰজা সৰ্বানন্দ সিংহৰ প্ৰতিমূৰ্তিত মা মাল্যাৰ্পণ আৰু বন্তি প্ৰজ্বলন কৰি আশীৰ্বাদ গ্ৰহণ কৰে। তাৰ পাছতে সাংসদ গৌৰৱ গগৈয়ে সমীপৰ তথা এ টি ৰোডস্থিত কালী মন্দিৰ আৰু গুৰুদ্বাৰত উপস্থিত হৈ আশীৰ্বাদ গ্ৰহণ কৰি সমীপৰ গোলাপচন্দ্ৰ ৰবিচন্দ্ৰ নাট্য মন্দিৰৰ সভাগৃহত আয়োজিত দলীয় কৰ্মী সভাত অংশগ্ৰহণ কৰে। তিনিচুকীয়া জিলা কংগ্ৰেছৰ নৱনিযুক্ত সভাপতি দুৰ্গা ভূমিজৰ সভাপতিত্বত অনুষ্ঠিত উক্ত সভাতেই তিনিচুকীয়া জিলাৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ তিনি শতাধিক লোকে আজি গৌৰৱ গগৈৰ উপস্থিতিত আনুষ্ঠানিকভাৱে কংগ্ৰেছ দলত যোগদান কৰে। এইসকলৰ ভিতৰত আছে অৱসৰপ্ৰাপ্ত শিক্ষক তথা অসম মৰাণ সভাৰ প্ৰাক্তন সভাপতি দুলাল মৰাণ, বিজেপি কৰ্মী, আম আদমি পাৰ্টীৰ লগতে বিভিন্ন দ'ল-সংগঠনৰ নেতা-কৰ্মী আদি । ইয়াৰ পিছতেই মুখ্যমন্ত্ৰীৰ বিৰুদ্ধে এক প্ৰকাৰ সৰৱ হৈ পৰে সাংসদগৰাকী। গৌৰৱ গগৈয়ে সাংবাদিকৰ আগত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ বিৰুদ্ধে সৌচ্ছাৰ হৈ পৰে। গৌৰৱ গগৈয়ে কয়, "বিজেপিৰ প্ৰতিখন জিলাত নিজৰ মাজত ইমানেই কাজিয়া, তিনিচুকীয়াত পৌৰসভাক লৈ ইমানেই কাজিয়া যে উন্নয়নমূলক যিসমূহ কাম হ'ব লাগিছিল এটাও হোৱা নাই । প্ৰত্যেক ক্ষেত্ৰত বিজেপিৰ মানুহ, বিধায়কৰ দাবীদাৰ, বিধায়কৰ বিৰোধী মানুহবোৰ পৌৰপতি, উপ-পৌৰপতিক লৈ কাজিয়া লাগি থাকে। যাৰ ফলত কোনো উন্নয়নমূলক কাম হোৱা নাই আৰু তাৰ ফল সাধাৰণ জনতাই আজি ভুগিবলগীয়া হৈছে।" তেওঁ লগতে কয় যে তিনিচুকীয়াত আজি তিনিচুকীয়া জিলা কংগ্ৰেছে এক সুন্দৰ অনুষ্ঠানৰ আয়োজন কৰিলে য'ত বহুখিনি নতুন মানুহে কংগ্ৰেছ দলত যোগদান কৰিলে। আজিৰ দিনটোত আমি বিভিন্ন অনুষ্ঠানত অংশগ্ৰহণ কৰিছোঁ। আমি আজি ভাৰত চোৰো আন্দোলনৰ বাৰ্ষিকী পালন কৰিছোঁ। আজি পৱিত্ৰ ৰাখী বন্ধনৰ লগতে বিশ্ব আদিবাসী দিৱসৰ উপৰিও ভাৰতীয় যুৱ কংগ্ৰেছৰ স্থাপনা দিৱস। ৰাইজৰ কংগ্ৰেছ দলৰ প্ৰতি আজি যি আস্থা দেখিবলৈ পাইছোঁ ইয়াৰ পৰা এটাই প্ৰমাণ হয় যে কংগ্ৰেছ দল আজি পূৰ্বৰ দৰে অধিক শক্তিশালী হৈছে। কংগ্ৰেছ দলৰ প্ৰতি ৰাইজৰ আস্থা দিনক দিনে বৃদ্ধি পাব ধৰিছে। অসমৰ ৰাইজে বিজেপিৰ বিকল্প বিচাৰিছে। সাংসদ গৌৰৱ গগৈয়ে অসম চৰকাৰে ২০১৪ চনৰ ৩১ ডিচেম্বৰৰ পূৰ্বে অহা অমুছলমান লোকসকলৰ বিৰুদ্ধে থকা বিদেশী গোচৰ প্ৰত্যাহাৰ কৰিবলৈ জিলা আয়ুক্ত আৰু জ্যেষ্ঠ আৰক্ষী অধীক্ষকসকলক আদেশ জাৰি কৰা সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয় যে বিজেপিয়ে অসমৰ ৰাইজক মিছা প্ৰলোভন দি আহিছে। বিজেপিয়ে এটা সময়ত অসম চুক্তি কাৰ্যকৰী কৰাৰ কথা কৈছিল যদিও এতিয়া অসম চুক্তিক মানি লোৱা নাই বুলিও অভিযোগ কৰে। তেওঁ এইক্ষেত্ৰত কয়, " 'কা'ৰ সময়ত তেওঁলোকে অসমৰ বাঙালী সমাজে নিজকে বাংলাদেশী হোৱাৰ চাৰ্টিফিকেট দিব লাগে বুলি কৈছিল, এয়া বাঙালী সমাজৰ প্ৰতি তেওঁলোকৰ চিন্তাধাৰা। আজিৰ দিনত বিজেপি দল ইমান অহংকাৰী যে প্ৰত্যেকটো ভাষা-ভাষী, ধৰ্মাৱলম্বী লোকেই এইখন চৰকাৰৰ পৰা কষ্ট পাইছে।" নাট্য মন্দিৰৰ পৰা এ পি চি চিৰ সভাপতিগৰাকীয়ে সুবাচিনী পথস্থিত অসম চাহ মজদুৰ সংঘৰ পানীতোলা শাখাৰ কাৰ্যালয়ত আয়োজিত অনুষ্ঠানত অংশগ্ৰহণ কৰাৰ লগতে গেলাপুখুৰীস্থিত মৰাণ ছাত্ৰ সন্থাৰ কাৰ্যালয়ৰ প্ৰাংগণত থকা বীৰ ৰাঘৱ মৰাণৰ প্ৰতিমূৰ্তিটো মাল্যাৰ্পণ কৰে। তাৰ পৰাই শদিয়াত আয়োজিত দলীয় কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যে যাত্ৰা কৰে সাংসদ গৌৰৱ গগৈয়ে।

### পথ পকীকৰণ নকৰিলে ভোট বৰ্জনৰ ভাবুকি সচেতন ৰাইজৰ

# পদুপাৰা-হেকৰা পথৰ জৰাজীৰ্ণ ৰূপ; জীয়াতু ভুগিছে সৰ্বসাধাৰণ ৰাইজে

**ষ্টাফ ৰিপৰ্টাৰ, দুধনৈ, ৯ আগষ্ট ঃ** উন্নয়নৰ জয়গান, বিকাশৰ শ্লোগানেৰে,শাসনৰ গাদীত অধীস্থিত হোৱা বিজেপি মিত্ৰজোঁটৰ চৰকাৰৰ দিনত বহুসংখ্যক গ্ৰাম্যাঞ্চলৰ ৰাইজে এতিয়াও যাতায়তৰ ক্ষেত্ৰত যাতনা ভোগ কৰি এক দুৰ্বিসহ জীৱন যাপন কৰিব লগা হোৱাটো সঁচাকৈয়ে দুৰ্ভাগ্যজনক বিষয় হিচাপে বিবেচিত হৈছে। শিক্ষা, স্বাস্থ্য, যোগাযোগ ব্যৱস্থাৰ লগতে সৰ্বত্ৰে পিছপৰি থকা অঞ্চল সমূহৰ জনসাধাৰণ উন্নয়ন এক অলীক কল্পনা মাথো। গোৱালপাৰা জিলাৰ পূৱ-গোৱালপাৰা বিধানসভা সমষ্টিৰ অন্তৰ্গত পদুপাৰা-হেকৰা পথৰ জৰাজীৰ্ণ ৰূপে জীয়াতু ভোগাইছে সৰ্বসাধাৰণ ৰাইজক। জিলাখনৰ পূৱ প্ৰান্তৰ বৃহত্তৰ পদুপাৰা অঞ্চলৰ অতি গুৰুত্বপূৰ্ণ পদু পাৰা-শিমলাবাৰী-হেকৰা পথটো দীৰ্ঘদিনে মেৰামতিৰ অভাৱত জৰাজীৰ্ণ হৈ পৰাত যাতায়তৰ ক্ষেত্ৰত সৰ্বসাধাৰণ ৰাইজ জীয়াতু ভূগিব লগা হোৱাৰ লগতে সমগ্ৰ অঞ্চলবাসী ৰাইজে মধ্যযুগীয়া জীৱন যাপন কৰিব লগা হৈছে। বাৰিষা এজাক বৰষুণ পৰাৰ পিছতে বোকাময় হৈ পৰা পথটোৱে দুচকীয়া, চাৰিচকীয়া বাহনটো দুৰৰ কথা পথটোৰে খোজকাঢ়িয়ে যাতায়াত কৰাটো বিপদজনক হৈ পৰে। যাৰ বাবে চিকিৎসালয়, ব্যৱসায়ৰ বাবে কোনো গাড়ী চলাচল কৰিব নোৱাৰাত ভীষণ সমস্যাৰ সন্মুখীন হোৱাৰ লগতে স্কুলীয়া ছাত্ৰ ছাত্ৰী সকলে বোকাৰে লুটুৰি পুটুৰি হৈ ঘৰলৈ উভতিব লগা পৰিস্থিতিৰ সৃষ্টি হয় ।পূৰ্বতে দুধনৈ বিধানসভা সমষ্টিৰ অন্তৰ্গত তথা যোৱা লোকসভা নিৰ্বাচনৰ পূৰ্বে সমষ্টি পূনঃ নিৰ্ধাৰণৰ পিছত বৃহত্তৰ পদুপাৰা অঞ্চলটো পূৱ-গোৱালপাৰা বিধানসভা সমষ্টিৰ লগত সংলগ্ন কৰা হয়। জনজাতিৰ বাবে সংৰক্ষিত সমষ্টিটোৰ অন্তৰ্গত সংখ্যালঘুৰ বস্তি প্ৰধান অঞ্চলটোৰ উন্নয়নৰ বাবে পূৰ্বৰ কোনো এজন জনপ্ৰতিনিধিয়ে গুৰুত্ব প্ৰদান নকৰাত ক্ষোভ প্ৰকাশ কৰে সৰ্বসাধাৰণৰ ৰাইজে। গ্ৰাম্য পথসমূহ পকীকৰণৰ বাবে চৰকাৰৰ বহুকেইখন অভিলাষী আঁচনি আছে যদিও সমষ্টিটোৰ পৰা নিৰ্বাচিত হোৱা কোনো এজন জনপ্ৰতিনিধিয়ে গুৰুত্বপূৰ্ণ পথটো পকীকৰণ বাবে পদক্ষেপ গ্ৰহণ নকৰিলে ।এইবেলি পূৱ-গোৱালপাৰা বিধানসভা সমষ্টিৰ অন্তৰ্গত হোৱাৰ পিছত সমষ্টিটোৰ বিধায়ক এ কে ৰছিদ আলমক গুৰুত্বপূৰ্ণ পথটো পকীকৰণ কৰাৰ বাবে আহ্বান জনাইছে স্থানীয় ৰাইজে। অন্যথা অনাগত সময়ত ভোট বৰ্জনৰ দৰে সিদ্ধান্ত গ্ৰহণ কৰিব বুলি সচেতন ৰাইজে সংবাদ মাধ্যমক জানিবলৈ দিয়ে।

## হাগ্ৰামা-প্ৰমোদৰ বিৰুদ্ধে

অংশীদাৰ হোৱাৰ সুযোগ প্ৰদান কৰিব। দেওবাৰে বাক্সা জিলাৰ ২৩ নং দিহিৰা (মুকলি) পৰিষদীয় সমষ্টিত বিজেপিৰ উদ্যোগত অনুষ্ঠিত বিজয় সংকল্প সভাত মুখ্যমন্ত্ৰীয়ে এই মন্তব্য প্ৰকাশ কৰে। তেওঁ কয়, "মোৰ বুজাবুজি হাগ্ৰামা মহিলাৰীৰ লগতো আছে, প্ৰমোদ বড়োৰ লগতো আছে, অঞ্জলি বাইদেউৰ লগতো আছে। কিন্তু আমি নিৰ্বাচনত অকলেই অংশগ্ৰহণ কৰিম। আমি বিচাৰো যে বিটিআৰত সকলো ৰাজনৈতিক দলে নিৰ্বাচনত অংশ লওক, যাতে বিটিআৰৰ মানুহেও গণতন্ত্ৰৰ স্বাদ অনুভৱ কৰিব পাৰে।" মুখ্যমন্ত্ৰীয়ে স্পষ্ট কৰি দিয়ে যে বিজেপিয়ে বড়ো পিপলছ ফ্ৰণ্ট (বিপিএফ)ৰ মুৰব্বী হাগ্ৰামা মহিলাৰী আৰু ইউনাইটেড পিপলছ পাৰ্টি লিবাৰেল (ইউপিপিএল)ৰ সভাপতি প্ৰমোদ বড়োৰ বিৰুদ্ধে প্ৰাৰ্থী প্ৰক্ষেপ নকৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। তেওঁ কয়, "হাগ্ৰামা মহিলাৰী আৰু প্ৰমোদ বড়োৰ বিৰুদ্ধে প্ৰাৰ্থী থিয় নকৰোৱাৰ সিদ্ধান্ত বিজেপিয়ে আগতেই লৈছে। কিন্তু তেওঁলোকে কোন সমষ্টিত নিৰ্বাচনত অংশ ল'ব, সেয়া এতিয়াও নিশ্চিত হোৱা নাই।" তেওঁৰ এই মন্তব্যৰ পৰা স্পষ্ট যে বিজেপিয়ে বিটিআৰত ৰাজনৈতিক সৌহাৰ্দ্য বজাই ৰাখি নিৰ্বাচনী প্ৰক্ৰিয়াক অধিক গণতান্ত্ৰিক কৰাৰ পোষকতা কৰিছে। ভিলেজ কাউন্সিল ডেভেলপমেণ্ট কমিটি (ভিচিডিচি) ব্যৱস্থাৰ বিষয়ে মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে কয় যে বৰ্তমানৰ ভিচিডিচি ব্যৱস্থাৰ প্ৰতি জনসাধাৰণৰ সন্তুষ্টি নাই। তেওঁৰ মতে, হয় ভিচিডিচিৰ নিৰ্বাচন অনুষ্ঠিত হ'ব লাগে, নহ'লে এই ব্যৱস্থা সম্পূৰ্ণৰূপে বন্ধ কৰি দিয়া উচিত। তেওঁ কয়, "বিজেপিৰ লক্ষ্য হ'ব ভিচিডিচিৰ নিৰ্বাচন অনুষ্ঠিত কৰা, য'ত কোনো দলৰ প্ৰতীকৰ প্ৰয়োজন নহয়। ভাল মানুহ ভিচিডিচিৰ দায়িত্বত আহিব লাগে।" তেওঁৰ এই মন্তব্যৰ জৰিয়তে তেওঁ বিটিআৰৰ প্ৰশাসনিক ব্যৱস্থাত সংস্কাৰৰ প্ৰতি গুৰুত্ব আৰোপ কৰিছে। বিটিআৰত চৰকাৰ গঠনৰ ক্ষেত্ৰত বিজেপিৰ ভূমিকাৰ বিষয়ে মুখ্যমন্ত্ৰীয়ে কয়, "বিটিআৰত বিজেপিয়ে আটাইতকৈ শক্তিশালী ভূমিকা পালন কৰিব। আমি বিচাৰো যে বিটিআৰত এটা সুস্থিৰ চৰকাৰ গঠন হওক, যাৰ জৰিয়তে জনসাধাৰণে শান্তিৰে জীৱনযাপন কৰিব পাৰে।" কংগ্ৰেছৰ দৰে অন্যান্য দলৰ নিৰ্বাচনত অংশগ্ৰহণৰ বিষয়ে সোধা প্ৰশ্নৰ উত্তৰত তেওঁ কয় যে সকলো দলৰ অংশগ্ৰহণে নিৰ্বাচনক অধিক প্ৰতিযোগিতামূলক আৰু গণতান্ত্ৰিক কৰি তুলিব, যাৰ ফলত এটা সুস্থিৰ চৰকাৰ গঠন সম্ভৱ হ'ব। মুখ্যমন্ত্ৰীৰ বিৰুদ্ধে হানি ট্ৰেপিংৰ অভিযোগৰ বিষয়ে সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত তেওঁ কয়, "মই মোৰ দায়িত্ব পালন কৰি আছো। যিয়ে যি ষড়যন্ত্ৰই নকৰক, একো কৰিব নোৱাৰে। এইবিলাক আমাৰ সংস্কৃতিৰ অংশ নহয়, গতিকে এই বিষয়ে সুধিলে লাজ লাগে।" শৃংখল চলিহাৰ বিজেপিৰ এজেণ্ট হোৱাৰ অভিযোগৰ বিষয়ে অখিল গগৈৰ মন্তব্যক নস্যাৎ কৰি তেওঁ কয়, "মোৰ এইবিলাকৰ প্ৰতি মনোযোগ দিয়াৰ সময় নাই। কাক উচ্ছেদ কৰিব লাগে, সেয়া আমি চাইছো।" বিটিআৰত উচ্ছেদৰ প্ৰসঙ্গত তেওঁ কয় যে বৰ্তমান এই বিষয়ত আলোচনাৰ উপযুক্ত পৰিৱেশ নাই। তেওঁ লগতে উল্লেখ কৰে যে বিটিআৰত এটা বিশেষ সম্প্ৰদায়ৰ জনসংখ্যা দিনক দিনে বৃদ্ধি পাইছে, আৰু এই প্ৰসঙ্গত বড়ো সম্প্ৰদায়ৰ দীৰ্ঘদিনীয়া সংগ্ৰামৰ কথাও উত্থাপন কৰে। খিলঞ্জীয়া সম্প্ৰদায়ৰ হাতত অস্ত্ৰ প্ৰদানৰ বিষয়ে মুখ্যমন্ত্ৰীয়ে কয়, "আমাক বন্দুকৰ প্ৰয়োজন। বন্দুক নাথাকিলে দক্ষিণ শালমাৰা, মানকাচৰৰ দৰে অঞ্চল কেনেকৈ সুৰক্ষিত থাকিব?" এই মন্তব্যৰ জৰিয়তে তেওঁ অঞ্চলটোৰ নিৰাপত্তাৰ প্ৰতি গুৰুত্ব আৰোপ কৰিছে। সভাখনত মুখ্যমন্ত্ৰীৰ সৈতে ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়া, উপ-সভানেত্ৰী ৰেখাৰাণী দাস বড়ো, মন্ত্ৰী ৰণজিৎ কুমাৰ দাস আৰু বিধায়ক ফণী তালুকদাৰ উপস্থিত আছিল। এই সভাৰ জৰিয়তে মুখ্যমন্ত্ৰীয়ে বিটিআৰৰ নিৰ্বাচনী পৰিৱেশক অধিক গণতান্ত্ৰিক, সুস্থিৰ আৰু শান্তিপূৰ্ণ কৰি তোলাৰ বাবে বিজেপিৰ দৃষ্টিভংগী স্পষ্টভাৱে তুলি ধৰিছে। তেওঁৰ মন্তব্যই নিৰ্বাচনত সকলো দলৰ অংশগ্ৰহণৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব দিয়াৰ লগতে অঞ্চলটোৰ শান্তি আৰু উন্নয়নৰ প্ৰতি তেওঁৰ প্ৰতিশ্ৰুতি প্ৰতিফলিত কৰিছে।

## ৰেংমা সংৰক্ষিত বনাঞ্চলত

পদক্ষেপ হিচাপে আজি উৰিয়ামঘাটৰ সোণাৰিবিলত বৃহৎ পৰিসৰৰ বৃক্ষৰোপণ অভিযান আৰম্ভ হয়। ২০২৫ চনৰ ৩০ জুলাইৰ পৰা চলি থকা সফল উচ্ছেদ অভিযানৰ পিছতে এই পদক্ষেপ গ্ৰহণ কৰা হৈছে, য'ত সংৰক্ষিত বনাঞ্চলখনৰ প্ৰায় ১০ হাজাৰ বিঘাত বিস্তৃত প্ৰায় ৪ হাজাৰ অবৈধ গৃহ উচ্ছেদ কৰা হৈছিল। সোণাৰিবিলৰ পৰা আৰম্ভ হোৱা এই বৃক্ষৰোপণ কাৰ্যসূচী অন্যান্য পুনৰুদ্ধাৰ কৰা স্থানসমূহলৈ সম্প্ৰসাৰিত হ'ব, যাৰ লক্ষ্য হ'ব বন পৰিৱেশ তন্ত্ৰক সজীৱ কৰি তোলা আৰু ভূমিৰ দীৰ্ঘম্যাদী সুৰক্ষা নিশ্চিত কৰা। অনুষ্ঠানত বিশেষ মুখ্য সচিব এম. কে যাদৱ, গোলাঘাট জিলাৰ জিলা আয়ুক্ত, গোলাঘাটৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক, অতিৰিক্ত প্ৰধান মুখ্য বন সংৰক্ষক, অসম ডি আই জি, চি আৰ পি এফ, আৰু অসম বন বিভাগ, গোলাঘাট জিলা প্ৰশাসন, অসম আৰক্ষী আৰু চি আৰ পি এফৰ উচ্চপদস্থ বিষয়াৰ লগতে স্থানীয় জনগোষ্ঠীৰ লোকসকল উপস্থিত আছিল। অনুষ্ঠানৰ আৰম্ভণিতে বড়ো সম্প্ৰদায়ৰ সদস্যসকলে "বাথৌ আৰোছ" পৰিবেশন কৰে, তাৰ পিছত পৰম্পৰাগত বাগৰুম্বা নৃত্য পৰিবেশন কৰে। সাংস্কৃতিক খণ্ডৰ পিছত প্ৰায় ১৫, ০০০ উৰিয়াম গছৰ গছপুলি ৰোপণ কৰা হয়। সভাত ভাষণ দি বিশেষ মুখ্য সচিব এম.কে. যাদৱে কয় যে, ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত আৰু নগালেণ্ড চৰকাৰৰ সহযোগত ৰেংমা সংৰক্ষিত বনাঞ্চলত ১৪০০ হেক্টৰ মাটি মুকলি কৰা হৈছে। তেওঁ লগতে কয় যে পুনৰুদ্ধাৰ ভূমিত চলি থকা এই বৃক্ষৰোপণ অভিযান আগন্তুক ২৩ছেপ্টেম্বৰলৈকে চলি থাকিব। গোলাঘাটৰ জিলা আয়ুক্ত পুলক মহন্তই এই অনুষ্ঠানক উৰিয়ামঘাটৰ বাবে এক নতুন আৰম্ভণি বুলি অভিহিত কৰি আগন্তুক পাঁচ বছৰৰ ভিতৰত ইক'-টুৰিজিমৰ গন্তব্যস্থান হিচাপে অঞ্চলটো গণ্য হোৱাৰ সম্ভাৱনাক লৈ আশা প্ৰকাশ কৰে। বিস্তৃত ব্যৱস্থা, চৰকাৰী সংস্থা আৰু স্থানীয় জনগোষ্ঠীৰ সক্ৰিয় অংশগ্ৰহণেৰে অনুষ্ঠানটো সম্পন্ন কৰা হয়। স্থানীয় জনগোষ্ঠীয় সদস্যসকলে এই পদক্ষেপক আদৰণি জনাই বনাঞ্চলৰ ভূমি পুনৰুদ্ধাৰৰ ক্ষেত্ৰত আগবঢ়োৱা নেতৃত্বৰ বাবে মুখ্যমন্ত্ৰী গৰাকীক ধন্যবাদ জ্ঞাপন কৰে। তেওঁলোকে পুনৰ উদ্ধাৰ কৰা ভূমি সুৰক্ষিত কৰাৰ বাবে তেওঁলোকৰ অবিৰত সহযোগিতা আৰু ৰেংমা সংৰক্ষিত বনাঞ্চল সুৰক্ষিত কৰাৰ লক্ষ্যৰে ভৱিষ্যতে কৰা সকলো পদক্ষেপক সমৰ্থন কৰাৰ প্ৰতিশ্ৰুতি দিয়ে।

## প্ৰমোদ বড়োৰ আয়ুস মাত্ৰ

দলে আজি আবেলি ওদালগুৰি জিলাৰ ভেৰগাঁৱত মুদৈবৰী, খৈৰাবাৰী, ভেৰগাঁও, খালিংদুৱাৰ আৰু ননৈ চেৰফাংসহ পাঁচ পৰিষদীয় সমষ্টিক সামৰি দহ হাজাৰতকৈ অধিক বি পি এফৰ সমৰ্থকলৈ হাগ্ৰামা মহিলাৰীয়ে বিশাল আৰ্শীবাদ ৰেলী অনুষ্ঠিত কৰে। পাঁচোটা পৰিষদীয় সমষ্টিৰ পৰা অহা হাজাৰ হাজাৰ বি পি এফ দলৰ সমৰ্থকে হাতে হাতে বেনাৰ পষ্টাৰলৈ বি পি এফ লংলিফ ধ্বনিৰে আকাশ বতাহ কঁপাই তোলে। উক্ত বিশাল আৰ্শীবাদ ৰেলীত ইউ পি পি এলৰ ভেটি কঁপাই বি পি এফ প্ৰধান হাগ্ৰামা মহিলাৰীয়ে দলীয় সমৰ্থকক উদ্দেশ্যে প্ৰদান কৰা ভাষণত কয় যে এইবাৰ ইউ পি পি এল জিৰো হব। বিপি এফৰ নেতা কৰ্মীসকলক উৎসাহিত কৰি হাগ্ৰামা মহিলাৰীয়ে আৰু কয় যে প্ৰমোদ বড়োৰ আয়ু মাত্ৰ ৰপ্ত দিনহে। এই বাৰ বি টি চিত পুনৰ বি পি এফৰ চৰকাৰ হোৱাটো নিশ্চিত। ভাষণ প্ৰসংগত তেওঁ আৰু কয় যে সোতৰ বছৰ বি পি এফে বি টি চিত চৰকাৰ কৰি শান্তি উন্নয়ন আৰু প্ৰগতি আনিছে কিন্তু এই বিগত পাঁচ বছৰত প্ৰমোদ বড়োৱে শাসন কৰি বি টি চিত অশান্তিৰ বীজ সিচিছে। ৰাস্তাত স্পিড ব্ৰেকাৰৰ বাহিৰে কোনো উন্নয়নৰ কাম কৰিব নোৱাৰিলে। ৰাইজে দেখিব এইবাৰ নিৰ্বাচনত বি পি এফ এক নম্বৰত, বিজেপি দুই নম্বৰত আৰু ইউ পি পি এল তিনি নম্বৰত থাকিব। বি পি এফ নেতা লৌমশ্ৰাউ দৈমাৰী, দুৰ্গা দাস বড়ো, জগদীশ চৰকাৰ, বনজাৰ দৈমাৰী, কমলী বসুমতাৰী, ৰিঞ্জয় বড়ো ইত্যাদিকে ধৰি বহু কেইগৰাকী দলীয় নেতাই অংশগ্ৰহণ কৰা আৰ্শীবাদ ৰেলীৰ ৰাজহুৱা সভাত বি পি এফ দলে কোনো দলৰ লগত বুজা বুজি নকৰে, বি পি এফে নিজে অকলে নিৰ্বাচন খেলিব বুলিকৈ কালিৰ পৰা বি পি এফৰ হেলিকপ্টাৰ উৰিব, মাত্ৰা তেলটো ভৰাম নিৰ্বাচনৰ পাছত ভাৰাটো দিম বুলি ৰসিক মন্তব্য কৰে হাগ্ৰামা মহিলাৰীয়ে। সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত মহিলাৰীয়ে আৰু কয় যে আমি আঞ্চলিক দল একে লগে বিটিচিত চৰকাৰ বনাব লাগে বুলি মই অনুৰোধ কৰোঁতে মোৰ কথা শুনা নাছিল, এতিয়া সিহঁতে বিজেপি লগত বেয়াহৈ মোক লগলব বিচাৰিছে বুলি ইউ পি পি এলক কতাক্ষ কৰে হাগ্ৰামা মহিলাৰীয়ে। আন এক প্ৰশ্নৰ উত্তৰদি মহিলাৰীয়ে কয় এবচু এটা ছাত্ৰ সংগঠনহে বি পি এফৰ এটা ৰাজনৈতিক দলক কেনেকৈ বাৰা তাৰিখলৈ ডেডলাইন দিব পাৰে। ২০০৩ চনৰ ১০ ফেব্ৰুৱাৰী লৈকে বি টি চিত বসবাস কৰা সকলো বিটিচিৰ নাগৰিক। বিগত নিৰ্বাচনত বিপি এফ দলে ১৭খন আখন লাভ কৰাৰ পিছতো আমাক চৰকাৰ বনাব সুযোগনিদি লিলি হোটেলত ৰাতাৰাত কেনেকৈ ইউ পি পি এলে চৰকাৰ বনালে সেই কথা ৰাইজে পাহৰি যোৱা নাই।

## 'কা' জাপি দি ঐতিহাসিক

হিচাপে অংশগ্ৰহণ কৰে ঐতিহাসিক অসম আন্দোলনৰ শীৰ্ষ নেতা, জেসঠ অধিবক্তা তথা উজনি অসম মুছলিম কল্যাণ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ উপদেষ্টা নেকিবুৰ জামানে। কেইবাটাও জাতীয় আৰু জনগোষ্ঠীয় সংগঠনৰ নেতৃত্বৰ সৈতে অসমৰ সাম্প্ৰতিক পৰিস্থিতি সন্দৰ্ভত বিস্তৃত ভাৱে আলোচনা কৰাৰ পাছত অসম আন্দোলনৰ শীৰ্ষ নেতা নেকিবুৰ জামানে কয় যে, আহোমৰ সুদীৰ্ঘ কালৰ ৰাজধানী তথা অসমীয়া ভাষা সাহিত্যৰ সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ শিৱসাগৰে সদায় শান্তি সম্প্ৰীতি আৰু সমন্বয়ৰ বাৰ্তা বিলাই আহিছে। কিন্তু বৰ্তমান অসমীয়া জাতিৰ বৰঘৰ স্বৰূপ শিৱসাগৰৰ পৰাই এক অশুভ শক্তিয়ে সাম্প্ৰদায়িক বিষবাষ্প ছটিয়াই আমাৰ সাতামপুৰুষীয়া ঐক্য সম্প্ৰীতি বিনষ্ট কৰাৰ প্ৰচেষ্টা চলাইছে। ধৰ্মৰ নামত অসমীয়া সমাজখনক ভাগ ভাগ কৰাৰ প্ৰচেষ্টা বিফল কৰি শান্তিৰ বাৰ্তা বিলাবলৈ মই অসুস্থ শৰীৰে শিৱসাগৰলৈ দৌৰি আহিছোঁ। এই শিৱসাগৰতেই পিয়লি ফুকনে বগা বঙালৰ বিৰুদ্ধে বিদ্ৰোহ কৰি শ্বহীদ হৈছিল। আলফাৰ সশস্ত্ৰ সংগ্ৰামৰ পাতনিও মেলিছিল শিৱসাগৰতেই। সিংহপুৰুষ প্ৰনৱজিৎ চলিহা ওৰফে ৰমু চলিহাৰ নেতৃত্বত দুৰ্বল হৈ পৰা সদৌ অসম ছাত্ৰ সন্থাই শিৱসাগৰতেই পুনৰ প্ৰাণ পাই উঠিছিল। অসমীয়া ভাষা, মাধ্যম আৰু অসম আন্দোলনত কেইবা শতাধিক শ্বহীদ হ'ল। এই শ্বহীদসকলে ১৯৫১ চনৰ ভিত্তিবৰ্ষৰ বাবে প্ৰাণ বিসৰ্জন দিছিল। অৱশেষত অসম চুক্তি অনুসৰি ১৯৭১ চনক স্বীকৃতি প্ৰদান কৰা হ'ল। কিন্তু বিগত ৪০ বছৰে বাংলাদেশৰ সৈতে বিদেশী প্ৰত্যাৱৰ্তন চুক্তি কৰি বিদেশী বহিষ্কাৰ নকৰিলে এই চৰকাৰ সমূহে। বিপ্লৱ শৰ্মা প্ৰতিবেদনো কাৰ্যকৰী নহ'ল। এতিয়া বিজেপি চৰকাৰে "কা" আইন প্ৰৱৰ্তন কৰি ১৯১৪ চনলৈকে হিন্দু বিদেশীক কেৱল অসমতেই জাপি দি ঐতিহাসিক অসম চুক্তিকো অৱমাননা কৰিলে। বিজেপিৰ ১০ বছৰীয়া শাসনকালত অসমৰ ৫ টাকৈ থলুৱা মুছলমান জনগোষ্ঠীক খিলঞ্জীয়া বুলি স্বীকৃতি দিলে যদিও তেওঁলোকৰ বাবে আৰ্থ সামাজিক জৰীপৰ ব্যৱস্থা প্ৰতিশ্ৰুতি দিও পালন নকৰিলে। কংগ্ৰেছেও সুদীৰ্ঘ কাল এই খিলঞ্জীয়া মুছলমানক ভোট বেংক হিচাপে ব্যৱহাৰ প্ৰৱঞ্চনা কৰিলে। এতিয়া বিজেপি চৰকাৰেও গৰিয়া, মৰিয়াকে ধৰি ৫ জনগোষ্ঠীক সুকীয়া জৰীপ, বিশেষ সংৰক্ষণ আৰু জনগোষ্ঠীয় মৰ্যাদা প্ৰদান নকৰি দ্বিতীয় বাৰৰ বাবে প্ৰতাৰণা কৰিলে। বৰ্তমান একাংশ হিন্দু আৰু মুছলমানৰ উগ্ৰ সাম্প্ৰদায়িক চিন্তা চেতনাই এসময়ৰ শক্তিশালী অসমীয়া সমাজখনক থানবান কৰিছে। তদুপৰি বহু বছৰৰ পূৰ্বেই অসমীয়া জাতিটোৱে কৰ্মসংস্কৃতি পৰিহাৰ কৰি এটা কৰ্মবিমুখ জাতিত পৰিণত হৈছে। পৰনিৰ্ভৰশীল জাতি কেতিয়াও জীয়াই নাথাকে। আমাৰ শ্ৰমবিমুখ স্বভাৱৰ বাবেই নামনি অসমৰ মিঞা নামধাৰী শ্ৰমিকৰ আগমন ঘটিছে। এই ক্ষেত্ৰত খিলঞ্জীয়া মুছলমানসকল এতিয়া সজাগ আৰু সচেতন হোৱাৰ অৱশ্যক। ভাড়াঘৰত আশ্ৰয় লোৱা লোকসকলৰ প্ৰকৃত নাম ঠিকনা তথ্য আদি পৰীক্ষা কৰিহে ঘৰ ভাড়া দিয়া উচিত। ৮০ দশকত অসম আন্দোলনৰ বিৰোধিতাৰে জন্ম হোৱা আমছুৰ দৰে শক্তিকো ভালদৰে পৰ্যবেক্ষণ কৰা প্ৰয়োজন। ধৰ্মত মুছলমান হ'ল বুলিয়েই যিকোনো লোকে আমাৰ আত্মীয় হ'ব নোৱাৰে। আমি ধৰ্মান্ধ হৈ ধৰ্মৰ নামত অশুভ শক্তিক আঁকোৱালি ললে অসমীয়া জাতিৰ বিপদ অনিবাৰ্য। কিন্তু সুদীৰ্ঘ দিন ৰাজনৈতিক, অৰ্থনৈতিক অধিকাৰৰ পৰা বঞ্চিত হোৱাৰ পাছতো খিলঞ্জীয়া মুছলমানসকলে অসমীয়া জাতিৰ সুৰক্ষাৰ বাবে ঐক্যবদ্ধ সংগ্ৰাম অব্যাহত ৰাখিব বুলি নেকিবুৰ জামানে মত প্ৰকাশ কৰে। এই মত বিনিময় সভাত আহোম সেনাৰ কেন্দ্ৰীয় সভাপতি অংকুৰণ ফুকন, অসম ছাত্ৰ যুৱ সন্মিলনৰ কেন্দ্ৰীয় সভাপতি জিন্ত মেচ, আহোম ৰয়েল ছছাইটিৰ কেন্দ্ৰীয় সভাপতি কমলা ৰাজকোঁৱৰৰ উপৰিও গৰিয়া, মৰিয়া, চাহ জনগোষ্ঠী জলহা আৰু চৈয়দ জনগোষ্ঠীৰ নেতৃবৰ্গয়ো অংশগ্ৰহণ কৰে। এই মত বিনিময় সভাৰ পাছতেই নেকিবুৰ জামানে এখন সংবাদমেল সম্বোধন কৰে।

## ইউক্ৰেইনৰ সৈতে সংঘাত !

জৰিয়তে শান্তিৰ পথ মুকলি হ'ব বুলি আশা প্ৰকাশ কৰিছে। এই বৈঠকত আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্প আৰু ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাদিমিৰ পুটিনৰ মধ্যে আলোচনা হ'ব, য'ত ইউক্ৰেইনত চলি থকা সংঘাতৰ দীৰ্ঘম্যাদী নিষ্পত্তিৰ বিষয়ে গুৰুত্বপূৰ্ণ সিদ্ধান্ত লোৱাৰ সম্ভাৱনা আছে। শনিবাৰে বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰণধীৰ জয়ছোৱালে এক বিবৃতি জাৰি কৰি কয়, "ভাৰত এই বৈঠকক স্বাগত জনায়, যিয়ে ইউক্ৰেইনৰ সংঘাতৰ সমাধানৰ পথ প্ৰশস্ত কৰিব পাৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বাৰ্তা 'এয়া যুদ্ধৰ যুগ নহয়' পুনৰ প্ৰতিধ্বনিত কৰি আমি এই শান্তি প্ৰচেষ্টাক সমৰ্থন কৰিবলৈ প্ৰস্তুত।" বিবৃতিত লিখা হৈছে, "২০২৫ চনৰ ১৫ আগষ্টত আলাস্কাত আমেৰিকা আৰু ৰাছিয়াৰ মধ্যে হ'বলগীয়া এই বৈঠক শান্তিৰ সম্ভাৱনা মুকলি কৰাৰ এক গুৰুত্বপূৰ্ণ পদক্ষেপ। ভাৰত এই আলোচনাক সমৰ্থন কৰে আৰু সংঘাত নিষ্পত্তিৰ যিকোনো প্ৰচেষ্টাত সহযোগিতাৰ হাত আগবঢ়ায়।" আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে শুকুৰবাৰে ঘোষণা কৰে যে তেওঁ আলাস্কাত ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাদিমিৰ পুটিনৰ সৈতে সাক্ষাৎ কৰিব। তেওঁ ইউক্ৰেইনৰ সংঘাতৰ সমাধানৰ বাবে মস্কো আৰু কিয়েভৰ মধ্যে এক সম্ভাব্য চুক্তিৰ কথা উল্লেখ কৰি পৰামৰ্শ দিয়ে যে, এই চুক্তিত ভূখণ্ডৰ বিনিময় জড়িত হ'ব পাৰে। ট্ৰাম্পে সামাজিক মাধ্যমত লিখে, "আমেৰিকাৰ ৰাষ্ট্ৰপতি হিচাপে মোৰ আৰু ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভলাদিমিৰ পুটিনৰ মধ্যে এই বৈঠক ১৫ আগষ্ট ২০২৫ত আলাস্কাত অনুষ্ঠিত হ'ব। এই বৈঠকৰ জৰিয়তে আমি ইউক্ৰেইন সংঘাতৰ সমাধানৰ দিশত গুৰুত্বপূৰ্ণ পদক্ষেপ ল'বলৈ আশাবাদী।" ক্ৰেমলিনে এই শীৰ্ষ সন্মিলনৰ কথা নিশ্চিত কৰি এই পদক্ষেপক যুক্তিসংগত বুলি অভিহিত কৰিছে। ক্ৰেমলিনৰ সহায়ক যুৰি উছাকোভে টেলিগ্ৰামত প্ৰকাশিত এক বিবৃতিত কয়, "ৰাষ্ট্ৰপতি ট্ৰাম্প আৰু পুটিনৰ মধ্যে এই আলোচনা ইউক্ৰেইনৰ সংকটৰ দীৰ্ঘম্যাদী শান্তিপূৰ্ণ সমাধানৰ বিকল্পসমূহৰ ওপৰত কেন্দ্ৰীভূত হ'ব।" ২০২২ চনৰ ফেব্ৰুৱাৰীত ৰাছিয়াৰ ইউক্ৰেইন আক্ৰমণৰ পিছত লাখ লাখ মানুহ নিজৰ ঘৰ-বাৰী এৰি পলায়ন কৰিবলৈ বাধ্য হৈছিল, যাৰ ফলত এই সংঘাত বিশ্বৰ গুৰুত্বপূৰ্ণ ভূ-ৰাজনৈতিক বিষয় হৈ পৰিছে। শীৰ্ষ সন্মিলনৰ পূৰ্বে পুটিনে শুকুৰবাৰে ভাৰত আৰু চীনৰ নেতাসকলৰ সৈতে আলোচনা কৰে, য'ত সংঘাত নিষ্পত্তিৰ বিষয়ে বিস্তৃত আলোচনা হয়। ভাৰতে এই সংঘাতৰ সমাধানৰ বাবে কূটনৈতিক পথৰ ওপৰত সদায় গুৰুত্ব দি আহিছে। প্ৰধানমন্ত্ৰী মোদীৰ 'যুদ্ধৰ যুগ নহয়' বুলি বাৰ্তাই বিশ্ব মঞ্চত ভাৰতৰ শান্তিৰ প্ৰতি দায়বদ্ধতা প্ৰতিফলিত কৰে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ মুখপাত্ৰই কয়, "ভাৰত এই বৈঠকৰ ফলাফলৰ প্ৰতি আশাবাদী আৰু ইউক্ৰেইনত শান্তি প্ৰতিষ্ঠাৰ বাবে যিকোনো গঠনমূলক প্ৰচেষ্টাক সমৰ্থন কৰিব।" এই বৈঠকৰ ফলাফলৰ ওপৰত বিশ্বৰ দৃষ্টি নিবদ্ধ হৈ আছে, কাৰণ ইউক্ৰেইন সংঘাতে বিশ্বৰ অৰ্থনৈতিক আৰু ভূ-ৰাজনৈতিক স্থিতিশীলতাত গভীৰ প্ৰভাৱ পেলাইছে। ৰাছিয়া আৰু আমেৰিকাৰ মধ্যে এই আলোচনাৰ জৰিয়তে সংঘাতৰ সমাধানৰ এক নতুন পথৰ সূচনা হ'ব পাৰে বুলি আন্তঃৰাষ্ট্ৰীয় পৰ্যবেক্ষকসকলে মত প্ৰকাশ কৰিছে। ভাৰতৰ সমৰ্থনে এই বৈঠকৰ গুৰুত্বক আৰু অধিক জোৰদাৰ কৰিছে।

## গণেশগুৰিৰ ইউনিছেক্স

মাজতে আৰক্ষীয়ে মহানগৰীৰ মাজমজিয়াত আন এটা নাৰীদেহ ব্যৱসায়ৰ ঘাটি উৎখাত কৰিছে। গণেশগুৰিৰ "লুকছ" নামৰ এখন ইউনিছে' চেলুনত শনিবাৰ নিশা দিছপুৰ থানাৰ আৰক্ষীয়ে অভিযান চলাই তিনিজনক গ্ৰেপ্তাৰ কৰে। গ্ৰেপ্তাৰ হোৱা ব্যক্তিসকলৰ ভিতৰত আছে চেলুনৰ কেয়াৰটেকাৰ বামুণীমৈদামৰ এগৰাকী মহিলা, পল্টন বজাৰৰ বিক্ৰম ঠাকুৰ (৪৩) আৰু ৰঙিয়াৰ চামছুল হক (২৮)। উপ আৰক্ষী আয়ুক্ত মৃণাল ডেকাই সংবাদ মাধ্যমৰ আগত জনোৱা মতে, শনিবাৰে গোপন সূত্ৰৰ পৰা পোৱা খবৰৰ ভিত্তিত এই অভিযান চলোৱা হৈছিল। তেওঁ কয়, "আমি জানিব পাৰিছিলো যে গণেশগুৰিৰ লুকছ চেলুনত দেহ ব্যৱসায় চলি আছে। সেই অনুসৰি অভিযান চলাই চেলুনৰ কেয়াৰটেকাৰৰ লগতে এজন গ্ৰাহক আৰু এজন সহায়কক গ্ৰেপ্তাৰ কৰা হৈছে। তিনিগৰাকী ভুক্তভোগীকো উদ্ধাৰ কৰা হৈছে। অভিযানৰ সময়ত চেলুনৰ পৰা আপত্তিজনক সামগ্ৰী উদ্ধাৰ কৰা হৈছে।" তেওঁ আৰু জানিবলৈ দিয়ে যে এনে অবৈধ কাৰ্যকলাপৰ বিৰুদ্ধে আৰক্ষীৰ তৎপৰতা অব্যাহত আছে আৰু ভৱিষ্যতেও এনে তথ্য পোৱা মাত্ৰই কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব। ইতিমধ্যে মহানগৰীৰ বিভিন্ন স্থানত একাধিক দেহ ব্যৱসায়ৰ চক্ৰ উৎখাত কৰা হৈছে। জয়ানগৰৰ বাপ্তিষ্ট ইন গেষ্ট হাউছত চলা এনে এক নিষিদ্ধ ব্যৱসায়ৰ কথা ফোন ৰেকৰ্ডিংৰ জৰিয়তে পোহৰলৈ আহিছিল। বশিষ্ঠ থানাৰ আৰক্ষীয়ে এই ঘটনাৰ সৈতে জড়িত কেইবাগৰাকী যুৱতীৰ লগতে ব্যৱসায়ৰ মূলচালকসকলক গ্ৰেপ্তাৰ কৰিছে। অন্য এটা ঘটনাত, বৃহস্পতিবাৰ নিশা পল্টন বজাৰ আৰক্ষীয়ে বৰা ছাৰ্ভিচৰ হোটেল বিলাসত অভিযান চলাই হোটেলৰ মেনেজাৰ সীমান্ত বৰা আৰু মালিক কিৰণ গগৈক গ্ৰেপ্তাৰ কৰে। এই হোটেলখনতো দেহ ব্যৱসায়ৰ গোপন কাৰ্যকলাপ চলি থকাৰ তথ্য পোহৰলৈ আহিছে। গুৱাহাটী মহানগৰীৰ গেষ্ট হাউছ, হোটেল আৰু এতিয়া চেলুনৰ দৰে স্থানত এনে নিষিদ্ধ ব্যৱসায়ৰ উত্থানে সমাজত তীব্ৰ চৰ্চাৰ সৃষ্টি কৰিছে। আৰক্ষীৰ নিয়মীয়া অভিযানৰ জৰিয়তে এই চক্ৰসমূহৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে যদিও এনে কাৰ্যকলাপ সম্পূৰ্ণৰূপে নিৰ্মূল কৰাটো এতিয়াও এক প্ৰত্যাহ্বান হৈয়ে আছে।

## নিৰ্বাচন আয়োগৰ ৬৫

তালিকাৰ পৰা বাদ পৰা ৬৫ লাখৰো অধিক ভোটাৰৰ সবিশেষ তথ্য প্ৰকাশ কৰিবলৈ অস্বীকাৰ কৰাত ইণ্ডিয়া ব্লক তীব্ৰ ক্ষোভ প্ৰকাশ কৰিছে। বিৰোধী জোটৰ অভিযোগ, নিৰ্বাচন আয়োগ নিজৰ ইচ্ছা অনুসৰি কাম কৰি বিহাৰৰ আগন্তুক বিধানসভা নিৰ্বাচনৰ পূৰ্বে ভোটাৰ তালিকাৰ স্বচ্ছতাৰ প্ৰতি গুৰুতৰ প্ৰশ্ন উত্থাপন কৰিছে। এই পৰিস্থিতিয়ে বিৰোধী দলসমূহৰ মাজত হতাশাৰ সৃষ্টি কৰাৰ লগতে জনসাধাৰণৰ মাজতো সন্দেহৰ সৃষ্টি কৰিছে। ইণ্ডিয়া ব্লকৰ মতে, বিহাৰৰ বিশেষ সংশোধনী প্ৰক্ৰিয়া (এছ আই আৰ)ৰ পিছত খচৰা ভোটাৰ তালিকাৰ পৰা বাদ পৰা ৬৫, ৬৪, ০৭৫ গৰাকী ভোটাৰৰ সবিশেষ তথ্য প্ৰকাশ নকৰিলে ৰাজনৈতিক দলসমূহৰ বাবে এই ভোটাৰসকলক চিনাক্ত কৰি তেওঁলোকৰ নাম চূড়ান্ত তালিকাত অন্তৰ্ভুক্ত কৰাটো অত্যন্ত কঠিন হ'ব। এই তালিকাৰ পৰা বাদ পৰা ভোটাৰসকলৰ ভিতৰত ২২, ৩৪, ৫০১জন মৃত, ৩৬, ২৮, ২১০জন অনুপস্থিত বা স্থানান্তৰিত, আৰু ৭, ০১, ৩৬৪ জনৰ নাম একাধিক স্থানত পঞ্জীয়নৰ কাৰণে বাদ দিয়া হৈছে বুলি নিৰ্বাচন আয়োগে দাবী কৰিছে। কিন্তু এই তথ্যৰ স্বচ্ছতাৰ অভাৱত ছেপ্টেম্বৰ মাহত প্ৰকাশিত হ'বলগীয়া চূড়ান্ত ভোটাৰ তালিকাৰ পৰা বহু দৰিদ্ৰ আৰু প্ৰান্তীয় সম্প্ৰদায়ৰ ভোটাৰ বঞ্চিত হ'ব পাৰে, যিখন তালিকা নৱেম্বৰত অনুষ্ঠিত বিহাৰৰ ২৪৩খন বিধানসভা আসনৰ নিৰ্বাচনৰ ভিত্তি হিচাপে কাম কৰিব। জুন মাহত আৰম্ভ হৈ ২৫ জুলাইত সম্পূৰ্ণ হোৱা বিহাৰৰ বিশেষ সংশোধনী প্ৰক্ৰিয়া (এছ আই আৰ)ৰ প্ৰকৃত উদ্দেশ্যক লৈ ইণ্ডিয়া ব্লকে সন্দেহ প্ৰকাশ কৰিছে। নিৰ্বাচন আয়োগৰ তথ্য অনুসৰি, বিহাৰৰ মুঠ ৭.৯ কোটি ভোটাৰৰ ভিতৰত ৭.২ কোটিয়ে গণনা প্ৰ-পত্ৰ দাখিল কৰিছিল। কিন্তু বাকী ৬৫ লাখৰো অধিক ভোটাৰৰ নাম তালিকাৰ পৰা বাদ দিয়া হৈছে, যাৰ সবিশেষ তথ্য প্ৰকাশৰ বাবে আয়োগে কোনো বাধ্যবাধকতা নাই বুলি উচ্চতম ন্যায়ালয়ত জনাইছে। ইণ্ডিয়া ব্লকৰ অভিযোগ, বিজেপিৰ নিৰ্দেশত নিৰ্বাচন আয়োগে এই প্ৰক্ৰিয়া পৰিচালনা কৰিছে, যাৰ মূল লক্ষ্য আগন্তুক নিৰ্বাচনত শাসকীয় দলৰ জয় নিশ্চিত কৰা। এআইচিচিৰ বিহাৰৰ ভাৰপ্ৰাপ্ত সচিব সুশীল পাছিয়ে কয়, "নিৰ্বাচন আয়োগে কোনো যুক্তিসংগত অনুৰোধৰ প্ৰতি গুৰুত্ব দিয়া নাই। তেওঁলোকে ইচ্ছাকৃতভাৱে স্বচ্ছতাৰ পৰা আঁতৰি আছে। ৬৫ লাখ ভোটাৰৰ তথ্য প্ৰকাশৰ পৰা বিৰত থকাৰ কাৰণ বুজি পোৱা নাযায়। এনে লাগে যেন আয়োগে কিবা গোপন কৰিবলৈ চেষ্টা কৰিছে। এই ভোটাৰসকলৰ তথ্য ৰাজনৈতিক দলৰ সৈতে শ্বেয়াৰ কৰাৰ কোনো কাৰণ নাই নেকি? এইসকল সাধাৰণ ভোটাৰ, যিসকলে পূৰ্বৰ নিৰ্বাচনত অংশগ্ৰহণ কৰিছিল।" কংগ্ৰেছৰ মিত্ৰ আৰু বিহাৰৰ মূল বিৰোধী দল ৰাষ্ট্ৰীয় জনতা দল (আৰজেডি)ৰ নেতা এ ডি সিঙে কয়, "নিৰ্বাচন আয়োগে কেৱল ৬৫ লাখ ভোটাৰৰ সংখ্যা প্ৰকাশ কৰিছে, কিন্তু কোনো সবিশেষ তথ্য দিয়া নাই। এতিয়া আমি এই ভোটাৰসকলক ক'ত বিচাৰি পাম? সীমিত সময়ৰ ভিতৰত আপত্তি দাখিল কৰিলেও তেওঁলোকৰ নাম তালিকাত অন্তৰ্ভুক্ত হ'ব বুলি কি নিশ্চয়তা আছে? এনে পৰিস্থিতিত নিৰ্বাচন আয়োগে বিজেপিৰ স্বাৰ্থত ভোটাৰ তালিকাৰ পৰা নাম আঁতৰাইছে বুলি সন্দেহ হয়।" ইণ্ডিয়া ব্লকৰ নেতা ৰাহুল গান্ধী আৰু তেজস্বী যাদৱে এই বিতৰ্কৰ বিষয়ে জনসচেতনতা বৃদ্ধিৰ লক্ষ্যৰে ১৭ আগষ্টৰ পৰা দেশজুৰি এক যাত্ৰা আৰম্ভ কৰাৰ পৰিকল্পনা কৰিছে। এই যাত্ৰাৰ জৰিয়তে তেওঁলোকে বিজেপিৰ 'মিথ্যাচাৰ' উদঙাই দিয়াৰ লগতে এছ আই আৰৰ প্ৰকৃত উদ্দেশ্যৰ প্ৰতি জনসাধাৰণৰ দৃষ্টি আকৰ্ষণ কৰিব। নিৰ্বাচন আয়োগে উচ্চতম ন্যায়ালয়ত জনোৱাৰ মতে, ভোটাৰ তালিকাৰ পৰা বাদ পৰা ব্যক্তিসকলৰ তথ্য প্ৰকাশৰ কোনো আইনী বাধ্যবাধকতা নাই। এই অৱস্থানক ইণ্ডিয়া ব্লকে 'অস্বচ্ছ' আৰু 'গণতান্ত্ৰিক নীতিৰ পৰিপন্থী' বুলি সমালোচনা কৰিছে। সুশীল পাছিয়ে কয়, "নিৰ্বাচন আয়োগৰ এই অৱস্থান কেৱল বিহাৰৰ নহয়, সমগ্ৰ দেশৰ জনসাধাৰণৰ মাজত সন্দেহৰ সৃষ্টি কৰিছে। ৰাহুল গান্ধীৰ কৰ্ণাটকৰ ভোটাৰ তালিকাৰ বিষয়ে প্ৰকাশৰ পিছত জনসাধাৰণে এছ আই আৰৰ স্বচ্ছতাৰ প্ৰতি প্ৰশ্ন তুলিছে। আগন্তুক যাত্ৰাই এনডিএৰ স্বাৰ্থত কাম কৰা নিৰ্বাচন আয়োগৰ কাৰ্যকলাপৰ বিৰুদ্ধে জনমত গঢ়ি তুলিব।" ইণ্ডিয়া ব্লকে এছ আই আৰৰ বিৰুদ্ধে দেশজুৰি আপত্তি পঞ্জীয়নৰ এক অভিযান আৰম্ভ কৰিছে। কিন্তু নিৰ্বাচন আয়োগৰ তথ্য প্ৰকাশৰ অস্বীকৃতিয়ে এই প্ৰক্ৰিয়াক জটিল কৰি তুলিছে। এ ডি সিঙে কয়, "এই পৰিস্থিতি ন্যায্য নিৰ্বাচনৰ পৰিৱেশৰ পৰিপন্থী। আমাৰ আশংকা, খচৰা তালিকাত বাদ পৰা ভোটাৰৰ সংখ্যা প্ৰকৃততে ঘোষিত সংখ্যাতকৈ বহু বেছি হ'ব পাৰে। আমি এই প্ৰক্ৰিয়াৰ বিৰুদ্ধে সকলো সম্ভৱ পদক্ষেপ গ্ৰহণ কৰিম।" ইণ্ডিয়া ব্লকৰ নেতাসকলে উচ্চতম ন্যায়ালয়ৰ পৰা এই বিষয়ত হস্তক্ষেপৰ আশা কৰিছে। তেওঁলোকৰ মতে, নিৰ্বাচন আয়োগৰ স্বচ্ছতাৰ অভাৱে বিহাৰৰ নিৰ্বাচনী প্ৰক্ৰিয়াৰ ন্যায্যতাৰ ওপৰত প্ৰশ্নৰ সৃষ্টি কৰিছে, যাৰ ফলত গণতান্ত্ৰিক প্ৰক্ৰিয়া ক্ষতিগ্ৰস্ত হ'ব পাৰে।

## জলসম্পদ বিভাগত ভুৱা

অভিযোগ উঠিছে। ফেব্ৰুৱাৰী মাহত এই কেলেংকাৰী পোহৰলৈ আহে যেতিয়া বিভাগটোৰ বিভিন্ন সংমণ্ডললৈ ভুৱা নিযুক্তি লৈ প্ৰাৰ্থীসকল আহিছিল আৰু বাতৰি প্ৰকাশ পোৱাৰ পিছতে মুখ্য অভিযন্তাৰ কাৰ্যালয়ে এজাহাৰ দাখিল কৰিছিল। তদন্তত প্ৰকাশ পাইছে যে এজন অভিযুক্তই নিয়মিতভাৱে বিটিচিৰ নিৰ্বাচনী প্ৰাৰ্থীৰ একাউণ্টত যথেষ্ট পৰিমাণৰ ধন জমা দিছিল। অভিযোগ অনুসৰি, পিছৰজনে ধনৰ বিনিময়ত সন্দেহহীন আকাংক্ষীসকলক জাল নিযুক্তি পত্ৰ বিতৰণ কৰিছিল। চিআইডিৰ এজন বিষয়াই নিশ্চিত কৰে যে এতিয়ালৈকে মুঠ ছয়জন অভিযুক্তক চিনাক্ত কৰি গ্ৰেপ্তাৰ কৰা হৈছে। চক্ৰটোৰ সৈতে জড়িত আন লোকৰ সন্ধানৰ বাবে তদন্ত অব্যাহত আছে। এই গ্ৰেপ্তাৰৰ ফলত এই চক্ৰটো বিচ্ছিন্ন কৰা এক উল্লেখযোগ্য পদক্ষেপ হিচাপে চিহ্নিত হৈছে, যিটোৱে ৰাজ্যজুৰি বহু চাকৰি প্ৰত্যাশীক প্ৰতাৰণা কৰা হ'ব পাৰে বুলি কৰ্তৃপক্ষই আশংকা কৰিছে।

## নইডা আৰু দিল্লীৰ পৰা

আৰক্ষীয়ে লোক দুজনৰ পৰা ১৮০০০ টকাৰ নকল নোট উদ্ধাৰ কৰে। আৰক্ষীয়ে চোৰাংচোৱা তথ্যৰ ভিত্তিত অভিযান চলাই বেহাৰবাৰীৰ অডি শ্ব'ৰুমৰ ওচৰত এখন DL4C AX 0800 নম্বৰৰ হ্যুণ্ডাই i20 গাড়ী ৰখাই পৰীক্ষা কৰাৰ পাছত ৩৬ খন নকল ৫০০ টকীয়া নোট আৰু দুটা মোবাইল ফোন উদ্ধাৰ কৰে। গ্ৰেপ্তাৰ কৰা লোক দুজন ক্ৰমে থৌবাল জিলাৰ লিলঙৰ বাসিন্দা ২১ বছৰীয়া ৰাছিম ৰাংমায়ুম আৰু ইম্ফলৰ মন্ত্ৰিখঙৰ ২৫ বছৰীয়া ছামুৰাইলাটপম প্ৰসান্ত শৰ্মা বুলি চিনাক্ত কৰা হৈছে। প্ৰাথমিক অনুসন্ধানৰ পৰা জানিব পৰা গৈছে যে নইডা আৰু দিল্লীৰ পৰা নকল নোট গুৱাহাটীত সলনি কৰাৰ উদ্দেশ্যেৰে আনিছিল। ঘটনা সন্দৰ্ভত আৰক্ষীয়ে জাল নোটৰ ৰেকেট আৰু এই ৰেকেটৰ সৈতে জড়িত আন অপৰাধীক চিনাক্ত কৰাৰ বাবে অনুসন্ধান চলি আছে বুলি জানিবলৈ দিয়ে।

## চামগুৰিত মিঞা যুৱকৰ

তিলক দাসে যুৱকজনক খেদি পথাবলৈ চেষ্টা কৰোঁতেই তিলক দাসক আক্ৰমণ কৰে মিঞা ছাদ্দাম হুছেইনে। আক্ৰমণৰ ফলত আঘাতপ্ৰাপ্ত হয় তিলক দাস। ছাদ্দাম হুছেইনে ঘটনা সংঘটিত কৰি পলায়ন কৰে যদিও তিলক দাসৰ চিনাকি লোকে খেদি খেদি সোণাৰিবালিৰ পৰা ধৰি আনি গটাই দিয়ে চামগুৰি আৰক্ষীক। ঘটনা সন্দৰ্ভত তিলক দাসে চামগুৰি আৰক্ষীক ইতিমধ্যে দাখিল কৰিছে এখন এজাহাৰ। সম্প্ৰতি মিঞা মুছলমান যুৱক ছাদ্দাম হুছেইন চামগুৰিৰ আৰক্ষীৰ জিম্মাত। এই ঘটনাৰ পাছতেই চামগুৰিত সৃষ্টি হৈছে তীব্ৰ প্ৰতিক্ৰিয়াৰ। উল্লেখ্য যে, পহিলা আগষ্টৰ দিনাও চামগুৰি থানাৰ অন্তৰ্গত বাঘবৰালি গাঁৱত অনলাইন ডেলিভাৰী কৰা এজন অসমীয়া যুৱকক মিঞা সম্প্ৰদায়ৰ এজন যুৱকে প্ৰহাৰ কৰা ঘটনাক কেন্দ্ৰ কৰি প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছিল।

## আকাশমাৰ্গ বন্ধৰ সিদ্ধান্তৰ

নিজৰ আকাশমাৰ্গ বন্ধ কৰাৰ সিদ্ধান্ত লৈছিল, যাৰ ফলত দেশখনে এতিয়া বিপুল আৰ্থিক লোকচানৰ সন্মুখীন হৈছে। পাকিস্তানৰ সংবাদ মাধ্যমৰ তথ্য অনুসৰি, এই সিদ্ধান্তৰ ফলত দুমাহৰ ভিতৰত পাকিস্তানে প্ৰায় ১২৪০ কোটি টকা (৪.১ বিলিয়ন পাকিস্তানী ৰুপী)ৰ লোকচানৰ সন্মুখীন হৈছে। পাকিস্তানৰ ৰাষ্ট্ৰীয় সংসদত শুকুৰবাৰে এই বিষয়ে আলোচনাৰ সময়ত প্ৰতিৰক্ষা মন্ত্ৰালয়ে স্বীকাৰ কৰিছে যে, ভাৰতীয় বিমানৰ বাবে আকাশমাৰ্গ বন্ধ কৰাৰ সিদ্ধান্তৰ ফলত দেশৰ বিমান চলাচল খণ্ডত গুৰুতৰ ক্ষতি হৈছে। পাকিস্তানৰ সংবাদ মাধ্যম ড'নৰ প্ৰতিবেদন অনুসৰি, ২৪ এপ্ৰিলৰ পৰা ৩০ জুনৰ ভিতৰত পাকিস্তান বিমানবন্দৰ কৰ্তৃপক্ষৰ (পিএএ) বিমান ভাড়াৰ আয় অস্বাভাৱিকভাৱে হ্ৰাস পাইছে। এই সময়ছোৱাত প্ৰতিদিন ১০০-১৫০খন ভাৰতীয় বিমানৰ উৰণ প্ৰভাৱিত হৈছে, যাৰ ফলত পাকিস্তানৰ বিমান যাতায়াত ২০ শতাংশ হ্ৰাস পাইছে। মন্ত্ৰালয়ৰ তথ্য অনুসৰি, ২০১৯ চনত পাকিস্তান এয়াৰৱেজৰ গড় দৈনিক ওভাৰফ্লাইট ৰাজহ আছিল ৫০৮, ০০০ ডলাৰ, যিটো ২০২৫ চনত বৃদ্ধি পাই ৭৬০, ০০০ ডলাৰ হ'বলৈ ধৰিছিল। কিন্তু ভাৰতীয় বিমানৰ উৰণৰ ওপৰত নিষেধাজ্ঞাৰ ফলত এই সম্ভাব্য আয়ৰ এক বৃহৎ অংশ হেৰাই গৈছে। প্ৰতিৰক্ষা মন্ত্ৰালয়ে এই লোকচানক 'ৰাষ্ট্ৰীয় সাৰ্বভৌমত্ব আৰু প্ৰতিৰক্ষা'ৰ স্বাৰ্থত ন্যায্য বুলি দাবী কৰিলেও, বিষয়াসকলে এই পদক্ষেপক 'কৌশলগত আৰু কূটনৈতিক' কাৰণৰ জৰিয়তে বৈধতা প্ৰদানৰ চেষ্টা বুলি উল্লেখ কৰিছে। ২২ এপ্ৰিলৰ পহলগামৰ সন্ত্ৰাসবাদী আক্ৰমণৰ পিছত ভাৰতে সিন্ধু জল সন্ধি স্থগিত কৰাৰ সিদ্ধান্ত লৈছিল, যাক পাকিস্তানে প্ৰতিশোধমূলকভাৱে ভাৰতীয় বিমানৰ বাবে নিজৰ আকাশমাৰ্গ বন্ধ কৰি সঁহাৰি জনাইছিল। ২৪ এপ্ৰিলৰ পৰা পাকিস্তানে ভাৰতীয় পঞ্জীয়নভুক্ত সকলো বিমান, য'ত ভাৰতীয় বিমান সংস্থাৰ পৰিচালিত বা লিজত থকা বিমানো অন্তৰ্ভুক্ত, তাৰ উৰণৰ অনুমতি প্ৰত্যাহাৰ কৰিছিল। এই নিষেধাজ্ঞা দুবাৰকৈ বৃদ্ধি কৰা হৈছে আৰু বৰ্তমান আগষ্টৰ শেষ সপ্তাহলৈকে বলবৎ আছে। ইয়াৰ প্ৰতিক্ৰিয়া হিচাপে ভাৰতেও পাকিস্তানৰ পৰিচালিত, মালিকানাধীন বা লিজত থকা সকলো বিমানৰ বাবে ভাৰতীয় আকাশমাৰ্গত প্ৰৱেশ নিষিদ্ধ কৰিছে। ভাৰতৰ অসামৰিক বিমান পৰিবহণৰ ৰাজ্যিক মন্ত্ৰী মুৰলীধৰ মোহলে জনোৱা মতে, এই নিষেধাজ্ঞা ২৩ আগষ্ট ২০২৫লৈকে চলি থাকিব। ভাৰতীয় বিমান সংস্থাসমূহৰ আন্তঃৰাষ্ট্ৰীয় পথত এই নিষেধাজ্ঞাৰ কোনো প্ৰভাৱ পৰা নাই, কাৰণ তেওঁলোকে বিকল্প পথ ব্যৱহাৰ কৰিছে। পাকিস্তানৰ এই সিদ্ধান্তৰ ফলত দেশখনৰ বিমান চলাচল খণ্ডত উল্লেখযোগ্য ক্ষতি হৈছে। পাকিস্তান বিমানবন্দৰ কৰ্তৃপক্ষৰ তথ্য অনুসৰি, ভাৰতীয় বিমানৰ উৰণ বন্ধ হোৱাৰ ফলত ওভাৰফ্লাইট ৰাজহৰ যথেষ্ট হ্ৰাস ঘটিছে। এই আৰ্থিক লোকচানে পাকিস্তানৰ ইতিমধ্যে দুৰ্বল অৰ্থনীতিত অতিৰিক্ত চাপৰ সৃষ্টি কৰিছে। পাকিস্তানৰ সংসদত এই বিষয়ে তীব্ৰ আলোচনা হৈছে, য'ত বিৰোধী সাংসদসকলে এই সিদ্ধান্তৰ যৌক্তিকতাৰ প্ৰতি প্ৰশ্ন উত্থাপন কৰিছে। ২২ এপ্ৰিলৰ পহলগামৰ সন্ত্ৰাসবাদী আক্ৰমণক ভাৰতে পাকিস্তানৰ পৃষ্ঠপোষকতাত সংঘটিত বুলি অভিযোগ কৰিছিল, যাৰ পিছত ভাৰতে সিন্ধু জল সন্ধি স্থগিত কৰাৰ সিদ্ধান্ত লৈছিল। এই সন্ধিৰ স্থগিতকৰণে দুয়োখন দেশৰ মধ্যে উত্তেজনা বৃদ্ধি কৰিছিল, আৰু পাকিস্তানৰ আকাশমাৰ্গ বন্ধৰ সিদ্ধান্ত এই উত্তেজনাৰ প্ৰতিফলন। কিন্তু এই প্ৰতিশোধমূলক পদক্ষেপে পাকিস্তানৰ নিজৰ অৰ্থনৈতিক স্বাৰ্থৰ ওপৰত নেতিবাচক প্ৰভাৱ পেলাইছে। পাকিস্তানৰ প্ৰতিৰক্ষা মন্ত্ৰালয়ে এই নিষেধাজ্ঞাক ৰাষ্ট্ৰীয় স্বাৰ্থৰ পক্ষত গ্ৰহণ কৰা বুলি দাবী কৰিলেও, বিশে-যকসকলে মনে কৰে যে এই সিদ্ধান্তৰ দীৰ্ঘম্যাদী পৰিণতি পাকিস্তানৰ অৰ্থনীতিৰ বাবে ক্ষতিকাৰক হ'ব পাৰে। আন্তঃৰাষ্ট্ৰীয় বিমান সংস্থাসমূহে পাকিস্তানৰ আকাশমাৰ্গ এৰাই চলাৰ ফলত বিকল্প পথৰ ব্যৱহাৰ বৃদ্ধি পাইছে, যাৰ ফলত পাকিস্তানৰ আয়ৰ উৎস আৰু ক্ষতিগ্ৰস্ত হ'ব পাৰে।

## প্ৰধানমন্ত্ৰী, গৃহমন্ত্ৰীৰ

স্বাধীনতা দিৱস উদযাপন কৰাৰ বাবে আৰক্ষী-নিৰাপত্তাৰক্ষীয়ে কটকটীয়া নিৰাপত্তা বেষ্টনি গঢ়ি তুলিছে। মহানগৰীত আলফা স্বাধীনে কূটাঘাটমূলক কাৰ্য সংঘটিত কৰিব পাৰে বুলি চোৰাংচোৱা সংস্থাই মহানগৰ আৰক্ষীক তথ্য যোগান ধৰাৰ পাছতে আৰক্ষীৰ শীৰ্ষ বিষয়াসকলে কেইবাখনো বৈঠকত নিৰাপত্তা ব্যৱস্থা সম্পৰ্কত আলোচনা কৰে। ইয়াৰ লগতে এনে কূটাঘাটমূলক কাৰ্য ৰোধ কৰাৰ বাবে মহানগৰীৰ চৌদিশে নিৰাপত্তাৰক্ষী নিয়োগ কৰা হৈছে। মহানগৰ আৰক্ষী, অৰ্ধ সামৰিক বাহিনী প্ৰতি মুহূৰ্ততে সষ্টম হৈ থাকিবলৈ কোৱাৰ লগতে তালাচী অভিযান আৰু নৈশ তহল বৃদ্ধি কৰা হৈছে। উল্লেখযোগ্য যে, কামৰূপ মহানগৰ জিলা প্ৰশাসনে পূৰ্বৰ দৰে এই বাৰো খানাপাৰা পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত কেন্দ্ৰীয়ভাৱে স্বাধীনতা দিৱস আয়োজন কৰিছে। অসম আৰক্ষীত নতুনকৈ অন্তৰ্ভুক্ত হোৱা কেইবাটাও নিৰাপত্তা বাহিনীৰ গোটে এই পেৰেডত অংশগ্ৰহণ কৰাৰ বাবে পূৰ্ণ প্ৰস্তুতি চলাইছে।

## শপতনামা দি ভোটাৰ

বৃহস্পতিবাৰে সংবাদমেলত কংগ্ৰেছ নেতাগৰাকীয়ে কৰ্ণাটক, মহাৰাষ্ট্ৰ আৰু হাৰিয়ানাত 'ভুৱা ভোটাৰ' সংযোজন কৰি ব্যাপক ভোট চুৰি হোৱাৰ অভিযোগ উত্থাপন কৰাৰ পৰাই এই বিতৰ্ক আৰম্ভ হয়। বিয়লি এই অভিযোগ উত্থাপন হোৱাৰ পাছতে নিৰ্বাচন আয়োগে তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰে। ৰাহুলক প্ৰত্যাহ্বান জনাইছিল তিনিখন ৰাজ্যৰ নিৰ্বাচনী বিষয়াই, যদি তেওঁৰ হাতত 'ভুৱা ভোটাৰ'ৰ নাম আৰু নথি-পত্ৰ আছে তেন্তে আয়োগক গতাই দিব লাগে। একে সময়তে স্পষ্টকৈ কোৱা হৈছিল যে তেওঁ শপতনামা দি ভোটাৰ তালিকাত ভোটাৰ জালিয়াতিৰ অভিযোগ প্ৰমাণ কৰিব লাগে, বা তেওঁৰ দাবী মিছা বুলি স্বীকাৰ কৰি দেশবাসীৰ ওচৰত ক্ষমা খুজিব লাগে। মন কৰিবলগীয়া যে, বৃহস্পতিবাৰে মহাৰাষ্ট্ৰৰ বিষয়টো উত্থাপন কৰাৰ উপৰিও কৰ্ণাটকৰ বেংগালুৰু কেন্দ্ৰীয় লোকসভা সমষ্টিৰ মহাদেৱপুৰা বিধানসভা সমষ্টিত ১ লাখৰো অধিক ভোট চুৰি হোৱাৰ অভিযোগ ৰাহুলে কৰিছিল। হাৰিয়ানাৰ গোচৰতো তেওঁ একে দাবী কৰিছিল। এই সকলো অভিযোগৰ তীব্ৰ বিৰোধিতা কৰিছে নিৰ্বাচন আয়োগে।

## নৱেম্বৰত 'মেগা বাগুৰুম্বা'

হোৱা অভিলেখ সৃষ্টিকাৰী বিহু আৰু ঝুমইৰ অনুষ্ঠানৰ সৈতে সংগতি এই সিদ্ধান্ত লোৱা হৈছে। "বিহু আৰু ঝুমইৰৰ ব্যাপক সফলতাৰ পিছত বাগুৰুম্বাক বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰাৰ সময় আহি পৰিছে। চলিত বৰ্ষৰ নৱেম্বৰ মাহত ১০, ০০০ৰো অধিক শিল্পীয়ে সমগ্ৰ বিশ্বৰ সন্মুখত এই সুন্দৰ নৃত্য প্ৰদৰ্শন কৰিব আৰু আমাৰ বড়ো সম্প্ৰদায়ৰ ঐতিহ্য জিলিকাই তুলিব", মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই এক্সত পোষ্ট কৰে। সাংস্কৃতিক পৰিক্ৰমা মন্ত্ৰী বিমল বৰাৰ সভাপতিত্বত বিষয়াসকলৰ সৈতে এক বৈঠকত 'মেগা বাগুৰুম্বা' প্ৰদৰ্শনৰ জৰিয়তে বড়ো নৃত্যক বিশ্ব মঞ্চলৈ লৈ যোৱাৰ প্ৰস্তুতিৰ পৰ্যালোচনা কৰে। এই অনুষ্ঠানত ২৬খন জিলাৰ ১০ হাজাৰ নৃত্য শিল্পীয়ে অংশগ্ৰহণ কৰিব। বৈঠকত সাজ-পোছাক, বাদ্যযন্ত্ৰ, মাষ্টাৰ ট্ৰেইনাৰৰ বিষয়েও পৰ্যালোচনা কৰা হয়। উল্লেখযোগ্য যে, ২০২৩ চনৰ এপ্ৰিল মাহত ১১, ৩০৪জন নৃত্যশিল্পী আৰু ঢোলবাদকে গিনিজ বুক অৱ ৱৰ্ল্ড ৰেকৰ্ড সৃষ্টি কৰা বিহু প্ৰদৰ্শন আৰু চলিত বৰ্ষৰ ফেব্ৰুৱাৰী মাহত ঝুমইৰ দুয়োটা অনুষ্ঠানতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অংশগ্ৰহণ কৰিছিল।

## বকোৰ জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ সন্মিলনীৰ বাৰ্ষিক সাধাৰণ সভা সম্পন্ন

অসম বাৰ্তা, বকো, ৯ আগষ্ট ঃ কামৰূপ জিলাৰ বকোৰ জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ সন্মিলনীৰ বাৰ্ষিক সাধাৰণ সভা খন আজি অনুষ্ঠিত হয়। মহাবিদ্যালয় খনৰ প্ৰাক্তন ছাত্ৰ সন্মিলনীৰ সভাপতি ৰমেন চিং ৰাভাই সঞ্চালনা কৰা সভাৰ আত ধৰে সাধাৰণ সম্পাদক অঞ্চুমা খুংগুৰ বডোচাই। সভাত বহু সংখ্যক প্ৰাক্তন ছাত্ৰ-ছাত্ৰী অৰ্থাৎ এলুমণি এচোছিয়েশ্যনৰ বিষয় ববীয়াই অংশগ্ৰহণ কৰে। সভাত এলুমণি এচোছিয়েশ্যনৰ আগন্তুক দিনৰ কৰ্মসুচীৰ ওপৰত আলোকপাত কৰে। সভাতে মহাবিদ্যালয়ৰ মুখ্য গেট অৰ্থাৎ তোৰণ খন আৰু এলুমণি সতীৰ্থ ভৱনৰ অগ্ৰগতিৰ ওপৰত আলোচনা কৰা হয়। সভাতেই পূৰ্বৰ সভাপতি ৰমেন চিং ৰাভাক সভাপতি, ৰঞ্জিত বড়ো, বিজন ৰাভা, ড° মহানন্দ দাসক উপ সভাপতি আৰু অঞ্চুমা খুংগুৰ বডোচাক সাধাৰণ সম্পাদক লগতে মিন্টু পাটোৱাৰীক কোষাধ্যক্ষ, সাংবাদিক বিষ্ণু ৰাম দাসক প্ৰচাৰ সম্পাদক আৰু কেৱাজনো বিষয়ববীয়াক লৈ গঠন কৰা হয় এলুমণি এচোছিয়েশ্যনৰ সমিতিখন। সভাত কাৰ্য্যসুচী অনুসৰি প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সন্মিলনী, জৱাহৰলাল নেহৰু মহাবিদ্যালয়, বকোৰ তৰফৰ পৰা মহাবিদ্যালয়খনত ৬০ শতাংশ বা ততোধিক নম্বৰ প্ৰাপ্ত উচ্চতৰ মাধ্যমিক উত্তীৰ্ণ হোৱা তথা আৰ্থিকভাৱে দুৰ্বল পৰিয়ালৰ এগৰাকী ছাত্ৰ নিখিল ডেকা, ধেলাচৰ আৰু এগৰাকী ছাত্ৰী ধৃষ্টি কলিতাক বকো ২নং ডাকুৱাপাৰাৰ সন্মিলনীৰ Adoption scheme অধীনত ডিগ্ৰী পৰ্যায়লৈ পঢ়াৰ বাবে দ্বিতীয় বৰ্ষৰ বাবে আজিৰ সাধাৰণ সভাতে আনুষ্ঠানিকভাৱে দ্বিতীয় বৰ্ষৰ বাবে সভাপতি-সম্পাদকৰ হাতেৰে অনুদান প্ৰদান কৰা হয়।

# তিনি আগষ্টত চৰাইপুঙৰ নগাহাটত 'চোৰ পুলিচৰ খেল' শিশু নাট মঞ্চস্থ

**অসম বাৰ্তা, বৰহাট, ৯ আগষ্ট ঃ** যোৱা তিনি আগষ্ট তাৰিখৰ দিনা সন্ধিয়া চৰাইদেউ জিলাৰ বৃহত্তৰ চৰাইপুং অঞ্চলৰ নগাহাট সাপ্তাহিক বজাৰ গৃহত শিশু সকলে সন্ধিয়া ন বজাৰ পৰা "চোৰ পুলিচৰ খেল" নামৰ এখন বাস্তৱ ধৰ্মী শিশু নাট প্ৰদৰ্শনৰ কৰি কম বয়সীয়া ছাত্ৰ ছাত্ৰী সকলে দৰ্শকক আমোদ দিয়াৰ লগতে মৰম আৰু আৰ্শীবাদ বুটলিবলৈ সক্ষম হৈছে। বৰহাট চৰাইপুঙ অঞ্চলৰ অগ্ৰণী সামাজিক সংগঠন জ্ঞানাঙ্কুৰ সাহিত্য সাংস্কৃতি আৰুজন কল্যাণ গোষ্ঠীৰ উদ্যোগত স্থানীয় ৰাইজ লগতে অভিভাৱক আৰু অভিভাৱিকাৰ সহযোগত চাৰি দিনিয়া সৃষ্টিশীল নৃত্য, সাত দিনিয়া কেমেৰাৰ সন্মুখত অভিনয় আৰু একৈশ দিনিয়া নাট কৰ্মশালা অনুষ্ঠিত কৰা হৈছিল। উক্ত নাট কৰ্মশালাত শিশু তথা ছাত্ৰ-ছাত্ৰী সকলক নাটৰ প্ৰশিক্ষণ দিছিল চৰাইদেউ জিলাৰ অন্তৰ্গত লাকিলী গাঁৱৰ এজন খেতিয়ক তথা অভিনেতা, ভ্ৰাম্যমাণ নাট্য কৰ্মী পুষ্প কোঁৱৰে। উল্লেখযোগ্য এই গ্ৰীষ্মকালীন কৰ্মশালা যোৱা ছয় জুলাই তাৰিখৰ পৰা একত্ৰিশ জুলাই তাৰিখলৈকে অনুষ্ঠিত কৰাৰ অন্তত যোৱা তিনি আগষ্ট তাৰিখে নগাহাট সাপ্তাহিক বজাৰ গৃহত শিশু তথা ছাত্ৰ ছাত্ৰী সকলৰ মাজত দিনৰ এঘাৰ বজাৰ পৰা অনুষ্ঠিত কৰা কবিতা আবৃত্তি, আকস্মিক বক্তৃতা প্ৰতিযোগিতা আৰু সৃষ্টিশীল নৃত্যৰ প্ৰতিযোগিতা বিভাগৰ বিচাৰকৰ দায়িত্ব পালন কৰিছিল নগাহাট উচ্চ ইংৰাজী বিদ্যালয়ৰ সহকাৰী শিক্ষয়িত্ৰী অঞ্জু সন্দিকৈ বৰগোহাঁই, নগাহাট শ্ৰীমন্ত শঙ্কৰদেৱ বিদ্যালয়ৰ সহকাৰী শিক্ষয়িত্ৰী ক্ৰমে মধুমিতা গোহাঁই বৰবৰা, পল্লবী বৰুৱা আৰু মণিং ইষ্টাৰ একাডেমী সহকাৰী শিক্ষয়িত্ৰী ভাৰতী বৰগোহাঁইয়ে। সন্ধিয়া ছয় বাজি ত্ৰিশ বজাৰ পৰা গ্ৰীষ্মকালীন কৰ্মশালা উদ্‌যাপন সমিতিয়ে নগাহাট শ্ৰীমন্ত শঙ্কৰদেৱ বিদ্যালয়ৰ প্ৰধান শিক্ষক থানেশ্বৰ গগৈৰ সভাপতিত্ব আৰু কৰ্মশালা উদ্যোক্ত সমিতিৰ মুখ্য সম্পাদক ৰাজু গগৈয়ে আঁত ধৰা মুকলি সভাত উপস্থিত থাকি বৰহাট নিউ হাইস্কুলৰ প্ৰাক্তন প্ৰধান শিক্ষক বিৰেণ বৰাই মুকলি সভাৰ উদ্বোধনী ভাষণ আগবঢ়াই। মুকলি সভা অনুষ্ঠিত কৰা আগমূহুৰ্ত্তত বন্তি প্ৰজ্বলন কৰা বিশিষ্ট সমাজকৰ্মী তথা নাট্যকাৰ, নাট পৰিচালক চৰাইদেউ সোণাৰিৰ দীপক কলিতাই। মুকলি সভাত বিশিষ্ট অতিথি হিচাপে ভাষণ ৰাখি নাটকৰ জৰিয়তে সমাজত আমূল পৰিবৰ্তন সম্ভৱ বুলি উল্লেখ কৰে। সভাত অন্য এজন বিশিষ্ট সমাজকৰ্মী তথা নাট্যকাৰ, লেখক পবিত্ৰ মহন ফুকনে কণ কণ ছাত্ৰ ছাত্ৰী সকলৰ মাজত গ্ৰীষ্মকালীন কৰ্মশালা অনুষ্ঠিত কৰি প্ৰশিক্ষণ প্ৰাপ্ত কৰা ছাত্ৰ-ছাত্ৰী সকলেই এদিন দেশৰ সু-নাগৰিক হ'ব পাৰিব আৰু সমাজৰ বাবে সুন্দৰ নিদৰ্শন, তথা বাৰ্তাবাহক হৈ ভৱিষ্যতৰ দিগ নিৰ্ণয় কৰিব পাৰিব বুলি মত পোষণ কৰে আৰু উদ্যোক্তা মণ্ডলীৰ ভূয়সী প্ৰশংসা কৰে। নাট প্ৰশিক্ষক পুষ্প কোঁৱৰৰ উপৰিও আৰু কেইবাজনো বক্তাই বক্তব্য ৰাখে। মুকলি সভা খনত অসম জাতীয়তা যুৱ ছাত্ৰ পৰিষদৰ চৰাইদেউ জিলাৰ সম্পাদক লংকেশ্বৰ গগৈ সহিতে নৱনীত গগৈ, সোণালী গাঁও পঞ্চায়তৰ নৱ নিৰ্বাচিত সভাপতি দীনকান্ত গগৈ, পঞ্চায়ত সচিব বিৰূপ গগৈ, শিক্ষক ক্ৰমে অচ্যুৎ বৰবৰা, কুমুদ গগৈ, শিল্পী তথা বিচাৰক বৰহাট লেফেৰাৰ তৰুণ গগৈ, বাদ্যযন্ত্ৰী চৰাইপুং অঞ্চলৰ গড়কোষ গাঁৱৰ তৰুণ বৰুৱা, হিমাদ্ৰী চেতিয়া ফুকনকে ধৰি বহু কেইজন বিশিষ্ট ব্যক্তি তথা গণ্য মান্য অতিথি উপস্থিত থাকে। মুকলি সভাত উপস্থিত থকা সকলো অতিথি, বিশিষ্ট অতিথি, আৰু বক্তাক একোখনকৈ চেলেং চাদৰ আৰু ফুলাম গামোচাৰে উদযাপন সমিতিৰ তৰফৰ পৰা সম্বৰ্দ্ধনা জনোৱা হয়। মুকলি সভাৰ শেষত বিশিষ্ট নাট্যকাৰ এসময়ত ভ্ৰাম্যমাণ নাট্য জগতৰ মঞ্চই মঞ্চই দৰ্শক শ্ৰোতাৰ বিপুল জনপ্ৰিয়তা তথা সমাদৰ লাভ কৰিবলৈ সক্ষম হোৱা " গুপ্তঘাটক"; "বিদ্ৰোহী" আদি নাটক ৰচনা কৰি খলকনি লগাবলৈ সক্ষম হোৱা পবিত্ৰ মহন ফুকনে শিশু তথা ছাত্ৰ ছাত্ৰী সকলৰ বাবে সৃষ্টি কৰি উলিওৱা "চুৰ পুলিচৰ খেল" শিশু নাট মঞ্চস্থ কৰা হয়।

# সোণোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচন অনুষ্ঠিত কৰাৰ দাবীত ডিব্ৰুগড়ত উত্তাল প্ৰতিবাদ

**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ৯ আগষ্ট ঃ** ডিব্ৰুগড়ত সোণোৱাল কছাৰী স্বায়ত্বশাসিত পৰিষদৰ নিৰ্বাচন অনুষ্ঠিত কৰাৰ দাবীত উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। তেওঁলোকে সোণোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ কাৰ্যালয় ঘেৰাও তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। এই প্ৰতিবাদত সদৌ অসম সোণোৱাল কছাৰী ছাত্ৰ সন্থা, সোণোৱাল কছাৰী যুৱ পৰিষদ আৰু সদৌ অসম সোণোৱাল কছাৰী মহিলা পৰিষদে সোণোৱাল কছাৰী স্বায়ত্ত শাসিত পৰিষদৰ নিৰ্বাচন অনুষ্ঠিত নকৰি অসম চৰকাৰে এখনি অন্তৰ্বৰ্তীকালীন পৰিষদ গঠন কৰি অসমৰ সোণোৱাল কছাৰী জনসাধাৰণৰ গণতান্ত্ৰিক অধিকাৰ খৰ্ব কৰাৰ বিৰুদ্ধে ক্ষোভ ব্যক্তিৰ কৰি ঘেৰাও কৰে পৰিষদৰ কাৰ্যালয়। উল্লেখযোগ্য যে ২০১৯ বৰ্ষৰ ফেব্ৰুৱাৰী মাহত অনুষ্ঠিত হৈ যোৱা পৰিষদৰ দ্বিতীয়টো নিৰ্বাচিত পৰিষদখনৰ ৫টা বছৰ অতিক্ৰম কৰাৰ পিছত যোৱা ১১ ফেব্ৰুৱাৰী ২০২৪ তাৰিখে কাৰ্যকাল সমাপ্ত হয়। আনহাতে কাৰ্যকাল ওৰ পৰাৰ পিছতো অসম চৰকাৰে পৰিষদৰ নিৰ্বাচন অনুষ্ঠিত নকৰি যোৱা ৯ ফেব্ৰুৱাৰী ২০১৪ তাৰিখে নিৰ্দেশনা নং E292711/464 ৰ যোগে ৬মাহ আৰু যোৱা ৬ আগষ্ট ২০২৪ তাৰিখে নিৰ্দেশনা E292711/544 ৰ যোগে পূৰ্বৰ নিৰ্বাচিত পৰিষদৰ সদস্য-সদস্যা সকলৰ কাৰ্যকাল পুনৰ ৬ মাহ বৃদ্ধি কৰি পৰিষদখন পৰিচালনা কৰিবলৈ দায়িত্ব অৰ্পন কৰে। কিন্তু কাৰ্যকাল বৃদ্ধি কৰিলেও যোৱা ১১ ফেব্ৰুৱাৰী ২০২৫ তাৰিখে পৰিষদখন ভংগ হয় আৰু অচলাৱস্থাৰ সৃষ্টি হয়। সোণোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ পূৰ্বৰ ২৬টা সমষ্টিৰ পৰিবৰ্তে ৩২ টালৈ বৃদ্ধি কৰাৰ পৰিপ্ৰেক্ষিতত আৰু এই অজুহাততেই পৰিষদৰ নিৰ্বাচন পিছুৱাৰ অদ্ভুত যুক্তিৰে অসম চৰকাৰ আৰু নিৰ্বাচনী আয়োগে পৰিষদৰ নিৰ্বাচন অনুষ্ঠিত নকৰাৰ যি অভিসন্ধি ইয়াক অসমৰ সৰ্বস্তৰৰ সকলো সোণোৱাল কছাৰী জনসাধাৰণ আৰু গণতান্ত্ৰিক চেতনাৰে উজ্জীৱীত ৰাইজে বিৰোধিতা কৰিছে। ই সোণোৱাল কছাৰী ৰাইজৰ গণতান্ত্ৰিক অধিকাৰ আৰু সাংবিধানিক অধিকাৰ কাঢ়ি নিয়াৰ গভীৰ চক্ৰান্ত বুলি ভাবিবলৈ বাধ্য হৈছে। সদৌ অসম সোণোৱাল কছাৰী ছাত্ৰ সন্থা, সোণোৱাল কছাৰী যুৱ পৰিষদ, আৰু সদৌ অসম সোণোৱাল কছাৰী মহিলা পৰিষদে এই "পৰিষদ ঘেৰাও" গণতান্ত্ৰিক কাৰ্যসূচীৰ যোগেদি অনতিপলমে অন্তৰ্বৰ্তীকালীন পৰিষদখন ভংগ কৰি এক শুদ্ধ ভোটাৰ তালিকা প্ৰস্তুতেৰে পৰিষদৰ নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ দাবী জনাইছে। অন্যথা ইয়াতকৈ জংগী আন্দোলনৰ কাৰ্যসুচী ল'বলৈও বাধ্য হব বুলিও সংগঠন সমূহৰ তৰফৰ পৰা অসম চৰকাৰক সঁকিয়াই দিছে।

## চিন্তন বৈঠকৰ অন্তত জাতীয় আৰু জনগোষ্ঠীয় সংগঠনৰ সংবাদমেল

# শিৱসাগৰ কেপিএম হল'ত ১৫ জাতীয় সংগঠনৰ চিন্তন বৈঠক

**অসম বাৰ্তা, জয়সাগৰ, ৯ আগষ্ট ঃ** আজি শিৱসাগৰ কে পি এম হল'ত ১৫টা জাতীয় জনগোষ্ঠীয় সংগঠনে এখনি চিন্তত বৈঠক অনুষ্ঠিত কৰে। চিন্তন বৈঠকত ১১ দফীয়া প্ৰস্তাৱ গ্ৰহণ কৰে ১৫ তাকৈ জাতীয় আৰু জনগোষ্ঠীয় সংগঠনৰ। ১৫ আগষ্টৰ ভিতৰত উজনি অসম এৰিবলৈ সকীয়নি ১৫ জাতীয় আৰু জনগোষ্ঠীয় সংগঠনৰ। থলুৱা খিলঞ্জীয়াৰ প্ৰভুত্ব থকা অসম গঢ়াৰ স্বাৰ্থত অসমত অবৈধভাবে বসবাস কৰি থকা সকলো সন্দেহযুক্ত নাগৰিকক চিনাক্ত আৰু বিতাৰণৰ ব্যৱস্থা কৰিব লাগে। অসম চুক্তিৰ আধাৰত ১৯৭১ চনৰ ২৪ মাৰ্চৰ পাছত অহা সকলো বিদেশী নাগৰিকক অসমৰ পৰা বহিষ্কাৰ কৰিব লাগে যদিও সামাজিক ভাবে আমি ভাৰতবৰ্ষ নাগৰিক ভিত্তি বৰ্ষ ১৯৫১ চনটো আমি কাৰ্যকৰী হোৱাটো বিচাৰে সংগঠন কেইটাই। সাম্প্ৰতিক অসম চৰকাৰে সমগ্ৰ অসমতে সন্দেহযুক্ত নাগৰিকে বিস্তৰভাবে চৰকাৰী ভূমি, বনাঞ্চল ভূমি,ট্ৰাইবেল বেল্টৰ ভূমি ইত্যাদিৰ পৰা বেদখলকাৰীৰ পৰা মুক্ত কৰাৰ অভিযানক আজিৰ সভাই পূৰ্ণ সমৰ্থন আগবঢ়োৱাৰ লগতে উজনি অসমতো বেদখল হৈ থকা চৰকাৰী ভূমি, বনাঞ্চল, দেবোত্তৰ ভূমি, প্ৰাচীন কীৰ্তিচিহ্নৰ ভূমি, জলাশয় সমূহৰ বেদখল উচ্ছেদ কৰিবলৈ দাবী জনোৱা হয়। থলুৱা খিলঞ্জীয়াৰ প্ৰভুত্ব থকা তথা বিদেশী মুক্ত এখন অসম গঢ়িবৰ বাবে অসমৰ ভোটাৰ তালিকাৰ পৰা সন্দেহযুক্ত নাগৰিকৰ নাম অতি শীঘ্ৰে কৰ্তন কৰিব লাগে বুলিও আহ্বান জনাই সংগঠন কেইটাই। অসম চৰকাৰ তথা অসমৰ বিভিন্ন জাতীয়-জনগোষ্ঠীয়ে গ্ৰহণ কৰা সমৰ্থন আৰু সহযোগিতাত চলাই থকা উচ্ছেদ কাৰ্যসূচীৰ বিৰুদ্ধাচৰণ কৰি বাংলাদেশীৰ পক্ষলৈ মুকলি সমৰ্থন জনোৱাৰ লগতে খিলঞ্জীয়া লোকক প্ৰাণে মৰাৰ ভাবুকি প্ৰদান কৰা লোকক শীঘ্ৰে ৰাষ্ট্ৰদ্ৰোহী আইনৰ অধীনত গ্ৰেপ্তাৰ কৰিব লাগে। আনহাতে, বিশেষকৈ, ঐতিহাসিক শিৱসাগৰৰ দৰবাৰ ফিল্ডৰ পৰা দিখৌ নৈৰ বাওফালে কবৰ স্থানৰ সমীপৰ পৰা শশ্মান ঘাটলৈকে, শিৱসাগৰ খাট পথাৰ, চিন্তামণি গড় ইত্যাদিত অবৈধ সন্দেহযুক্ত নাগৰিকে বেদখল কৰি থকা চৰকাৰী মাটি উচ্ছেদ কৰিব লাগে দাবী জনাই সংগঠন কেইটাই। উজনি অসমৰ বিভিন্ন ঠাইত ভাৰাতীয়া হিচাপে থকা সন্দেহযুক্ত নাগৰিকৰ নথি পত্ৰ আৰক্ষী প্ৰশাসনে পৰীক্ষা কৰি অতি শীঘ্ৰে এনে সন্দেহযুক্ত নাগৰিকক উজনি অসমৰ পৰা বিতাৰণ কৰাৰ ব্যৱস্থা কৰক। উজনি অসমত বিভিন্ন কামত নিয়োজিত হৈ থকা যেনে, বেচৰকাৰী ঠিকাদাৰী প্ৰতিষ্ঠান, ইটাভাটা, ডেম্প আদিত কৰ্মৰত হৈ থকা সন্দেহযুক্ত নাগৰিকক চিনাক্ত কৰি আজিৰ তাৰিখৰ পৰা কাৰ্যকৰী হোৱাকৈ চৰকাৰী ভাবে নটিচ প্ৰদান কৰি বহিষ্কাৰ কৰাৰ ব্যৱস্থা কৰিব লাগে। অসমৰ সুৰক্ষিত ভৱিষ্যতৰ প্ৰতি লক্ষ্য ৰাখি অসমৰ মাটি-বাৰী বিদেশী সন্দেহযুক্ত লোকক বিক্ৰী কৰাৰ পৰা বিৰত থাকিব লাগে। আমাৰ আহ্বান, অসম চৰকাৰ তথা থলুৱা-খিলঞ্জীয়া সংগঠন সমূহে বিদেশীমুক্ত অসম গঢ়াৰ এই অভিযানত অসমৰ খিলঞ্জীয়া মুছলমান ৰাইজে সমৰ্থন আৰু সহযোগিতা আগবঢ়াব লাগে। ১৫ আগষ্ট তাৰিখে শিৱসাগৰত খিলঞ্জীয়া সভাৰ আহ্বান ২০ জাতীয় আৰু জনগোষ্ঠীয় সংগঠনৰ।

# বৃহত্তৰ গেলেকী সুৰক্ষা মঞ্চ, গেলেকী ইটা ভাটা মালিক সন্থাৰ বান সাহায্য প্ৰদান

**অসম বাৰ্তা, গেলেকী, ৯ আগষ্ট ঃ** গেলেকীৰ বিভিন্ন সামাজিক সমস্যা আৰু ইয়াৰ সমাধানৰ বাবে ঐক্যবদ্ধভাৱে কাম কৰি অসম-নাগালেণ্ড সীমান্তৱতী গেলেকী অঞ্চলটো ৰাজ্যখনৰ বাবে এক আদৰ্শ স্বৰূপে গঢ় দিয়াৰ লক্ষ্য আৰু উদ্দেশ্যৰে গঠন হোৱা বৃহত্তৰ গেলেকী সুৰক্ষা মঞ্চৰ উদ্যোগত আৰু স্থানীয় ইটা ভাটা মালিক সন্থাৰ সহযোগত গেলেকীৰ ভিতৰুৱা বানত বেছিকৈ ক্ষতিগ্ৰস্ত হোৱা কেইটামান পৰিয়ালৰ মাজত কিছু খাদ্য সামগ্ৰী বিতৰণ কৰা হয়। উল্লেখযোগ্য যে বিগত কেইবাবছৰো ধৰি বৃহত্তৰ গেলেকীৰ অঞ্চলৰ ভালেকেইটা অঞ্চল প্ৰায় গোটেই বছৰটো জলমগ্ন হৈ থাকে। যাৰ বাবে বিভিন্ন সমস্যাত পৰি আহিছে এই অঞ্চলত বসবাস কৰি অহা সাধাৰণ খাতি খোৱা জনতা। আজি এই অঞ্চলত বসবাস কৰা অতি দৰিদ্ৰ পৰিয়াল কেইটামানৰ কাষত কিছু খাদ্য সামগ্ৰী লৈ উপস্থিত হয় বৃহত্তৰ গেলেকী সুৰক্ষা মঞ্চৰ প্ৰতিনিধি। অনাগত সময়ত গেলেকীৰ অঞ্চলৰ প্ৰতিটো সমস্যা সমাধানৰ ক্ষেত্ৰত স্থানীয় দল সংগঠনৰ লগ হৈ উমৈহতীয়া ভাৱে ব্যৱস্থা গ্ৰহণ কৰিব বুলি জনালে মঞ্চৰ বিষয়ববীয়া সকলে। আজিৰ এই কাৰ্যসূচীত উপস্থিত আছিল বৃহত্তৰ গেলেকী সুৰক্ষা মঞ্চৰ উপদেষ্টা সুৰেশ চেতিয়া, ৰবীন বৰঠাকুৰ, আব্দুল হেলিম, ৰাহিদ আলী, হাফিজ আলী, সভাপতি জিতু গগৈ, সম্পাদক হেমন্ত গগৈ।

# সমাজসেৱিকা বিনীতা (ববী) চুতীয়াৰ মৃত্যুত কাকপথাৰত শোকৰ ছাঁ

**ষ্টাফ ৰিপ'ৰ্টাৰ, ডুমডুমা, ৯ আগষ্ট ঃ** কাকপথাৰ চেঙেলীজান গাঁও নিবাসী, বিশিষ্ট সমাজসেৱিকা বিনীতা (ববী) চুতীয়া (৪৫) ৰ কালি আকস্মিক মৃত্যু ঘটাত বৃহত্তৰ কাকপথাৰ অঞ্চলত গভীৰ শোকৰ ছাঁ পৰিছে। প্ৰয়াত বিনীতা চুতীয়া চেঙেলীজান গাঁৱৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত থকাৰ উপৰিও চেঙেলীজান যুৱক সংঘ, প্ৰভাত চুতীয়া সোঁৱৰণী জেউতি পুথিভঁৰাল সমিতিৰ সৈতেও ওতঃপ্ৰোতভাৱে জড়িত আছিল। এগৰাকী ব্যৱসায়ী হিচাপে কাকপথাৰ টাউনত সকলোৰে মাজত বিশেষ পৰিচিত আছিল বিনীতা চুতীয়া। বিশেষকৈ সৰু ল'ৰা-ছোৱালীৰ মাজত অতিকৈ প্ৰিয় আছিল। সমাজসেৱিকা বিনীতা চুতীয়াৰ মৃত্যুত চুতীয়া উন্নয়ন পৰিষদৰ উপাধ্যক্ষ জ্যোতিপ্ৰসাদ চুতীয়া, 'আপকু'ৰ তিনিচুকীয়া জিলা সমিতিৰ সম্পাদক দ্বিপেন লহকৰ, কাকপথাৰ প্ৰেছক্লাব, "উৎস" অসমৰ সঞ্চালক বিপুল ফুকন, পূৰ্বাঞ্চল আদৰ্শ জাতীয় বিদ্যালয়ৰ অধ্যক্ষ ড° ভক্ত ধাদুমীয়া, তিনিচুকীয়া জিলা চুতীয়া জাতি সন্মিলন, সদৌ তিনিচুকীয়া জিলা চুতীয়া ছাত্ৰ সন্থা, টাই আহোম ছাত্ৰ সন্থাৰ তিনিচুকীয়া জিলা সমিতি, মটক যুৱ-ছাত্ৰ সন্মিলনৰ তিনিচুকীয়া জিলা সমিতি, তিনিচুকীয়া জিলা চুতীয়া জাতি মহিলা সন্মিলন, কাকপথাৰ আঞ্চলিক চুতীয়া জাতি সন্মিলন, কাকপথাৰ তিনিআলি ব্যৱসায়ী সন্থা, চেঙেলীজান নামঘৰ পৰিচালনা সমিতি, চেঙেলীজান শাখা চুতীয়া ছাত্ৰ সন্থা, চেঙেলীজান যুৱক সংঘ, প্ৰভাত চুতীয়া সোঁৱৰণী জেউতি পুথিভঁৰাল, চেঙেলীজান বীৰাংগনা মহিলা সমিতি আদিয়ে গভীৰ শোক প্ৰকাশ কৰিছে।

## নতুন চামগুৰি সত্ৰৰ অৰ্ধনিৰ্মিত মুখা নষ্ট কৰাৰ ঘটনা

# পদ্মশ্ৰী ড° হেমচন্দ্ৰ গোস্বামীৰ পৰিয়ালৰ দহবছৰীয়া শিশুৱেই নষ্ট কৰিছিল অৰ্ধনিৰ্মিত মুখা

## অসমবাসীৰ ওচৰত ক্ষমা বিচাৰিলে পৰিয়ালে

**অসম বাৰ্তা, উজনী মাজুলী, ৯ আগষ্ট ঃ** পদ্মশ্ৰী ড° হেমচন্দ্ৰ গোস্বামীৰ বাসগৃহত ২৪ জুলাই আৰু ৬ আগষ্টত কোনো দুষ্কৃতিকাৰীয়ে কেইবাখনো মুখা ভৰিৰে গচকি ভাঙি থৈ যোৱাৰ ঘটনাৰ আচল ৰহস্য সম্প্ৰতি পোহৰলৈ আহিছে। যোৱা ৭ আগষ্টত দ্বিতীয় বাৰৰ বাবে বিশিষ্ট সত্ৰীয়া শিল্পী গৰাকীৰ বাসগৃহত অৰ্ধনমিত মুখা ভাঙি থোৱাৰ অৱস্থাত প্ৰত্যক্ষ কৰি বিশিষ্ট সত্ৰীয়া শিল্পী পদ্মশ্ৰী ড° হেমচন্দ্ৰ গোস্বামীয়ে দুখ প্ৰকাশ কৰাৰ লগতে ঘটনাক লৈ সত্ৰীয়া সংস্কৃতিৰ পীঠস্থান মাজুলীৰ চৌদিশে তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছিল। ইফালে ঘটনাৰ পিছতে আৰক্ষীয়ে বিষয়টোক লৈ তদন্ত অব্যাহত ৰখাৰ মাজতে চামগুৰি সত্ৰৰ গাঁৱৰক্ষী বাহিনী আৰু স্থানীয় ৰাইজৰ তৎপৰতাত সমগ্ৰ ঘটনাৰ আচল ৰহস্য কালি পোহৰলৈ আহে। গাঁৱৰক্ষী বাহিনীৰ চোকা দৃষ্টিত সত্ৰৰে এগৰাকী মুখাশিল্পী ছবছৰীয়া সন্তানে এই কাৰ্য কৰাৰ কথা পোহৰলৈ অহাৰ পিছত চামগুৰি সত্ৰৰ গাঁৱৰক্ষী বাহিনীৰ লগতে ৰাইজে চামগুৰি সত্ৰত সংবাদমেল সম্বোধন কৰে। উভয়ৰ তৰফৰ পৰা সম্বোধন কৰা সংবাদমেলত তেওঁলোকে জনোৱা মতে গাঁওৰক্ষী বাহিনীয়ে এটি চি চি টি ভি ৰ কেমেৰা সংযোগ কৰিছিল। উক্ত চি চি টি ভিৰ জৰিয়তেই মুখাশিল্পী খগেন গোস্বামীৰ দহবছৰীয়া নাবালক পুত্ৰই মুখাকেইটা নষ্ট কৰাৰ কথা পোহৰলৈ আহে। এই সন্দৰ্ভত তেওঁলোকে জনোৱা মতে যিটো শিশোৱে নিজে মুখা প্ৰস্তুত কৰিবলৈ শিকিছে, যি বিভিন্ন পৰ্যটকক মুখা প্ৰস্তুত প্ৰণালী বৰ্ণনা কৰি পৰ্যটকৰ দৃষ্টি আকৰ্ষণ কৰিছে সেই শিশুটিয়ে সুস্থ অৱস্থাত কেতিয়াও এনে কাম কৰিব নোৱাৰে। তেওঁলোকে শিশুটোৰ ওপৰত ভগৱানৰ কোপদৃষ্টি পৰা বুলিহে ক'ব খোজে। বিষয়টোৰ ওপৰত দুই ফৈদে স্পষ্টীকৰণ আগবঢ়াই সমগ্ৰ অসমবাসীৰ ওচৰত তেওঁলোকৰ পৰিয়ালে ক্ষমা বিচাৰিছে। তেওঁলোকে শিশুটিৰ সুমতি কামনা কৰাৰ লগতে ভৱিষ্যতৰ দিনত এনে কাৰ্য সংঘটিত নোহোৱাৰ দিশত দৃষ্টি ৰাখি যাব বুলি উল্লেখ কৰে। উল্লেখযোগ্য যে মাজুলীৰ স্বাভিমান মুখা সংস্কৃতিক আঘাত হনাৰ অপচেষ্টা বুলি বিশিষ্ট মুখাশিল্পী পদ্মশ্ৰী হেমচন্দ্ৰ গোস্বামীৰ পৰিয়ালে বিষয়টোক লৈ তাৎক্ষণিক প্ৰতিক্ৰিয়া প্ৰকাশ কৰাৰ পিছতে বিষয়টো সংবাদ মাধ্যমত প্ৰকাশ পোৱাত সত্ৰ সংস্কৃতিৰ পীঠস্থান মাজুলীত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছিল।

# এদিনীয়া বিস্তৃত কাৰ্য্যসূচীৰে তিনিচুকীয়ালৈ লোকসভাৰ বিৰোধী উপ-দলপতি গৌৰৱ গগৈ

## কংগ্ৰেছ কৰ্মীৰ মাজত উচাহৰ ঢৌ; বৃহৎ যোগদান কাৰ্য্যসূচী

**ষ্টাফ ৰিপ'ৰ্টাৰ, ডুমডুমা, ৯ আগষ্ট ঃ** কাইলৈ এদিনীয়া ভ্ৰমণ সূচীৰে লোকসভাৰ বিৰোধী উপ-দলপতি তথা এপিচিচিৰ সভাপতি গৌৰৱ গগৈ তিনিচুকীয়া জিলালৈ আহিব। কংগ্ৰেছ নেতাগৰাকীৰ এই আগমনক লৈ জিলাখনৰ দলীয় নেতা-কৰ্মীৰ মাজত উৎসাহ বৃদ্ধি পোৱা পাইছে। এপিচিচি সভাপতিগৰাকীৰ এই তিনিচুকীয়া আগমনৰ সময়তে বহু সংখ্যকে কংগ্ৰেছ দলত যোগদান কৰিবলৈ সাজু হোৱা বুলি জানিব পৰা গৈছে। ইফালে কংগ্ৰেছ দলত যোগদান কৰিবলৈ সাজু হৈ থকা লোকসকলেও ব্যাপক উৎসাহেৰে কংগ্ৰেছ দলত যোগদানৰ বাবে সাজু হোৱা বুলি বিশেষ সূত্ৰে জানিব পৰা গৈছে। কাইলৈ লোকসভাৰ বিৰোধী দলৰ উপ-দলপতি তথা অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতিগৰাকীৰ তিনিচুকীয়া ভ্ৰমণৰ সন্দৰ্ভত অসম প্ৰদেশ কংগ্ৰেছ কমিটীয়ে সদৰি কৰা মতে, গুৱাহাটীৰ পৰা বিমানেৰে পুৱা ৯: ৩০ বজাত ডিব্ৰুগড় বিমান বন্দৰত গৌৰৱ গগৈ উপস্থিত হোৱাৰ পাছত তিনিচুকীয়া দিশে ৰাওনা হ'ব। প্ৰদেশ কংগ্ৰেছৰ সভাপতিগৰাকীক দলৰ নেতা-কৰ্মীসকলে পানীতোলা টি চি পিৰ পৰা তিনিচুকীয়াৰ চহৰৰ তিনিকোণীয়া পুখুৰীলৈ বৃহৎ বাইক ৰেলীৰে আদৰি নিব। তিনিচুকীয়াত উপস্থিত হৈয়ে প্ৰদেশ কংগ্ৰেছৰ সভাপতিগৰাকীয়ে প্ৰথমে তিনিচুকীয়া চহৰৰ তিনিকোণীয়া পুখুৰীস্থিত মটক ৰজা সৰ্বানন্দ সিংহৰ প্ৰতিমূৰ্তিত মাল্যাৰ্পণ কৰিব। ১১: ০০ বজাত তিনিকোণীয়া কালী মন্দিৰ দৰ্শন কৰি প্ৰাৰ্থনা আগবঢ়াব। তাৰ পিছতে সমীপৰ গোপালচন্দ্ৰ ৰবিচন্দ্ৰ নাট্য মন্দিৰত আয়োজিত এখন দলীয় সভাত অংশগ্ৰহণ কৰিব। এই সভাতে প্ৰায় ডেৰ শতাধিক লোকে কংগ্ৰেছ দলত আনুষ্ঠানিকভাৱে যোগদান কৰিব। ইয়াৰ পিছতে তিনিচুকীয়াৰ অসম চাহ মজদুৰ সংঘৰ ৬৮ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ লগতে তিনিচুকীয়া চহৰৰ সুবাচিনী পথত আয়োজিত ৰাখী বন্ধন আৰু ছাত্ৰ-ছাত্ৰীৰ সম্বৰ্দ্ধনা অনুষ্ঠানত উপস্থিত থাকিব এ পি চি চিৰ সভাপতিগৰাকী। সভাপতি গৌৰৱ গগৈয়ে বীৰ ৰাঘৱ মৰাণৰ প্ৰতিমূৰ্তিটো শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিব। তাৰ পৰাই ২: ০০ বজাত শদিয়া অভিমুখে ৰাওনা হ'ব গৌৰৱ গগৈ। শদিয়াৰ বৈৰাগী বাবা থানত আশীৰ্বাদ গ্ৰহণ কৰি ২ নং টুপচিঙা গাঁৱলৈ গৈ সাংসদগৰাকীৰ পুঁজিৰে নিৰ্মাণ হ'বলগীয়া এক আধাৰশিলা কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। তাৰ পাছতেই শদিয়াৰ সদৰ চপাখোৱা-স্থিত শদিয়া ব্লক কংগ্ৰেছ কমিটীৰ কাৰ্যালয়ত উপস্থিত হৈ এখন দলীয় সভাত অংশগ্ৰহণ কৰাৰ লগতে শদিয়াৰ দলীয় নেতা-কৰ্মীসকলৰ সৈতে মত বিনিময় কৰিব। তাতো যথেষ্ট সংখ্যক লোকে কংগ্ৰেছ দলত যোগদান কৰিব বুলি জানিব পৰা গৈছে। উল্লেখ্য যে, লোকসভাৰ বিৰোধী উপ-দলপতি তথা এপিচিচিৰ সভাপতি গৌৰৱ গগৈয়ে টুপচিঙা গাঁওস্থিত প্ৰয়াত গণশিল্পী ৰাজীৱ শদিয়াৰ বাসগৃহলৈ গৈ পৰিয়ালটিক সাক্ষাৎ কৰিব। শদিয়াতে এদিনীয়া তিনিচুকীয়া জিলা ভ্ৰমণ সূচী সামৰি সন্ধিয়া ৬ বজাত শদিয়াৰ পৰা নিউ তিনিচুকীয়া ৰে'ল ষ্টেচন অভিমুখে উভতিব লোকসভাৰ বিৰোধী উপ-দলপতিগৰাকী। পৰিশেষত নিশা ৯: ৫০ বজাত ৰাজধানী এক্সপ্ৰেছ যোগে গুৱাহাটীলৈ উভতি যাব এপিচিচিৰ সভাপতি গৰাকী।

# অবৈধ বাংলাদেশীক নাগৰিকত্ব প্ৰদানৰ বিৰোধিতাৰে ৰাজ্যজুৰি আছুৰ প্ৰতিবাদ

**অসম বাৰ্তা, সৃজনগ্ৰাম, ৯ আগষ্ট ঃ** অবৈধ বাংলাদেশীক নাগৰিকত্ব প্ৰদানৰ সিদ্ধান্তৰ তীব্ৰ বিৰোধিতা কৰি ৰাজ্যজুৰি প্ৰতিবাদত অৱতীৰ্ণ হৈছে সদৌ অসম ছাত্ৰ সন্থা (আছু)। কেন্দ্ৰীয় সমিতিৰ আহ্বানত আজি বঙাইগাঁও জিলা সমিতিয়ে চৰকাৰৰ বিৰোধিতা কৰি উগ্ৰ শ্লোগানেৰে পৰিবেশ উত্তাল কৰি তোলে। ধৰ্মীয় সংখ্যালঘু হিচাপে কেৱল হিন্দু, বৌদ্ধ, খ্ৰীষ্টান, শিখ আৰু জৈন ধৰ্মাৱলম্বী লোকক নাগৰিকত্ব প্ৰদানৰ সিদ্ধান্তৰ বিপক্ষে তীব্ৰ প্ৰতিবাদ জনাইছে আছুৱে। সংগঠনটোৱে এই সিদ্ধান্তক অসমবাসীৰ জাতীয় স্বাৰ্থৰ বিপৰীত বুলি অভিহিত কৰি, এক সাম্প্ৰদায়িক ষড়যন্ত্ৰ হিচাপে আখ্যা দিয়ে। আজিৰ প্ৰতিবাদ কাৰ্যসূচীৰ সময়ত আছু কৰ্মীসকলে অসম চৰকাৰে দিয়া নিৰ্দেশনাৰ প্ৰতিলিপি জ্বলাই চৰকাৰৰ বিৰুদ্ধে তীব্ৰ সুঁতিৰে প্ৰতিবাদ প্ৰকাশ কৰে। তেওঁলোকে দাবী কৰে যে, যদি এই সিদ্ধান্ত উত্তৰ-পূৰ্বাঞ্চলৰ সকলো ৰাজ্য তথা বিটিআৰ বা পাৰ্বত্য জিলাসমূহত প্ৰযোজ্য নহয়, তেন্তে কিহৰ ভিত্তিত মাত্ৰ কেইখনমান জিলাত এই ধৰণৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। সংগঠনটোৰ দাবী - এই হঠকাৰী আৰু অসমীয়া জাতিৰ অস্তিত্বৰ বাবে হুমকি স্বৰূপ সিদ্ধান্ত চৰকাৰে তৎক্ষণাত বাতিল কৰিব লাগে। অন্যথা সদৌ অসম ছাত্ৰ সন্থাৰ আহ্বানত ৰাজ্যজুৰি তীব্ৰ আৰু ব্যাপক প্ৰতিবাদ সংগঠিত হ'ব বুলি সংগঠনটোৱে সদৰী কৰে।

# বেবেজীয়াৰ পূৱ হাতীচোঙত খাদ্য সুৰক্ষাৰ ওপৰত সজাগতা শিবিৰ সম্পন্ন

**অসম বাৰ্তা, বেবেজীয়া, ৯ আগষ্ট ঃ** নগাঁও জিলাৰ বেবেজীয়াৰ দাঁতিকাষৰীয়া ব্ৰাহ্মণগাঁৱত অৱস্থিত পূৱ হাতীচোং সমূহীয়া ভৱনত পশ্চিম অসম দুগ্ধ উৎপাদক সমবায় সংঘ (পূৰবী ডেইৰী)ৰ সৌজন্যত আৰু এন পি ডি ডি (নেশ্যনেল প্ৰগেম ফৰ ডেইৰী ডেভলপমেণ্ট)ৰ সহযোগত বৃহস্পতিবাৰে এটি খাদ্য সুৰক্ষাৰ সজাগতা শিবিৰ সফলতাৰে অনুষ্ঠিত হয়। খাদ্য সুৰক্ষাৰ লগত জড়িত ৰাখি গো-পালক সকলে কেনেদৰে বিশুদ্ধভাৱে গাখীৰ উৎপাদন কৰিব পাৰে আৰু উৎপাদিত গাখীৰখিনি কেনেকৈ বিশুদ্ধভাৱে ৰাখিব লাগে তাৰ ওপৰত তেওঁলোকক সজাগতা কৰিবলৈ আয়োজন কৰা এই শিবিৰটো পৰিচালনা কৰে পূৰবী ডেইৰীৰ দুগ্ধ সংগ্ৰহ বিষয়া প্ৰাঞ্জিত গগৈ আৰু ৰিদ্বানা কৃন্তাৰাই। এই উপলক্ষে অনুষ্ঠিত সভাত পূৰবী ডেইৰীৰ পি এণ্ড আই বিভাগৰ মুৰব্বী তৰুণ কুমাৰ মন্দেশীয়া, পশু চিকিৎসক ডাঃ পৰাগজ্যোতি চহৰীয়া আৰু ডাঃ ধ্ৰুৱজ্যোতি কুৰ্মি সমল ব্যক্তিৰূপে উপস্থিত থাকি পশুপালক সকলৰ উপযোগী হোৱাকৈ ভাষণ ৰাখে। তেওঁলোকে ভাষণ প্ৰসঙ্গত কয় যে, পূৰবী ডেইৰীয়ে সদায় বিশুদ্ধ আৰু উৎকৃষ্ট মানদণ্ড গাখীৰ আৰু দুগ্ধজাত সামগ্ৰী গ্ৰাহকসকলকৰ মাজলৈ লৈ যোৱাত গুৰুত্ব আৰোপ কৰি আহিছে। সেয়েহে গোহালিৰ পৰাই যাতে বিশুদ্ধতা আৰু গুণগত মানদণ্ড বজাই ৰাখি স্বচ্ছ আৰু বিশুদ্ধ গাখীৰ উৎপাদন কৰিব পাৰি তাৰ ওপৰত গোপালক সকলক বিভিন্ন শিতানত প্ৰশিক্ষণ প্ৰদান কৰা হয়। পৰিষ্কাৰ পৰিচ্ছন্ন গোহালি, নিৰোগী আৰু স্বাস্থ্যবান পশুধন, গোপালকৰ পৰিচ্ছন্নতা, গাখীৰ ৰখা পৰিষ্কাৰ পাত্ৰ, সুষম পশু আহাৰ আদিয়েই বিশুদ্ধ আৰু উৎকৃষ্ট গাখীৰ উৎপাদনৰ প্ৰধান আহিলা হিচাপে গণ্য কৰা হয়। ইয়াৰোপৰি বিভিন্ন বেমাৰ-আজাৰ, যিবোৰ বেমাৰ পশুৰ পৰা মানুহলৈ বা মানুহৰ পৰা পশুলৈ যাব পাৰে তাৰ ওপৰতো সজাগ হ'ব লাগে। সুষম পশু আহাৰৰ উপকাৰিতা আৰু সুষম পশু আহাৰৰ গুণাগুণ সম্পৰ্কেও সভাখনত বিস্তৃতভাৱে আলোচনা কৰা হয়, যিহেতু সুষম পশু আহাৰ খুৱালেহে পশুধন নিৰোগী আৰু স্বাস্থ্যবান হৈ থাকিব। নিৰোগী আৰু স্বাস্থ্যবান পশুৰ পৰাহে আমি বিশুদ্ধ গাখীৰ আৰু উৎকৃষ্ট মানদণ্ডৰ গাখীৰ পাব পাৰো। চকলাঘাট, ব্ৰাহ্মণগাঁও, ফুলনিআটি, দৰঙ্গীয়াল, জামুগুৰি, গোসাঁইবড়ী আৰু হাতীচোং অঞ্চলৰ শতাধিক গোপালকৰ লগতে দীঘলীপাৰ, কাছমাৰী, আলিটাঙনী, বেবেজীয়া আৰু পূৱ হাতীচোঙৰ দুগ্ধ উৎপাদক সমবায় সমিতিসমূহে ভাগ লোৱা এই শিবিৰত পূৰবীৰ ডেইৰীৰ পশু আহাৰ বিভাগৰ মুৰব্বী মতিউৰ ৰহমানৰ উপৰি অনুৰাৰ ভৌমিক, পি এণ্ড ৰাই বিভাগৰ কংকনা মহন্ত আৰু গোপাল দাস আদি উপস্থিত থাকে। উল্লেখ্য যে, এই সজাগতা শিবিৰটো আয়োজনৰ দিশত পূৱ হাতীচোং দুগ্ধ উৎপাদক সমবায় সমিতি আৰু সোণাইপৰীয়া দুগ্ধ উৎপাদক সমবায় সমিতিৰ বিষয়ববীয়াই বিশেষভাৱে সহযোগিতা আগবঢ়ায়।

# যোগীঘোপাৰ মালেগড়ত ১৬ বছৰীয়া কিশোৰীক লাভ জেহাদেৰে অন্তঃস্বত্বা কৰা নৰপিশাচ আৰক্ষীৰ জালত

## মৃত সন্তান গাঁতৰ পৰা উদ্ধাৰৰ পিছতে পোহৰলৈ আহিছিল নাৰকীয় ঘটনা

**ষ্টাফ ৰিপ'টাৰ, বঙাইগাঁও, ৯ আগষ্ট ঃ** বঙাইগাঁও জিলাৰ যোগীঘোপা থানাৰ অন্তৰ্গত মালেগড়ত কিশোৰীক লাভ জেহাদেৰে অন্তঃসত্বা কৰা বিবাহিত পাষণ্ড এটা যোগীঘোপা আৰক্ষীৰ জালত পৰিছে। যোগীঘোপা আৰক্ষীয়ে কাছাৰ জিলাৰ পৰা গ্ৰেপ্তাৰ কৰে পাষণ্ডটোক। ধৃত পাষণ্ডটো মালেগড় গাঁৱৰ আব্দুল মালেক বুলি আৰক্ষী সূত্ৰে জনা গৈছে। উল্লেখ্য যে, যোৱা ৩১জুলাইত স্থানীয় লোকে মালেগড় প্ৰথম খণ্ডৰ লোক এঘৰৰ সমীপতে গাঁতৰ পৰা উদ্ধাৰ কৰিছিল সদ্যোজাত মৃত সন্তান। পিছত কাৰ্যবাহী দণ্ডাধীশৰ উপস্থিতিত যোগীঘোপা আৰক্ষীয়ে মৃত সন্তানটি চমজি লৈ মৰনোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰিছিল। এই সন্দৰ্ভত ৪ আগষ্টত স্থানীয় ৰাইজে দিয়া এজাহাৰত উল্লেখ কৰা মতে মালেগড়ৰ দুটা সন্তানৰ পিতৃ লম্পট আব্দুল মালেকে কিশোৰীজনীক ফুচুলাই শাৰীৰিক সম্পৰ্ক স্থাপন কৰিছিল। তাৰে পৰিণতিত কিশোৰীজনী অন্তঃসত্বা হৈ সন্তান প্ৰসৱ কৰে। কিশোৰী গৰাকীয়ে সন্তান প্ৰসৱৰ কেইদিনমানৰ পাছতে যোৱা ৩১ জুলাইত ৰাইজে ঘৰৰ সমীপত বস্তাত ভৰাই পুতি থোৱা অৱস্থাত নৱজাতকৰ মৃতদেহ উদ্ধাৰ কৰে। এই ঘটনাই অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছিল। ঘটনা সন্দৰ্ভত স্থানীয় ৰাইজে যোগীঘোপা থানাত এখন এজাহাৰ দাখিল কৰিছিল। স্থানীয় ৰাইজে থানাত দাখিল কৰা এজাৰৰ ভিত্তিতে যোগীঘোপা আৰক্ষীয়ে ৯৩/২০২৫ নম্বৰৰ গোচৰ ৰুজু কৰি তদন্ত আৰম্ভ কৰে। ইপিনে নৱজাতকৰ মৃতদেহ গাঁতৰ পৰা উদ্ধাৰ হোৱা ঘটনাৰ পিছতে লম্পট মালেক পলাতক হৈ আছিল যদিও আৰক্ষীয়ে অভিযুক্ত আব্দুল মালেকক কাছাৰৰ পৰা গ্ৰেপ্তাৰ কৰি আজি যোগীঘোপা থানালৈ আনে। ঘটনা সন্দৰ্ভত যোগীঘোপা আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে।

## ২ নং নেঘেৰিবিলত চলিল উচ্ছেদ অভিযান

**মেৰাপানী, ৯ আগষ্ট ঃ** গোলাঘাট জিলাৰ উৰিয়াম ঘাট সীমান্তৰ সৰ্ববৃহৎ উচ্ছেদ অভিযানৰ পিছতেই আজি মেৰাপানী সীমান্তৰত গোলাঘাট জিলা প্ৰশাসন আৰু বন বিভাগৰ উচ্চ পদস্থ বিষয়া সকলৰ উপস্থিতিত উচ্ছেদ অভিযান চলায়। মেৰাপানী সীমান্তৰৰ দুই নং নেঘেৰিবিলৰ চৰকাৰী ভূমি বেদখল কৰি বসবাস কৰা সন্দেহযুক্ত লোকৰ মুঠ ২০৫ পৰিয়ালৰ ভিতৰত ১৪৪টা পৰিয়ালৰ গৃহত প্ৰশাসনে আজি বুলড'জাৰ চলাই উচ্ছেদ কৰিবলৈ সক্ষম হয়। প্ৰসাশনৰ বুলড'জাৰ চলাৰ পাছতে নেঘেৰিবিলত একাংশ উতচ্ছেদিত কৰুণ বিননী শুনিবলৈ পোৱা গ'ল। অন্যহাতে আজি ৫৯জন বেদখলকাৰী পৰিয়াললৈ গুৱাহাটী উচ্চ ন্যায়ালয়ে স্থগিতাদেশ জাননী জাৰী কৰাত উক্ত পৰিয়ালকেইটা ১৫ আগষ্টলৈ আজি উচ্ছেদ স্থগিত ৰাখে। আনফালে একাদশই নেঘেৰিবিল নগাই দখলৰ কৰিৰ বুলি প্ৰচাৰ চলোৱাত তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি বিভিন্ন জাতীয় সংগঠনৰ আৰু দৈয়াঙৰ ৰাইজে কোনো কাৰণতে নগাক মাটি এৰি দিয়া নহ'ব বুলি সকিয়নি দিয়াৰ লগতে চৰকাৰক উপযুক্ত ব্যৱস্থা গ্ৰহণৰ আহ্বান জনায়।

# পশ্চিম যোৰহাট অঞ্চলভিত্তিত ড° ভূপেন হাজৰিকা জন্ম-শতবাৰ্ষিকী উদ্‌যাপন সমিতি গঠন

**অসম বাৰ্তা, পশ্চিম যোৰহাট, ৯ আগষ্ট ঃ** পশ্চিম যোৰহাট অঞ্চল ভিত্তিত ড° ভূপেন হাজৰিকা জন্ম-শতবাৰ্ষিকী বছৰ জোৰাকৈ পালনৰ বাবে পশ্চিম যোৰহাট অঞ্চল ভিত্তিত উদ্‌যাপন সমিতিখন ৮ আগষ্টত গঠন কৰা হয়। সাহপুৰীয়া গাঁৱত সেবিন বৰাৰ সভাপতিত্বত অনুষ্ঠিত সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে ৰমেন শইকীয়াই। ২০২৫ চনৰ ৮ ছেপ্টেম্বৰত আৰম্ভণী অনুষ্ঠানৰ পাছতে প্ৰতিমাহৰ ৮ তাৰিখত পশ্চিম যোৰহাট অঞ্চলটোৰ চৰাই বাহী, খঙীয়া, পৰ্বতীয়া, সৰুচৰাই মৌজাৰ গাঁওসমূহত স্থানীয় ৰাইজৰ সহযোগত ভূপেন হাজৰিকাৰ গীত পৰিৱেশন, গীতৰ আধাৰত নৃত্য প্ৰদৰ্শন, কবিতা আবৃত্তি, শিল্পীজনৰ সম্পৰ্কত লেখা পাঠ, স্মৰণীয় মুহূৰ্তৰ অৱগতৰ লগতে শিল্পীজনাৰ চিত্ৰ অংকন কৰাবলৈ সিদ্ধান্ত কৰে। প্ৰতিটো বিষয়তে ১০০ গৰাকীকৈ লোকে অংশগ্ৰহণ কৰিব। ১০০ বছৰৰো অধিক দিন জীৱিত থকা ১০০টা গছপুলি অঞ্চলটোৰ বিভিন্ন স্থানত স্থানীয় শিল্পীসকলৰ দ্বাৰা ৰোপণ কৰাবলৈ সিদ্ধান্ত কৰাৰ লগতে প্ৰতি স্থানতে অনুষ্ঠিত শিল্পীজনাৰ জন্ম-শতবাৰ্ষিকীৰ কাৰ্যসূচীত একোগৰাকী আমন্ত্ৰিত ব্যক্তিয়ে শিল্পীজনাৰ সম্পৰ্কত বক্তব্য প্ৰদান কৰোঁৱাৰো সিদ্ধান্ত গ্ৰহণ কৰে। বৰ্ষজোৰা কাৰ্যসূচী সফলভাৱে ৰূপায়ণৰ বাবে সেবিন বৰাক সভাপতি, প্ৰবীণ কলিতাক উপ-সভাপতি, প্ৰভাত দত্তক মুখ্য সম্পাদক, অৰন গোস্বামীক কাৰ্যকৰী সম্পাদক, ৰমেন শইকীয়াক তথ্য আৰু প্ৰচাৰ সম্পাদকৰূপে লৈ সমিতিখন গঠন কৰাৰ লগতে পশ্চিম যোৰহাট অঞ্চলৰ গাঁও, অনুষ্ঠান, জাতীয়, জনগোষ্ঠীয়, সাহিত্য-সংস্কৃতি অনুষ্ঠানসমূহৰে জড়িতসকলক সহযোগী সদস্যৰূপে লৈ মুঠ ১০০ জনীয়াকৈ সমিতিখন গঠনৰ সিদ্ধান্ত লয়। ২০২৬ চনৰ ৮ ছেপ্টেম্বৰত সামৰণী অনুষ্ঠান অনুষ্ঠিত কৰাৰ লগতে সেই বৰ্ষৰে ৮ অ'ক্টোবৰত বৰ্ষটোত ৰূপায়ণ কৰা কাৰ্যসূচীসমূহৰ বিতং তথ্যৰে আলোকচিত্ৰসহ প্ৰতিবেদন প্ৰকাশ কৰি সমিতিখন ভংগ কৰাৰো সিদ্ধান্ত লয়। শিল্পীজনাৰ বিভিন্ন মুহূৰ্তৰ আলোকচিত্ৰৰ লগতে শিল্পীজনাৰ কথাছবি বা অন্যান্য ক্ষেত্ৰত অংশগ্ৰহণ কৰা আলোকচিত্ৰৰে সময় সুবিধাজনক স্থানত প্ৰদৰ্শনী অনুষ্ঠিত কৰিবলৈও সভাত আলোচনা কৰা হয়। সভাখনত ৰবীন হাতীবৰুৱা, পদ্মা দত্ত, ৰঞ্জন বৰুৱা, মৰমী হাতীবৰুৱা, ধীৰেন্দ্ৰ নাথ নেওগ প্ৰমুখ্যে ভালেসংখ্যক লোক উপস্থিত থাকে আৰু পৰামৰ্শমূলক বক্তব্য আগবঢ়ায়।

# লেংটিছিঙা ৰাজীৱ গান্ধী মেম'ৰিয়েল কলেজৰ অধ্যক্ষ ড° জহুৰুল ইছলামৰ সমাজৰ প্ৰতি অনস্বীকাৰ্য অৱদান

**অসম বাৰ্তা, সৃজনগ্ৰাম, ৯ আগষ্ট ঃ** জাতি ধৰ্ম নিৰ্বিশেষে শিক্ষাৰ আলোৰে আলোকিত কৰাৰ প্ৰচেষ্টাত অধ্যক্ষ ড° জহুৰুল ইছলাম নামনি অসমৰ বৃহত্তৰ লেংটিছিঙা অঞ্চলত শিক্ষাৰ ক্ষেত্ৰত সকলো জাতি-জনগোষ্ঠীক আগুৱাই লৈ যোৱাৰ সবল প্ৰয়াস অব্যাহত ৰাখিছে লগতে সৃজন গ্ৰামৰ কিছু বানে ধোৱা আৰ্থিক সংকটত ভুগা ৰাইজকলৈ ব্যতিক্ৰমী চিন্তাৰে শিক্ষাৰ জগত সবল আচৰ পেলাইছে। সজাগ ৰাইজে শিক্ষাৰ সম্প্ৰসাৰণ ক্ষেত্ৰত কেতিয়াবা গৰাখহনীয়াৰ কবলত পৰি সৰ্ব শান্ত হৈপৰে তেনেস্তলত চৰ-চাপৰিৰ জনগণ সেই সকলোবোৰ জাতি-জনগোষ্ঠীৰ সমানুপাতিক বাৰে সবল মিলে খোজ দিবলৈ কিছুপৰিমানে সক্ষম হৈছে যদিও আই আৰু মানাহ নদীৰ কৰাল গ্ৰাসত পৰি গৃহহীন হোৱা লোকসকলৰ পৰ্যাপ্ত শিক্ষানুষ্ঠান, শিক্ষক আৰু সা-সুবিধা নথকা হেতুকে চৰ অঞ্চলৰ ল'ৰা-ছোৱালী শিক্ষাৰ পৰা কিছু ক্ষেত্ৰৰ বঞ্চিত হোৱা দেখা যায়। তেনে প্ৰেক্ষাপটত অনবৰতে শিক্ষাৰ প্ৰচাৰ আৰু প্ৰসাৰত সদা ব্যস্ত শিক্ষাবিদ ড° জহুৰুল ইছলাম। অধ্যক্ষ ড° জহুৰুল ইছলামৰ শিক্ষাৰ প্ৰতি থকা আগ্ৰহ আৰু সৰ্বাংগীণ উন্নয়নৰ চেতনা থকাৰ বাবে সচতেন মহলে ভূয়োসী প্ৰশংসা কৰিছে ড° ইছলামক। বৰ্তমান সময়ৰ আত ধৰি কবলৈ গলে বানে ধোৱা চৰ-চাপৰিৰ লোকে সৰ্বদিশতে উপেক্ষিত হোৱাৰ মূল কাৰণ কিন্তু ৰাজনৈতিক। সম্প্ৰীতি চহৰ অঞ্চলৰ দৰে চৰৰ গাঁওবোৰত বিদ্যুৎ নাই, বিশুদ্ধ পানী যোগানৰ ব্যৱস্থা নাই, পকী ৰাস্তা নাই, খেল-ধেমালিৰ বাবে উপযুক্ত খেল পথাৰ নাই। পৰ্যাপ্ত পৰিমাণৰ চৰকাৰী চিকিৎসালয় থকাৰ দৰেই। উচ্চ শিক্ষাৰ বিশেষ অনুষ্ঠান নাই, চৰকাৰী কাৰ্যালয় তেনেই কম। তেনে ক্ষেত্ৰত জন প্ৰতিনিধিসকলে গুৰুত্ব আৰোপ কৰা নাই বাবে চৰ-চাপৰিৰ মূল সমস্যা গৰাখহনীয়া আৰু বানপানী। এই দুয়োটা সমস্যাক আজিলৈকে গুৰুত্ব দিয়া হোৱা নাই কাৰণে বানপানীৰ সময়ত চৰ-চাপৰিৰ মানুহবোৰ নিজেই সকলো ব্যৱস্থা কৰিব লাগে। বানে ধোৱা ৰাইজৰ বাবে চৰকাৰে যোগান ধৰা কৃষিবীজ ৰাইজলৈ নাপায়গৈ যি অলপমান শেষ মুহূৰ্তত গৈ পায় সেয়াও উপযুক্ত লোকসকলে নাপায়। জন প্ৰতিনিধিসকলে তাৰ খবৰ ল'বলৈ আহৰি নাই। অতিকৈ পৰিতাপৰ বিষয় প্ৰতিনিধি সকলৰ আৰ্বিভাৱ ঘটে মাথোঁ নিৰ্বাচনৰ সময়ত। যি দলৰেই প্ৰতিনিধি নহওক, চৰ-চাপৰি তথা বানে ধোৱা ৰাইজৰ মূল সমস্যাক কোনেও আজিলৈ গুৰুত্ব দিয়া নাই। এতিয়া চৰ-চাপৰিৰ জনগণ অৰ্থাৎ নৱগঠিত সৃজনগ্ৰাম সমষ্টিৰ ৰাইজে অতিষ্ঠ হৈ অগ্ৰণী সমাজ সেৱক অধ্যক্ষ ড° জহুৰুল ইছলামক আগন্তুক বিধানসভা নিৰ্বাচনৰ প্ৰাৰ্থীত্ব প্ৰত্যাশীৰ চৰ্চাৰ শীৰ্ষত ৰাখিছে। লেংটিছিঙা ৰাজীৱ গান্ধী মেম'ৰিয়েল কলেজৰ অধ্যক্ষ ড° জহুৰুল ইছলাম শিক্ষাবিদ হোৱাৰ লগতে সমাজৰ বৌদ্ধিক ক্ষেত্ৰলৈ তেওঁৰ যি অৱদান, সেয়া অনস্বীকাৰ্য।

# বৰপেটা-মুকালমুৱা-গুৱাহাটী সংযোগী পথৰ দুৰৱস্থাত দুৰ্ভোগ

**অসম বাৰ্তা, বৰক্ষেত্ৰী, ৯ আগষ্ট ঃ** নলবাৰী জিলাৰ বৰক্ষেত্ৰী সমষ্টিৰ অন্তৰ্গত মুকালমুৱা, কাপলাবড়ীকে ধৰি জিলাখনৰ বৰলীয়াৰপাৰ, শনিৰোড, ঘোগা, ৰামপুৰ, দৌলাশাল আদি অঞ্চলৰ ভগ্ন পথে পথচাৰীৰ জীৱনলৈ ভাবুকি কঢ়িয়াই আনিছে। উল্লেখ্য যে অসম চৰকাৰৰ গড়কাপ্তানি বিভাগৰ অধীনস্থ এই মূল পথটোৰে বৰপেটাৰ পৰা দৌলাশাল- কাপলাবড়ী- মুকালমুৱা- বৰলীয়াৰপাৰ- আদাবাৰী- কলিতাকুছি হৈ গুৱাহাটী মহানগৰীৰ আমিনগাঁৱলৈকে সংযোগ কৰিছে। স্থানীয় লোকৰ অভিযোগ অনুসৰি গড়কাপ্তানি বিভাগটোৰ হেমাহি আৰু চুৰান্ত অমনোযোগিতাৰ ফলতেই উক্ত পথটিত প্ৰায়েই সংঘটিত হৈ আহিছে সৰু বৰ দুৰ্ঘটনা। উল্লেখ্য যে এই পথটো নিৰ্মাণৰ কিছু বছৰ পিছতেই গড়কাপ্তানি বিভাগৰ অমনোযোগিতাৰ ফলতে পথটোৰ বহু ঠাইত মেৰামতিৰ অভাৱত এনেদৰে বছৰ বছৰ ধৰি জৰাজীৰ্ণ হৈ পৰি ৰোৱাত হাৰাশাস্তিৰ সন্মুখীন হৈ আহিছে বিভিন্ন প্ৰান্তৰ পথচাৰীসকল। অৱশ্যে, অলপতে এই পথটো সন্দৰ্ভত স্থানীয় বিধায়ক দিগন্ত বৰ্মণৰ তৎপৰতাত অসম বিধাসভাত মজিয়াত প্ৰশ্ন উত্থাপন কৰোঁতে অসমৰ মুখ্যমন্ত্ৰীয়ে উক্ত ৰাজ্যিক পথটো ৰাষ্ট্ৰীয় ঘাই পথ প্ৰাধীকৰণৰ অন্তৰ্ভূক্ত হোৱা বুলি ক'লেও পথটোৰ নিৰ্মাণৰ কাম হাতত নলোৱাত ভীষণ অসুবিধাৰ সন্মুখীন হৈছে স্থানীয় লোকৰ লগতে পথটোৰে নিতৌ অহা যোৱা কৰা বিভিন্ন প্ৰান্তৰ পথচাৰীসকল। ফলত এই পথটোৰে দিনে নিশাই অহা যোৱা কৰা পথচাৰীসকল প্ৰায়েই সৰু বৰ দুৰ্ঘটনাত পতিত হ'বলগীয়া হৈছে। আনহাতে, উক্ত পথটোৰ মাজত বৃহৎ বৃহৎ আকাৰৰ গাঁতৰ লগতে পথটোৰ দুয়োকাষ মাটিৰে পূৰ কৰি মেৰামতি নকৰাৰ ফলত পথটিৰ কাযেৰে অহা যোৱা কৰা চাইকেল আৰোহীৰ লগতে দুচকীয়া বাহনৰ চালকসকলো প্ৰায়েই দুৰ্ঘটনাত পতিত হয়। স্থানীয় লোকে পথটো শীঘ্ৰেই মেৰামতি কৰি সুচল যাতায়তৰ উপযোগী কৰি তোলাৰ বাবে অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক আহ্বান জনাইছে।

# চৰাইদেউৰ বৰহাটত মুখ্যমন্ত্ৰীৰ নিযুত মাইনা আঁচনিৰ প্ৰ-পত্ৰ বিতৰণৰ ৰাজহুৱা সভা

**অসম বাৰ্তা, বৰহাট, ৯ আগষ্ট ঃ** অসম চৰকাৰে ৰাজ্যৰ দহ লাখ কণ্যা শিক্ষাৰ্থীৰ শৈক্ষিক মানদণ্ড উন্নত কৰাৰ লগতে ভৱিষ্যত সুৰক্ষিতকৰণৰ বাবে মুখ্য মন্ত্ৰী নিযুত মাইনা আঁচনি নামেৰে এক অভিলাষী আঁচনি গ্ৰহণ কৰি আহিছে। নিযুত মাইনা আঁচনিৰ সফল ৰূপায়নৰ অংশ বিশেষ হিচাপে আজি ছয় আগষ্টৰ দিনা বৰহাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ত বিদ্যালয় খনৰ অধ্যক্ষ জিতুমণি ভূএগ্ৰাৰ সভাপতিত্ব পুৱা প্ৰায় দহ বাজি ত্ৰিশ বজাৰ পৰা অনুষ্ঠিত হোৱা বৰুৱাছালি জিলা পৰিষদৰ সদস্যা তথা চৰাইদেউ জিলা পৰিষদৰ নতুন অধ্যক্ষা সংগীতা গগৈ, চৰাইদেউ জিলাৰ অতিৰিক্ত আয়ুক্তা বৰষা শইকীয়াৰ উপৰিও বিদ্যালয়ৰ ছাত্ৰ ছাত্ৰী সকলৰ লগতে শিক্ষক শিক্ষয়িত্ৰীৰ তথা অন্যান্য কৰ্মচাৰীৰ উপৰিও বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি হেম ফুকন উপস্থিত থাকে। সভাখনত চৰাইদেউ জিলা পৰিষদৰ অধ্যক্ষা সংগীতা গগৈয়ে বক্তব্য ৰাখি কয় অসম চৰকাৰৰ এই অভিলাষী আঁচনিৰ জৰিয়তে ৰাজ্যৰ ছাত্ৰী সকলৰ বহু উপকৃত হ'ব আৰু চৰাইদেউ জিলাৰ ছাত্ৰী সকলো ইয়াৰ ব্যতিক্ৰম নহ'ব। মুখ্য মন্ত্ৰীৰ নিযুত মাইনা আঁচনিৰ সফল ৰূপায়নৰৰ্থে আজি অনুষ্ঠিত কৰা সভাত অতিৰিক্ত আয়ুক্তা বৰষা শইকীয়াৰ উপৰিও বিদ্যালয়ৰ কেইবাজনো শিক্ষকে ব্যক্তব্য ৰাখে। মুখ্য মন্ত্ৰী নিযুত মাইনা আঁচনি সম্পৰ্কে অনুষ্ঠিত হোৱা সভা খনলৈ বৃহত্তৰ বৰহাট অঞ্চলটোৰ বিশিষ্ট নাগৰিক, সমাজ সচেতন ব্যক্তিৰ উপৰিও বৰহাটৰ অঞ্চলটোৰ গণতান্ত্ৰৰ চতুৰ্থ স্তম্ভৰ লগত জড়িত থাকি নীৰৱচ্ছিন্ন ভাবে জনগণৰ পক্ষত সংবাদ পৰিবেশন কৰা জেষ্ঠ সাংবাদিক সকলক নিমন্ত্ৰণ নিদিয়াক লৈ সাংবাদিকৰ লগতে সচেতন মহল ক্ষুণ্ণ হৈ পৰিছে বুলি এক বিশেষ সূত্ৰে জানিব পৰা গৈছে।

# কচুৱাৰ কান্দাপাৰা চেগুন বাগান খেলপথাৰত ফুটবল প্ৰতিযোগিতা

**অসম বাৰ্তা, কচুৱা, ৯ আগষ্ট ঃ** মধ্য অসমৰ নগাঁও জিলাৰ কচুৱাৰ কান্দাপাৰা ডাইমণ্ড ষ্টুডেণ্ট ক্লাবৰ সৌজন্যত প্ৰত্যেক বছৰৰ ধৰে এই বছৰো আমন্ত্ৰণমূলক ফুটবল প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। জানিব পৰা অনুসৰি, অহা ১৫ আগষ্টৰ পৰা কচুৱাৰ ছেগুন বাগান খেলপথাৰত এই প্ৰাইজমানী ফুটবল খেলখন অনুষ্ঠিত কৰিবলৈ দিহা কৰিছে আয়োজক সমিতিয়ে। খেলখনত অংশগ্ৰহণ কৰিব বিচৰা ইচ্ছুক দলসমূহে আগতীয়াকৈ নামভৰ্তিৰ বাবে ৯৮৫৪৫৪৫২৫১, ৯৭০৬৬২১৬৪১ আৰু ৬০০৬৩৩৬২২ নম্বৰত যোগাযোগ কৰিব পাৰিব বুলি জানিব দিয়ে। স্বাধীনতা দিৱসৰ দিনাৰ পৰা শুভাৰম্ভ হ'বলগীয়া প্ৰাইজমানী ফুটবল প্ৰতিযোগিতাখনত সমূহ ফুটবল প্ৰেমী, দৰ্শক, স্থানীয় ৰাইজৰ উপস্থিতিৰ লগতে সু-দিহা পৰামৰ্শ কামনা কৰিছে আয়োজক সমিতিয়ে। উল্লেখ্য যে ২০১৩ চনত স্থাপিত হোৱা কান্দাপাৰা ডাইমণ্ড ষ্টুডেণ্ট ক্লাবে আৰম্ভণিৰ পৰাই প্ৰত্যেক বছৰে প্ৰাইজমানী ফুটবল প্ৰতিযোগিতাখন সুকলমে অনুষ্ঠিত কৰি আহিছে।

**অত্যাধুনিক আৰু উন্নত মানৰ চিকিৎসা সেৱা লাভ কৰাত বিশেষ সুবিধা পাব নগাঁৱৰ ৰাইজে**

# নগাঁৱত চিকিৎসা খণ্ডত সংযোজন ঘটিল অত্যাধুনিক "আয়ুস হেলথ কেয়াৰ এণ্ড আই কেয়াৰ চেণ্টাৰ"

**অসম বাৰ্তা, নগাঁও, ৯ আগষ্ট ঃ** নগাঁও চহৰৰ পানীগাঁও চাৰিআলিস্থিত শংকৰ মিশ্যণ পথত আজি "আয়ুস হেলথ কেয়াৰ এণ্ড আই কেয়াৰ" নামেৰে এখনি ব্যক্তিগত খণ্ডৰ স্বাস্থ্যৰ সেৱাৰ চেণ্টাৰ মুকলি কৰা হয়। আজি আনুষ্ঠানিকভাৱে মুকলি কৰা এই চেণ্টাৰত নগাঁৱৰ কেইবাগৰাকীও অভিজ্ঞ চিকিৎসকৰ দ্বাৰা চিকিৎসা সেৱা প্ৰদান কৰা হব আয়ুস হেলথ কেয়াৰ এণ্ড আই কেয়াৰত। এই চিকিৎসা সেৱা প্ৰতিষ্ঠানত ৰোগীৰ সকলৰ বাবে সকলো ধৰণৰ সুবিধা উপলব্ধ হব বুলি জানিবলৈ দিলে বিশিষ্ট শিশু ৰোগ বিশেযজ্ঞ ডাঃ ভৱজ্যোতি বৰাই। ইয়াৰ উপৰি এই চেণ্টাৰতে চকু পৰীক্ষাৰ বাবে বিশেষ সুবিধা আগবঢ়োবা হব চকুৰ বিভিন্ন ৰোগত আক্ৰান্ত ৰোগী সকলৰ বাবে। আনহাতে, বিশেষ ভাৱে সক্ষম ৰোগীৰ বাবে বিশেষ সুবিধা উপলব্ধ হব এই প্ৰতিষ্ঠানত। এই প্ৰতিষ্ঠানত চকু অপাৰেচনৰ সকলো প্ৰকাৰৰ অত্যাধুনিক সুবিধা থকাৰ লগতে শিশু সকলৰ বাবে বিশেষ চিকিৎসা পদ্ধতি উপলব্ধ হব বুলি জানিব দিছে শিশু ৰোগ বিশেষজ্ঞ ডাঃ ভৱজ্যোতিৰ বৰা আৰু চকু বিশেষজ্ঞ ডাঃ পূৰবী বৰুৱাই। আজিৰ অনুষ্ঠানৰ আৰম্ভণিতে বন্তি প্ৰজ্বালনৰে অনুষ্ঠানটি মুকলি কৰে অৱসৰপ্ৰাপ্ত যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক ডাঃ অৰূপজ্যোতি মহন্তৰ লগতে উপস্থিত বিশিষ্ট অতিথি সকলে। ইয়াৰ পাছতে প্ৰতিষ্ঠানখনৰ মূল প্ৰবেশ দুৱাৰ মুকলি কৰিলে নগাঁৱৰ যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক ডাঃ তপন শইকীয়াই। আজিৰ এই মুকলি অনুষ্ঠানত উপস্থিত থাকে নগাঁৱৰ অৱসৰপ্ৰাপ্ত যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক ডাঃ অৰূপজ্যোতি মহন্ত, বিশিষ্ট চকু বিশেষজ্ঞ পি.কে দাস, ৰামানুজন চিনিয়ৰ চেকেণ্ডাৰী বিদ্যালয়ৰ অধ্যক্ষ দিলীপ বৰা, নগাঁও পৌৰ সভাৰ উপ- পৌৰপতি সীমান্ত বৰা, প্ৰাক্তন মহলা আয়ুক্ত প্ৰদীপ লুধ, ডাঃভৱজ্যোতি বৰাৰ পৰিয়ালৰ পৰা তেখেতৰ মাতৃ তৰামাই বৰা, চকু বিশেষজ্ঞ তথা চিকিৎসক পত্নী পূৰবী বৰুৱা, জ্যেষ্ঠ ভাতৃ ক্ৰমে হিৰণ্য কুমাৰ বৰা, দ্বীপ বৰা, বৌয়েক প্ৰজ্ঞা বৰা, নিকুমনি বৰা, পুত্ৰ-কন্যা আদিৰ লগতে শতাধিক আত্মীয়-কুটুমৰ উপৰি স্থানীয় লোক উপস্থিত থাকে।

## বকোৰ ২নং জামবাৰীত ব্ৰহ্মপুত্ৰ নামেৰে হোটেল এণ্ড ৰেষ্টুৰেণ্ট প্ৰতিষ্ঠানৰ মাংগলিক ৰিতিনিতিৰে শুভ উদ্বোধন

**অসম বাৰ্তা, বকো, ৯ আগষ্ট ঃ** বৃহত্তৰ ২নং জামবাৰী অঞ্চলটোৰ আকৰ্ষণীয় তথা উন্নত মানদণ্ডৰ ৰুচি সম্পন্ন খাদ্য সম্ভাৰৰ প্ৰতিষ্ঠান ব্ৰহ্মপুত্ৰ হোটেল এণ্ড ৰেষ্টুৰেণ্টৰ শুভ অনুষ্ঠানৰ আঁত ধৰে ম: টফিক আলী আৰু শুভ উদ্বোধন কৰে স্থানীয় জেষ্ঠ ব্যেক্তি মঃ হাঁহি আলী। ব্ৰহ্মপুত্ৰ হোটেল এণ্ড ৰেষ্টুৰেণ্টৰ স্বত্বাধিকাৰী তথা স্থানিয় যুৱক ম: টহিদ আলী জনোৱা অনুসৰি ব্ৰহ্মপুত্ৰ হোটেল এণ্ড ৰেষ্টুৰেণ্ট ভিন্ন ফাছ-ফুট, ভাত, মাছৰ লগতে উন্নত মানদণ্ডৰ খাদ্য সম্ভাৰৰ প্ৰতিষ্ঠানখন নতুন উদ্যেমৰে আধুনিক ৰূপত নিৰ্মাণ কৰি সজাই পৰাই তোলা হৈছে। উল্লেখ্য যে পানেৰী, ছাটাবাৰী আৰু জামবাৰী কোম্পানী সংযোগী পথৰ কাষতে নতুনকৈ আধুনিক ৰূপত নিৰ্মাণ কৰা হৈছে। দক্ষিণ কামৰূপ অঞ্চলত সুস্বাদু ব্যঞ্জনৰ সমাহাৰ যুক্ত তথা জনপ্ৰিয় এখন ব্যৱসায়িক প্ৰতিষ্ঠান হ'ল ব্ৰহ্মপুত্ৰ হোটেল এণ্ড ৰেষ্টুৰেণ্ট।

**ডিব্ৰুগড়ত ছাত্ৰ সন্থাৰ প্ৰতিবাদ**

# অবৈধ হিন্দু বাংলাদেশী নাগৰিক গোচৰ প্ৰত্যাহাৰৰ নিৰ্দেশনা প্ৰতিলিপি দাহ

**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ৯ আগষ্ট ঃ** ন্যায়ালয়ে অবৈধ হিন্দু বাংলাদেশী নাগৰিকত্ব গোচৰ প্ৰত্যাহাৰৰ নিৰ্দেশনা বিৰোধিতা কৰি ডিব্ৰুগড় জিলাৰ ছাত্ৰ সন্থাই আজি তীব্ৰ প্ৰতিবাদসাব্যস্ত কৰে। ছাত্ৰ সন্থাই প্ৰতিলিপি দাহ কৰি ডিব্ৰুগড়ৰ ৩৭নং ৰাষ্ট্ৰীয় ঘাইপথত এই প্ৰতিবাদ সাব্য সাব্যস্ত কৰে। বহু শতাধিক ছাত্ৰ সন্থাৰ কৰ্মী আৰু ৰাইজৰ উপস্থিতিত ন্যায়ালয়ৰ এই নিৰ্দেশনা প্ৰত্যাহাৰৰ দাবী উত্থাপন কৰি প্ৰতিবাদ সাব্যস্ত। বিজেপি চৰকাৰখনে যিবোৰ ভাল কাম কৰে ৰাইজে সহযোগ আগবা ভবঢ়াই থিক একেদৰেই বেয়া কামৰ ওপৰত চকু ৰাখে ৰাইজে? ডিব্ৰুগড় ছাত্ৰ সন্থাই সকীয়াই দিছে বিজেপি চৰকাৰ খনে যি হিন্দু বাংলাদেশীক লৈ যি বাৰ্তা প্ৰেৰণ কৰিছে। হিন্দু বাংলাদেশী সকলৰ ২০১৪ চনৰ ন্যায়ালয়ত চলি থকা গোচৰ সমূহ প্ৰত্যাহাৰ কৰিব লৈ অসম চৰকাৰে জিলাই জিলাই প্ৰতি লিপি প্ৰেৰণ কৰিছে। ডিব্ৰুগড় ছাত্ৰ সন্থাই হিন্দু বাংলাদেশীক অসমৰ নাগৰিকত্ব দিয়াৰ ঘোৰ বিৰোধিতা কৰাৰ লগতে ডিব্ৰুগড় মাজমজিয়াত প্ৰতিলিপি দাহ কৰে। অসমৰ ৰাইজৰ লগতে ছাত্ৰ সন্থাই কোনো ক্ষেত্ৰত মানি নোলোৱাৰ শুংকাৰ ছাত্ৰ সন্থাৰ। মুখ্যমন্ত্ৰীৰ ড° হিমন্ত বিশ্ব শৰ্মাৰ শাসনকালত তেওঁৰ চৰকাৰখনে অসমৰ ৰাইজক গিনিপিগ বুলি ভাবিছে। চৰকাৰী মাটি দখল কৰা সকলক উচ্ছেদ কৰিছে সেয়া অসমৰ ৰাইজৰ লগতে ছাত্ৰ সন্থাই আদৰণি জনায় আৰু তাৰ অসম চৰকাৰক ধন্যবাদ জনাইছে। অসমৰ ৰাইজৰ অবৈধ মাটি দখল কৰা সকলক উচ্ছেদৰ সহানুভূতি লওঁতে লওঁতে মাজেদি হিন্দু বাংলাদেশীক নাগৰিকত্ব দিয়া যি ব্যৱস্থা হাতত লৈছে সেয়া অসমৰ ৰাইজৰ লগতে ছাত্ৰ সন্থাই কেতিয়াও মানি নলয় আৰু কেতিয়াও কাৰ্যকৰী হব নিদিয়ে বুলি ডিব্ৰুগড় জিলা ছাত্ৰ সন্থাৰ তৰফৰ পৰা জানিবলৈ দিয়ে।

# কমলপুৰৰ পুঠিমাৰীত আছুৰ বিশেষ অভিনন্দন অনুষ্ঠান

**অসম বাৰ্তা, কমলপুৰ, ৯ আগষ্ট ঃ** কমলপুৰৰ পুঠিমাৰীত আজি আছুৰ বিশেষ অভিনন্দন অনুষ্ঠান আয়োজন কৰা হয়। কামৰূপ জিলাৰ পুঠিমাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত পুঠিমাৰী কেন্দ্ৰীয় ছাত্ৰ সন্থাই ২৯তম বিশেষ অভিনন্দন অনুষ্ঠান অনুষ্ঠিত কৰে। প্ৰতি বছৰৰ দৰেই এইবেলিও এই অভিনন্দন অনুষ্ঠানত দুগৰাকী কৃতী শিক্ষাৰ্থীক প্ৰয়াত শৰৎ চন্দ্ৰ গোস্বামী আৰু প্ৰয়াত ছাত্ৰ নেতা অমৰ কলিতা সোঁৱৰণী বঁটা প্ৰদান কৰা হয়। তদুপৰি এই অনুষ্ঠানটিত বৃহত্তৰ অঞ্চলটোৰ হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীসকলক বিশেষভাৱে অভিনন্দন জ্ঞাপন কৰাৰ লগতে সৰ্বভাৰতীয় নীট পৰীক্ষাত উত্তীৰ্ণ কৃতী ছাত্ৰ-ছাত্ৰীসকলকো সম্বৰ্ধনা জনায়। এই অনুষ্ঠানটিত পুঠিমাৰী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নিত্যানন্দ কলিতা, কটন কলেজৰ অৱসৰী অধ্যাপক ড° দিলীপ শৰ্মা, সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় কাৰ্যালয় সম্পাদক ভৱজ্যোতি ডেকা, বিশিষ্ট উদ্যোগী শ্যামকানু মহন্তৰ অঞ্চলটোৰ জ্ঞানী-গুণীলোকসকল উপস্থিত থাকে।

## চৰাইদেউৰ জ্যেষ্ঠ সাংবাদিক সূৰ্য বৰা "নীলিম চৌধুৰী সাংবাদিকতা" বঁটাৰ বাবে নিৰ্বাচিত

**অসম সংবাদ, বৰহাট, ৯ আগষ্ট ঃ** চৰাইদেউ জিলাৰ প্ৰতিদিন কাকতৰ জেষ্ঠ কৰ্তব্যনিষ্ঠ, সৎ - নিৰ্ভীক সাংবাদিক সূৰ্য বৰা ডাঙৰীয়াক প্ৰয়াত বিশিষ্ট সাংবাদিক নীলিম চৌধুৰী সোঁৱৰণী বঁটাৰ বাবে নিৰ্বাচিত হৈছে। স্মৰণীয় যে ডিব্ৰুগড় কানৈ মহাবিদ্যালয়ত গ্ৰন্থগাৰিক পদত অধিষ্ঠিত হৈ থকাৰ উপৰিও প্ৰয়াত বিশিষ্ট সাংবাদিক নীলিম চৌধুৰীয়ে 'দৈনিক জন্মভূমি কাকতত' জীৱন কৰ্ম কৰিবপৰা মুহূৰ্তলৈকে বাতৰি লেখা মেলা কৰিছিল। সমাজ জীৱনৰ বিভিন্ন স্তৰৰ অসমতা, অন্যায় অনিতি, দুৰ্নীতি, কুসংস্কাৰ, ধৰ্মান্ধতা, অন্ধবিশ্বাস, সামাজিক ব্যভিচাৰ, সামাজিক অন্যায়, ব্যক্তি সন্ত্ৰাস ৰাষ্ট্ৰীয় সন্ত্ৰাস, নাৰী নিৰ্যাতন আদিৰ বিৰুদ্ধে প্ৰয়াত বিশিষ্ট সাংবাদিক নীলিম চৌধুৰীৰ কলমৰ শোণিতেৰে বিদ্ৰোহৰ অগ্নি নিগৰিছিল। উল্লেখযোগ্য প্ৰতি বছৰে প্ৰয়াত সাংবাদিক জনাৰ সোঁৱৰণীত সমাজ তথা জনজীৱনৰ স্বাৰ্থৰ পক্ষে সংবাদ সেৱা আগবঢ়োৱা জেষ্ঠ সাংবাদিকক নীলিম চৌধুৰী সোঁৱৰণী বঁটাৰে সন্মানিত কৰি অহা হৈছে। ২০২৫ বৰ্ষৰ এই বঁটা আগবঢ়োৱা হ'ব বিভিন্ন সমস্যাৰে জৰ্জড়িত হৈ থকা চৰাইদেউ জিলাৰ পৰা প্ৰতিদিন গোষ্ঠী কাকতৰ লগত জড়িত হৈ থাকি সমাজৰ বৃহৎ স্বাৰ্থৰ খাতিৰত নিজৰ জীৱনকো তুচ্ছ জ্ঞান কৰি কলমৰ শোনিতেৰে দুৰ্নীতিৰে লিপ্ত হৈ থকা চৰকাৰী বৰ বৰ বিষয়াৰ বুকু কঁপাই সমাজ সংস্কাৰ কৰিব খোজা সূৰ্য বৰা ডাঙৰীয়াক অহা ইংৰাজী এঘাৰ আগষ্ট তাৰিখে ডিব্ৰুগড় কানৈ মহাবিদ্যালয়ত অনুষ্ঠিত হ'ব লগা এক বৰ্ণাঢ্য অনুষ্ঠানত প্ৰয়াত বিশিষ্ট 'সাংবাদিক নীলিম চৌধুৰী' সোঁৱৰণী বঁটা প্ৰদান কৰি সন্মানিত কৰা হ'ব।

**জিলা আয়ুক্তক স্মাৰকপত্ৰ প্ৰদান**

# আমগুৰি বাৰোৱাৰী দুৰ্গা পূজাৰ পথ সংকোচনত অসন্তুষ্ট পূজা সমিতি

**অসম বাৰ্তা, আমগুৰি, ৯ আগষ্ট ঃ** শিৱসাগৰ জিলাৰ শতবৰ্ষীয়া আমগুৰি বাৰোৱাৰী দুৰ্গা পূজা মন্দিৰৰ প্ৰৱেশ পথ সংকোচনত উদযাপন সমিতি আৰু স্থানীয় ৰাইজৰ মাজত তীব্ৰ অসন্তুষ্টি দেখা দিছে। দীৰ্ঘদিন ধৰি প্ৰয়াত কৃষ্ণ শৰ্মাই দানস্বৰূপে আগবঢ়োৱা ভূমিত এই পূজা অনুষ্ঠিত হৈ আহিছে। কিন্তু সম্প্ৰতি আমগুৰি নাট্যমন্দিৰৰ আধুনীকীকৰণৰ সময়ত নাট্যমন্দিৰ নিৰ্মাণ সমিতিৰ বিৰুদ্ধে মন্দিৰৰ প্ৰবেশপথ সংকুচিত কৰাৰ অভিযোগ উঠিছে। পূজা সমিতিৰ অভিযোগ অনুসৰি প্ৰৱেশ পথ সংকোচনৰ ফলত পূজামন্দিৰলৈ এখন সৰু বাহনো প্ৰৱেশ কৰিব নোৱাৰা পৰিস্থিতি সৃষ্টি হৈছে। এই অভিযোগৰ ভিত্তিত ৬ আগষ্টত আমগুৰি বাৰোৱাৰী দুৰ্গা পূজা সমিতিয়ে শিৱসাগৰ জিলা আয়ুক্তৰ ওচৰত এক স্মাৰকপত্ৰ প্ৰদান কৰে। স্মাৰকপত্ৰত উল্লেখ কৰা মতে, পূজাৰ সময়ত নাট্যমন্দিৰত নানান অনুষ্ঠানৰ আয়োজন কৰা হয় আৰু নতুন নিৰ্মাণেৰে ৰাইজ সন্তুষ্ট হলেও পূজাগৃহৰ পথ সংকোচনে বহুতো অসুবিধা সৃষ্টি কৰিছে। পূজা সমিতিয়ে দাবী জনাইছে যে, পূজাৰ সময়ত অগ্নি নিৰ্বাপক বাহন, জৰুৰীকালীন সেৱাৰ বাহন বা প্ৰতিমা আনিবৰ বাবেও যথেষ্ট পথৰ প্ৰয়োজন। সংকীৰ্ণ পথৰ বাবে এই সেৱাসমূহ সম্পূৰ্ণৰূপে বিঘ্নিত হ'ব। ফলত সম্ভাব্য দুৰ্ঘটনাৰো আশংকা বৃদ্ধি পাব। স্থানীয় ৰাইজ আৰু পূজা সমিতিয়ে অভিযোগ, বিষয়টোৰ সন্দৰ্ভত বহুবাৰ স্থানীয় বিধায়কৰ কাষচপা হৈছিল যদিও বিধায়কজনে এই বিষয়ে কোনো ব্যৱস্থা গ্ৰহণ কৰা পৰিলক্ষিত হোৱা নাই। সেয়ে, পূজা সমিতিয়ে পূজা মন্দিৰৰ পথ সংকোচন বন্ধ কৰি পূৰ্বৰ দৰে সুচল প্ৰৱেশপথ বজাই ৰাখিবলৈ জিলা আয়ুক্তৰ হস্তক্ষেপ বিচাৰিছে।

# কৃষক নহয় কণকণ ছাত্ৰ-ছাত্ৰী নামিল খেতিপথাৰত

**অসম বাৰ্তা, মিৰ্জা, ৯ আগষ্ট ঃ** দক্ষিণ কামৰূপৰ পলাশবাৰীৰ বৰিহাটৰ ব্যক্তিগত খণ্ডৰ এখন উন্নত মানদণ্ডৰ শিক্ষানুষ্ঠান হৈছে বেলি একাডেমী। বিগত সময়চোৱাত বেলি একাডেমীয়ে পুঠিগত শিক্ষাৰ উপৰিও বিভিন্ন ব্যতিক্ৰমী চিন্তা ধাৰাৰে ছাত্ৰ-ছাত্ৰীৰ মাজত শিক্ষা প্ৰদান কৰি তেওঁলোকক আগুৱাই লৈ যোৱা পৰিলক্ষিত হৈছে। তাৰেই সমান্তৰালকৈ পোন প্ৰথম বাৰৰ বাবে এইবাৰ বেলি একাডেমীয়ে "পথাৰ আমাৰ, সপোন আমাৰ" শীৰ্ষক এটি কৃষি প্ৰকল্প আৰম্ভ কৰা পৰিলক্ষিত হয়। বেলি একাডেমীৰ অধ্যক্ষ ৰত্ন দাসে জানিব দিয়া অনুসৰি পুঠিগত শিক্ষাৰ বাহিৰেও ছাত্ৰ-ছাত্ৰী সকলৰ দক্ষতা বিকাশ তথা মনত বৃত্তিমুখী চিন্তাৰ উদয় কৰাৰ অৰ্থে গ্ৰহণ কৰা হৈছে এই অভিনৱ পদক্ষেপ। বেলি একাডেমীৰ কৰ্তৃপক্ষ তথা ছাত্ৰ-ছাত্ৰীৰ অভিভাৱকৰ সহযোগত একাডেমীৰ নিজৰ দুই বিঘা মাটিত আজি কণকণ ছাত্ৰ-ছাত্ৰী সকলে কঠীয়া ৰোপণ কৰি আৰম্ভ কৰে কৃষি বিপ্লৱ। চহা কৃষক সকলক উৎসাহিত কৰা কালজয়ী গীত গুণগুণাই ৰং ধেমালিৰে কঠীয়া ৰোপণ কৰে আতাইয়ে।

# বৰহাটত মুখ্যমন্ত্ৰীৰ নিযুত মাইনা আঁচনিৰ আবেদন পত্ৰ বিতৰণ সভাত জিলা পৰিষদৰ অধ্যক্ষা সংগীতা গগৈ

**অসম বাৰ্তা, বৰহাট, ৯ আগষ্ট ঃ** অসম চৰকাৰে ৰাজ্যৰ দহ লাখ কন্যা শিক্ষাৰ্থীৰ শৈক্ষিক মানদণ্ড উন্নত কৰাৰ লগতে ভৱিষ্যত সুৰক্ষিতকৰণৰ বাবে মুখ্য মন্ত্ৰী নিযুত মাইনা আঁচনি নামেৰে এক অভিলাষী আঁচনি গ্ৰহণ কৰি আহিছে। নিযুত মাইনা আঁচনি ২.০ সফল ৰূপায়নৰ অংশ বিশেষ হিচাপে যোৱা ইংৰাজী ছয় আগষ্টৰ দিনা বৰহাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ত বিদ্যালয়খনৰ অধ্যক্ষ জিতুমণি ভূএগ্ৰাৰ সভাপতিত্ব পুৱা প্ৰায় দহ বাজি ত্ৰিশ বজাৰ পৰা অনুষ্ঠিত হোৱা সভাত বৰুৱাছালি জিলা পৰিষদৰ সদস্যা তথা চৰাইদেউ জিলা পৰিষদৰ নতুন অধ্যক্ষা সংগীতা গগৈ, চৰাইদেউ জিলাৰ অতিৰিক্ত আয়ুক্তা বৰষা শইকীয়াৰ উপৰিও বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ লগতে শিক্ষক শিক্ষয়িত্ৰীৰ তথা অন্যান্য কৰ্মচাৰীৰ উপৰিও বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি হেম ফুকন উপস্থিত থাকে। সভাখনত চৰাইদেউ জিলা পৰিষদৰ অধ্যক্ষা সংগীতা গগৈয়ে বক্তব্য ৰাখি কয় অসম চৰকাৰৰ এই অভিলাষী আঁচনিৰ জৰিয়তে ৰাজ্যৰ ছাত্ৰী সকলৰ বহু উপকৃত হ'ব আৰু চৰাইদেউ জিলাৰ ছাত্ৰী সকলো ইয়াৰ ব্যতিক্ৰম নহ'ব। মুখ্যমন্ত্ৰীৰ নিযুত মাইনা ২.০ আঁচনিৰ সফল ৰূপায়নৰৰ্থে আজি অনুষ্ঠিত কৰা সভাত অতিৰিক্ত আয়ুক্তা বৰষা শইকীয়াৰ উপৰিও বিদ্যালয়ৰ কেইবাজনো শিক্ষকে ব্যক্তব্য ৰাখে। মুখ্যমন্ত্ৰী নিযুত মাইনা আঁচনি সম্পৰ্কে অনুষ্ঠিত হোৱা সভাখনলৈ বৃহত্তৰ বৰহাট অঞ্চলটোৰ বিশিষ্ট নাগৰিক, সমাজ সচেতন ব্যক্তিৰ উপৰিও বৰহাটৰ অঞ্চলটোৰ গণতান্ত্ৰৰ চতুৰ্থ স্তম্ভৰ লগত জড়িত থাকি নীৰৱচ্ছিন্নভাবে জনগণৰ পক্ষত সংবাদ পৰিবেশন কৰা জেষ্ঠ সাংবাদিক সকলক নিমন্ত্ৰণ নিদিয়াক লৈ সাংবাদিকৰ লগতে সচেতন মহল ক্ষুণ্ণ হৈ পৰিছে বুলি এক বিশেষ সূত্ৰে জানিব পৰা গৈছে।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ | বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com | ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ | ◀◀ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▶▶
◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • Facebook : \asombarta • Instagram : \asom_barta •
● সম্পাদক ঃ তনয় বৰা | ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন